Content includes AI-generated material

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK,
COLOR PAVER BLOCK,
CEMENT TILES
FACTORY ADDRESS
TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, APRIL 12, 2025 ■ শনিবাৰ, ২৯ চ'ত, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ১০৫ Guwahati, Assam || মূল্যঃ এটকা


প্ৰজ্ঞা একাডেমীৰ গৌৰৱ আমিশী, অনিৰ্বাণ


### প্ৰজ্ঞাৰ দৌৰত আকৌ জয়ী হ'ল যোৰহাটৰ প্ৰজ্ঞা একাডেমী

## সৰ্বাধিক নম্বৰ লাভেৰে শীৰ্ষস্থান দখল আমিশী শইকীয়াৰ

### ৰাজ্যৰ ভিতৰতে তৃতীয় স্থান লাভ অনিৰ্বাণৰ, সপোন ভাল চিকিৎসক হোৱাৰ

ই-সংবাদ, যোৰহাট, ১১ এপ্ৰিলঃ পুনৰ এবাৰ সাফল্যৰ কিৰণে আলোকিত কৰিছে যোৰহাটৰ প্ৰজ্ঞা একাডেমী চতুৰ্থ পৃষ্ঠাত

## অসম জাতীয় বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই দ্বিতীয় স্থানত সপ্তৰ্স্ব বৰদলৈ



ই-সংবাদ, ১১ এপ্ৰিলঃ পূৰ্বৰ ধাৰা অক্ষুণ্ণ ৰাখি এইবেলিও হাইস্কুল শিক্ষান্ত ৪ পৃষ্ঠাত

### আজি দিম, কাইলৈ নিদিওঁকৈ হঠাৎ ঘোষণা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল

# বৃহৎ শৈক্ষিক সংস্কাৰ হ'ল অসাৰ, নিম্নগামী উত্তীৰ্ণৰ হাৰ

● উত্তীৰ্ণৰ হাৰ হ্ৰাস পোৱাক লৈ উদ্বেগ শিক্ষামন্ত্ৰীৰ, নিম্নগামী জিলাৰ জিলা আয়ুক্তৰে হ'ব পৰ্যালোচনা বৈঠক



ই-সংবাদ, ১১ এপ্ৰিলঃ অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে আজি ঘোষণা কৰিলে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফল। চলিত বৰ্ষৰ ফেব্ৰুৱাৰী আৰু মাৰ্চ মাহত অনুষ্ঠিত হোৱা এই পৰীক্ষাত মুঠ ৪,২২,৭৩৭ গৰাকী দ্বিতীয় পৃষ্ঠাত চাওক

## পঞ্চায়ত নিৰ্বাচনৰ বাবে স্থানীয় বন্ধ!

ই-সংবাদ, ১১ এপ্ৰিলঃ ৰাজ্যিক নিৰ্বাচন আয়োগে অসমৰ পঞ্চায়ত নিৰ্বাচনৰ তাৰিখ ঘোষণা ২ নং পৃষ্ঠাত

## বিজেপিৰ তাৰকা প্ৰচাৰকৰ তালিকাত নাম নাই ভৱেশৰ!



ই-সংবাদ, ১১ এপ্ৰিলঃ আজি শাসকীয় ভাৰতীয় জনতা পাৰ্টীয়ে অসমৰ আগন্তুক পঞ্চায়ত শেষাংশ ৫ পৃষ্ঠাত

## নিৰ্মাণ কৰা হ'ব প্ৰদীপ নাগৰ আৱক্ষমূৰ্তি

ই-সংবাদ, ওদালগুৰি, ১১ এপ্ৰিলঃ সদ্যপ্ৰয়াত আদিবাসী ছাত্ৰ নেতা প্ৰদীপ ২ পৃষ্ঠাত

## হেলিকপ্টাৰ দুৰ্ঘটনাত নিঃশেষ এটা পৰিয়াল!



নিউয়ৰ্ক, ১১ এপ্ৰিলঃ নিউয়ৰ্কৰ জনপ্ৰিয় হাডছন নদীত হঠাৎ উঠিল মৃত্যুৰ কিৰিলি! ৫ পৃষ্ঠাত শেষাংশ


## গুণোৎসৱৰ পিছত মেট্ৰিকতো শীৰ্ষস্থান শিৱসাগৰৰ

### উত্তীৰ্ণৰ হাৰ ৮৫.৫৫ শতাংশ, চৰকাৰী বিদ্যালয়ৰ সাফল্য

ই-সংবাদ, শিৱসাগৰ, ১১ এপ্ৰিলঃ শিৱসাগৰ জিলাখনে সদ্যঘোষিত গুণোৎসৱৰ ফলাফলত ৰাজ্যৰ ভিতৰত প্ৰথম স্থান দখল কৰাৰ পিছতেই আজি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৮৫.৫৫ শতাংশৰে অসমৰ ভিতৰত প্ৰথম স্থান দখল কৰিবলৈ সক্ষম হয়। ৩ নং পৃষ্ঠাত

### পৰীক্ষা নিদিলে ৬ হাজাৰ শিক্ষাৰ্থীয়ে!

## ঝুমুৰৰ বাবেই মেট্ৰিকত অৱতীৰ্ণ নহ'ল নেকি পৰীক্ষাৰ্থী!




ই-সংবাদ, ১১ এপ্ৰিলঃ বিশ্ব ৰেকৰ্ড গঢ়িবলৈ হিমন্ত বিশ্ব শৰ্মা চৰকাৰে গুৱাহাটীৰ সৰুসজাই ষ্টেডিয়ামত অনুষ্ঠিত ঝুমুৰ নৃত্যৰ বাবে ১৬ পৃষ্ঠাত

### নল'লে শিক্ষা! মাজুলীত পুনৰ ফেৰী দুৰ্ঘটনা

## অফলামুখত বৈ থকা নাৱত ৰ'পেক্স জাহাজৰ খুন্দা

ই-সংবাদ, মাজুলী, ১১ এপ্ৰিলঃ ২০২১ চনৰ ৮ ছেপ্টেম্বৰৰ সেই কাল অমানিশা দিনটোলৈ মনত পৰিলে এতিয়াও চিঞৰি উঠে মাজুলীবাসীয়ে। শেষাংশ ৩ পৃষ্ঠাত



## অধিবক্তাক ৬ মাহৰ কাৰাদণ্ড উচ্চ ন্যায়ালয়ৰ

লক্ষ্ণৌ, ১১ এপ্ৰিলঃ খোলা ছাৰ্টৰ বুটাম, লগতে অশালীন ভাষা ব্যৱহাৰৰ অভিযোগ। আদালত অৱমাননাৰ অভিযোগৰ শাস্তি হ'ল ছমাহৰ কাৰাদণ্ড। এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ৪ পৃষ্ঠাত

## প্ৰতিবাদথলীৰ পৰা আটক কানহাইয়া

### প্ৰতিবাদীক ছত্ৰভংগ দিয়াবলৈ জল বোমা নিক্ষেপ আৰক্ষীৰ

পাটনা, ১১ এপ্ৰিলঃ ৰাজ্য চৰকাৰৰ নীতিৰ বিৰুদ্ধে ৰাজপথলৈ ওলাই আহিল কংগ্ৰেছ নেতা কানহাইয়া কুমাৰ। বিহাৰত যুৱক-যুৱতীসকলৰ কৰ্মসংস্থাপনৰ অভাৱ আৰু গণ প্ৰব্ৰজন ৰোধৰ বাবে তেওঁ 'প্ৰব্ৰজন বন্ধ কৰক, চাকৰি দিয়ক' অভিযান আৰম্ভ পঞ্চম পৃষ্ঠাত চাওক

## কংগ্ৰেছৰ জিলা সভাপতিক আক্ৰমণ!

গুৱাহাটী, ১১ এপ্ৰিলঃ শাসক-বিৰোধী দলে পঞ্চায়ত নিৰ্বাচনক লৈ ৫ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৃহৎ শৈক্ষিক সংস্কাৰ হ'ল অসাৰ

পৰীক্ষাৰ্থী অৱতীৰ্ণ হৈছিল। লক্ষ্যণীয়ভাৱে বিগত বৰ্ষৰ তুলনাত এইবাৰ ১১.৭২ শতাংশ হ্ৰাস পাইছে উত্তীৰ্ণৰ হাৰ। বিগত বৰ্ষত মেট্ৰিক পৰীক্ষাত ৭৫.৭ শতাংশ উত্তীৰ্ণৰ হাৰ হোৱাৰ বিপৰীতে এইবাৰ উত্তীৰ্ণৰ হাৰ হৈছে ৬৩.৯৮ শতাংশ। আনহাতে এইবাৰ অৱতীৰ্ণ হোৱা মুঠ পৰীক্ষাৰ্থীৰ ২,৭০,৪৭১ গৰাকী সফলতাৰে উত্তীৰ্ণ হৈছে। ইয়াৰে ৮৯,০৪১ গৰাকীয়ে প্ৰথম বিভাগ, ১,৩৫,৫৬৮ গৰাকীয়ে দ্বিতীয় বিভাগ, আৰু ৪৫,৮৬২ গৰাকীয়ে তৃতীয় বিভাগ লাভ কৰিছে। পৰীক্ষাৰ কঠোৰ মানদণ্ড বজাই ৰখাৰ উপৰিও অতি শীঘ্ৰে ফেইল কৰাসকলৰ বাবে কম্পাৰ্টমেণ্ট পৰীক্ষাৰ ব্যৱস্থা কৰা হ'ব বুলি ইতিমধ্যে জানিবলৈ দিছে শিক্ষা পৰিষদে। উল্লেখ্য যে, অসমৰ ৩৩খন জিলাৰ ভিতৰত উত্তীৰ্ণৰ হাৰেৰে শীৰ্ষস্থান দখল কৰিবলৈ সক্ষম হৈছে শিৱসাগৰ জিলাই। জিলাখনত উত্তীৰ্ণৰ হাৰ হৈছে ৮৫.৫৫ শতাংশ। ইয়াৰ বিপৰীতে সৰ্বাধিক উত্তীৰ্ণৰ দ্বিতীয় স্থানত ডিব্ৰুগড় (৮১.১০%) আৰু তৃতীয় স্থানত আছে ধেমাজি (৮০.৬৪%)। একে সময়তে যোৰহাট (৭৯.৬১%) আৰু কামৰূপ মহানগৰ (৭৮.৭৯%)ৰ ফলাফলো আশাব্যঞ্জক। আনহাতে শ্ৰীভূমি জিলাত সৰ্বনিম্ন ৪৭.৯৬ শতাংশ পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে এই বছৰ। ইয়াৰ পিছতে আছে গোৱালপাৰা (৫১.৩১%), কাছাৰ (৫১.৫৮%), মৰিগাঁও (৫১.৪০%) আৰু হোজাই (৫২.৬১%) জিলা। এই পৰীক্ষাত ৫,৩৩৬ গৰাকী শিক্ষাৰ্থীয়ে ডিষ্টিংচন নম্বৰ আৰু ১৬,৫১৭ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰা বুলি জানিব পৰা গৈছে। মন কৰিবলগীয়া যে, পৰীক্ষা অনুষ্ঠিত হোৱাৰ সময়ত এইবাৰ অনৈতিকভাৱে অৱতীৰ্ণ হোৱাৰ অভিযোগত ১০১ গৰাকী পৰীক্ষাৰ্থীক বহিষ্কাৰ কৰাৰ লগতে পঞ্জীয়ন সম্পৰ্কীয় জটিলতাৰ বাবে ২২ গৰাকীৰ ফলাফল স্থগিত ৰখা হৈছে। কেইবাখনো জিলাৰ লগতে সামগ্ৰীক ভাৱে অসমৰ নিম্নগামী হোৱাত শিক্ষা বিভাগ, অভিভাৱকসকল উদ্বিগ্ন হৈছে। ইপিনে আজি সংবাদমেল যোগে শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ছাত্ৰ-ছাত্ৰীৰ উত্তীৰ্ণৰ বাবে মান উন্নীত কৰিবৰ বাবে শিক্ষা বিভাগে পদক্ষেপ ল'ব বুলি প্ৰকাশ কৰিছে। বিগত বৰ্ষৰ তুলনাত এইবাৰ মেট্ৰিক পৰীক্ষাৰ ফলাফল নিম্নগামী বুলি স্বীকাৰ কৰি ডাঃ ৰণোজ পেগুৱে ধেমাজিত আজি শিক্ষামন্ত্ৰী ৰণোজ পেগুৱে সংবাদমেল সম্বোধন কৰিক কয় যে ফলাফল নিম্নগামী হোৱা জিলাসমূহৰ জিলা আয়ুক্তৰ সৈতে পৰ্যালোচনা বৈঠক অনুষ্ঠিত কৰা হ'ব। ইফালে, মাধ্যমিক শিক্ষা পৰিষদ চমুকৈ ছেবা ভংগ হোৱাৰ পিছত নতুনকৈ গঠন কৰা অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদৰ উদ্যোগত এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষা কিছু খামখেয়ালিৰ মাজত অনুষ্ঠিত হৈছিল যদিও অতি সোনকালে পৰীক্ষাৰ ফলাফল ঘোষণা কৰিবলৈ সক্ষম হয়। এইবাৰৰ পৰীক্ষাত তুলনামূলকভাৱে কেইবাটাও পৰিৱৰ্তন দেখা গৈছে। বিগত কেইবাটাও বছৰ ধৰি ছাত্ৰক ফেৰ মাৰি ছাত্ৰীয়ে কেইবাটাও দিশত সুখ্যাতি অৰ্জন কৰিছিল। স্থান পোৱাসকলৰ ভিতৰত বেছিখিনি আছিল ছাত্ৰী। এইবাৰ তিনিটা স্থানৰ ব্যৱস্থা কৰা হৈছে আৰু তিনিজনৰ ভিতৰত দুজনেই ছাত্ৰ। এইবাৰৰ পৰীক্ষাত ছাত্ৰৰ উত্তীৰ্ণৰ হাৰ ৬৭.৫৯ শতাংশ হোৱাৰ বিপৰীতে ছাত্ৰীৰ উত্তীৰ্ণৰ হাৰ হৈছে ৬১.০৯ শতাংশ। এইবাৰৰ পৰীক্ষাত অৱতীৰ্ণ হোৱা ১৮৭৭৫২ জন ছাত্ৰৰ ভিতৰত ১২৬৯০৭ জন ছাত্ৰ উত্তীৰ্ণ হয়। আনহাতে, পৰীক্ষাত অৱতীৰ্ণ ২৩৪৯৮৫ গৰাকী ছাত্ৰীৰ ভিতৰত উত্তীৰ্ণ হয় ১৪৩৫৬৪ গৰাকী ছাত্ৰী। ডিষ্টিংচন, ষ্টাৰ নম্বৰ লাভৰ ক্ষেত্ৰতো ছাত্ৰীৰ তুলনাত ছাত্ৰ আগবাঢ়ি আছে। ২৯২৭ গৰাকী ছাত্ৰই ডিষ্টিংচন নম্বৰ লাভ কৰাৰ বিপৰীতে এই নম্বৰ লাভ কৰা ছাত্ৰীৰ সংখ্যা হৈছে ২৪০৯ গৰাকী। ষ্টাৰ নম্বৰৰ ক্ষেত্ৰতো এইবাৰ ছাত্ৰীৰ তুলনাত ছাত্ৰ আগবাঢ়ি আছে। আজি ঘোষিত ফলাফল অনুযায়ী ষ্টাৰ নম্বৰ লাভ কৰিছে ৮৪০৮ গৰাকী ছাত্ৰই। আনহাতে ষ্টাৰ নম্বৰ লাভ কৰা ছাত্ৰীৰ সংখ্যা হৈছে ৮১০৯ গৰাকী। অৱশ্যে প্ৰথম বিভাগ, দ্বিতীয় বিভাগ আৰু তৃতীয় বিভাগত উত্তীৰ্ণৰ ছাত্ৰীৰ সংখ্যা বেছি। প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰৰ সংখ্যা হৈছে ৪৩,৫৭৪ গৰাকী আৰু প্ৰথম বিভাগত উত্তীৰ্ণ ছাত্ৰীৰ উত্তীৰ্ণ সংখ্যা হৈছে ৪৫,৪৭৬ গৰাকী। দ্বিতীয় স্থানত উত্তীৰ্ণ হোৱা ছাত্ৰৰ সংখ্যা হৈছে ৬৩,৪১০ গৰাকী। বিপৰীতে দ্বিতীয় স্থানত উত্তীৰ্ণ ছাত্ৰীৰ সংখ্যা হৈছে ৭২,১৫৮ গৰাকী। তৃতীয় বিভাগত ছাত্ৰ উত্তীৰ্ণ হৈছে ১৯,৯২৩ গৰাকী। বিপৰীতে তৃতীয় বিভাগত ছাত্ৰী উত্তীৰ্ণ হৈছে ২৫,৯৩৯ গৰাকী। এনেদৰে বিগত কেবাটাও বৰ্ষৰ অন্তত এইবাৰ উত্তীৰ্ণৰ হাৰেৰে ছাত্ৰীক পিছপেলাই আগবাঢ়িবলৈ সমৰ্থ হৈছে ছাত্ৰ। উল্লেখ্যে যে, এইবাৰ ছেবা ভংগ কৰি চৰকাৰৰ শিক্ষা বিভাগে ব্যাপক শৈক্ষিক সংস্কাৰৰ কথা সদম্ভে ঘোষণা কৰিছিল যদিও সেই সংস্কাৰ বাস্তৱত দেখিবলৈ পোৱা নগ'ল। বিপৰীতে এইবাৰ কেবাটাও বৰ্ষৰ অন্তত ফলাফল যথেষ্ট নিম্নগামীহে হৈ পৰা পৰিলক্ষিত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিৰ্মাণ কৰা হ'ব প্ৰদীপ নাগৰ

নাগক লৈ ৰাজ্যজুৰি অব্যাহত আছে শোকৰ পৰিৱেশ। ওদালগুৰিৰো বিভিন্ন প্ৰান্তত প্ৰয়াত ছাত্ৰনেতাজনক লৈ বিভিন্ন শ্ৰদ্ধাঞ্জলি অনুষ্ঠান অব্যাহত আছে। ইয়াৰ মাজতে আজি ওদালগুৰিৰ সমাজকৰ্মী তথা ওদালগুৰি জিলা বিজেপিৰ উপ-সভাপতি মিনন মোছাহাৰীৰ উদ্যোগত প্ৰয়াত নাগলৈ শ্ৰদ্ধাঞ্জলি জনোৱাৰ অৰ্থে এক অনুষ্ঠান অনুষ্ঠিত হয়। ওদালগুৰি ৰাজহুৱা দুৰ্গাপূজা মণ্ডপ চৌহদত বিয়লি প্ৰায় ৪ বজাৰ পৰা অনুষ্ঠিত এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত উপস্থিত থাকি বলেন্দ্ৰ ব্ৰহ্মই প্ৰয়াত ছাত্ৰ নেতাগৰাকীৰ সান্নিধ্যৰ কথা উল্লেখ কৰে। তেওঁ কয়, "প্ৰদীপ নাগৰ দৰে আদিবাসী সংগঠনৰ হৈ মাত মতা নেতা বহু কম আছে। তেওঁ আপোচহীনভাৱে শোষিত বঞ্চিত জনগোষ্ঠীটোৰ হৈ মাত মাতি গৈছিল। জনগোষ্ঠীটোৰ প্ৰাপ্যৰ বাবে তেওঁ নিজৰ কণ্ঠৰে দিল্লী-দিশপুৰৰ কাণ চোৱাবলৈ সক্ষম হৈছিল।" তেওঁৰ মৃত্যুত জনগোষ্ঠীটোৰ এক বৃহৎ ক্ষতি বুলি উল্লেখ কৰি ব্ৰহ্মই লগতে কয়, "বিভিন্ন ক্ষেত্ৰত প্ৰয়াত নাগৰ সৈতে সম্পৰ্ক আছিল সমাজকৰ্মী মিনন মোছাহাৰীৰ। মোছাহাৰীয়ে নাগৰ মৃত্যুত যথেষ্ট আঘাত অনুভৱ কৰিছে। বৰ্তমান মিনন মোছাহাৰীয়ে স্বাস্থ্যজনিত কাৰণত কলিকতাত আছে যদিও তাৰ পৰাই তেওঁৰ প্ৰদীপ নাগৰ বাবে কিবা এটা কৰাৰ ইচ্ছা প্ৰকাশ কৰিছে। ফলত ওদালগুৰি চহৰৰ যিকোনো সুবিধাজনক স্থানত প্ৰদীপ নাগৰ এটা আটকধুনীয়া আৱক্ষমূৰ্তি স্থাপনৰ ইচ্ছা প্ৰকাশ কৰিছে। আদিবাসী সংগঠনটোৰ নেতৃত্বই চহৰখনৰ যি ঠাইতে বিচাৰে তাতেই মূৰ্তিটো নিৰ্মাণ কৰা হ'ব বুলি প্ৰকাশ কৰিছে।" কলিকতাৰ পৰা উভতি অহাৰ পাছত বিষয়টো সন্দৰ্ভত মোছাহাৰীয়ে আদিবাসী সংগঠনৰ নেতাৰ সৈতে আলোচনা কৰিব বুলি প্ৰকাশ কৰে। ইফালে উক্ত অনুষ্ঠানত উপস্থিত থাকি সংগঠনটোৰ কেন্দ্ৰীয় প্ৰচাৰ সম্পাদক ৰবিৰাম বাস্কে মোছাহাৰীৰ এই পদক্ষেপক সঁহাৰি জনাই সুন্দৰ পদক্ষেপ গ্ৰহণ কৰা বুলি উল্লেখ কৰি পৰৱৰ্তী সময়ত আলোচনামৰ্মে স্থান নিৰ্বাচন কৰি মূৰ্তিৰ স্থান নিৰ্ধাৰণ কৰিব বুলি উল্লেখ কৰে। আজিৰ এই অনুষ্ঠানত ওদালগুৰি জিলা বিজেপিৰ সাধাৰণ সম্পাদক অজয় হাজৰিকা, জিলা আছাৰ সভাপতি বাবুল পায়েককে প্ৰমুখ্যে কৰি ওদালগুৰি চহৰৰ বহু লোক উপস্থিত থাকে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# পঞ্চায়ত নিৰ্বাচনৰ বাবে স্থানীয় বন্ধ!

কৰি ২ মে' আৰু ৭ মে'ত দুটা পৰ্যায়ত ভোটগ্ৰহণৰ সিদ্ধান্ত লৈছে। প্ৰথম পৰ্যায়ৰ নিৰ্বাচন ২ মে'ত উজনি অসম আৰু বৰাক উপত্যকাৰ ১৪ খন জিলাত অনুষ্ঠিত হ'ব। আনহাতে দ্বিতীয় পৰ্যায়ৰ ভোটদান ৭ মে'ত নামনি অসমৰ ১৩ খন জিলাত হ'ব। এই দুয়োটা দিনতে সংশ্লিষ্ট জিলাসমূহত স্থানীয় বন্ধ ঘোষণা কৰা হৈছে। আজি এক বিবৃতি যোগে ৰাজ্যিক নিৰ্বাচন আয়োগে এই কথা ঘোষণা কৰিছে। ৩ এপ্ৰিলৰ পৰা আৰম্ভ হোৱা মনোনয়ন-পত্ৰ দাখিলৰ বাবে আজি আছিল শেষ দিন। পত্ৰ পৰীক্ষণ হ'ব ১২ এপ্ৰিলত আৰু প্ৰত্যাহাৰৰ শেষ তাৰিখ ১৭ এপ্ৰিল। তালিকাভুক্ত ভোটাৰৰ সংখ্যা হৈছে ১ কোটি ৮০ লাখ ৩৬ হাজাৰ ৬৮২ গৰাকী। ইয়াৰে পুৰুষ ভোটাৰ ৯০ লাখ আৰু মহিলা ভোটাৰ ৮৯ লাখ। আনহাতে ৰাজ্যিক নিৰ্বাচন আয়োগে ভোট গ্ৰহণ শান্তিত অনুষ্ঠিত কৰিবৈল ব্যৱস্থা কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অফলামুখত বৈ থকা নাৱত ৰ'পেক্স

ফেৰী দুৰ্ঘটনাত তিনিজনকৈ ব্যক্তিয়ে অকাল মৃত্যুক আঁকোৱালি ল'ব লগা হৈছিল। সেই দিনৰ যেন পুনাবৃত্তি নহওক তাৰ বাবে নেদেখাজনৰ ওচৰত মাজুলীবাসীয়ে আজিও প্ৰাৰ্থনা কৰে। সেই দুৰ্ঘটনাৰ পাছতো যেন শিক্ষা নল'লে আভ্যন্তৰীণ জল পৰিবহণ বিভাগে। বাৰে বাৰে ব্ৰহ্মপুত্ৰৰ বুকুত মাজুলী-নিমাতিৰ মাজত চলাচল কৰা ফেৰী সেৱাত ইটোৰ পাছত সিটো ঘটনা সংঘটিত হৈ আহিছে। আভ্যন্তৰীণ জল পৰিবহণ বিভাগে মাজুলীবাসীক লৈ চৰম হেতালি খেলাৰ অভিযোগ উঠিছে। ২০২১ চনৰ ৮ ছেপ্টেম্বৰৰ সেই কাল অমানিশা দিনটোৰ পৰাও শিক্ষা নল'লে বিভাগটোৱে বুলি প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে মাজুলীত। ২০২১ চনৰ ৮ ছেপ্টেম্বৰৰ সেই কাল অমানিশা দিনটোৰ দৰেই অনুৰূপ ঘটনাৰ পৰা কথমপি ৰক্ষা পৰিল মাজুলীবাসী। ঘটনা অনুসৰি আজি পুৱাৰ ভাগতেই পুনৰ ভয়ংকৰ ফেৰী দুৰ্ঘটনা সংঘটিত হয় মাজুলীৰ অফলামুখ ঘাটত। ৰ'পেক্স জাহাজে খুন্দা মাৰে ৰখাই থোৱা নাৱত। মাজুলীৰ অফলামুখ ঘাটত এই ঘটনা সংঘটিত হয়। কথমপি প্ৰাণ ৰক্ষা পৰে শতাধিক যাত্ৰীৰ। ঘটনা অনুসৰি পুৱা ৮ বজাত নিমাতি অভিমুখে যাব লগা ৰ'পেক্স জাহাজখনে নিমাতি অভিমুখে যাত্ৰা কৰিব লওঁতেই যান্ত্ৰিক বিজুটি ঘটি ৮.৩০ বজাৰত নিমাতি ঘাটলৈ যাবৰ বাবে অন্য এটা ৰেম্পত সাজু হৈ থকা গুটিয়া ফেৰী সৰুমাই নামৰ ফেৰীখনত প্ৰচণ্ড জোৰে খুন্দা মাৰে। সৰুমাই ফেৰীখনত থকা যাত্ৰীসকলৰ মাজত হুৰাদুৰা লগাৰ লগতে ৰ'পেক্স জাহাজখনত থকা যাত্ৰীসকলৰ মাজতো হুৰাদুৰা পৰিৱেশৰ সৃষ্টি হয়। সৰুমাই ফেৰীখনৰ যথেষ্ট ক্ষতি হোৱাৰ লগতে নিমাতি অভিমুখে তুলি থোৱা কেইবাখনো বাইক নাওখনতেই বাগৰি পৰে। মানুহৰ কোনো বিপদ নোহোৱাকৈ কোনোমতে ৰক্ষা পৰে। আনহাতে ৰ'পেক্স জাহাজখনত থকা যাত্ৰীসকলক উদ্ধাৰৰ বাবে যোৱা পদ্মা নামৰ ফেৰীখনতো খুন্দা মাৰে ৰ'পেক্স জাহাজে। অৱশেষত ৰ'পেক্স জাহাজখনৰ চলকে মাজুলী-যোৰহাট সংযোগী দলঙৰ খুঁটাৰ কাষত লংগৰ দি ৰাখিবলৈ সক্ষম হয়। ৰ'পেক্স জাহাজখনত থকা যাত্ৰীসকলক এছ ডি আৰ এফ বাহিনীয়ে উদ্ধাৰ কৰে। এই ভয়ংকৰ বিপদৰ পৰা কথমপি ৰক্ষা পৰিল যাত্ৰীসকল। জানিব পৰা অনুসৰি ৰ'পেক্স জাহাজখন তিনিমাহৰ আগৰ পৰাই কিছু বিজুতি ঘটি থকাৰ কথা চলকে বিভাগক জনাইছিল আৰু এই সম্পৰ্কত বিভাগে কোনো গুৰুত্ব দিয়া নাছিল। যাৰ ফলত আজি যান্ত্ৰিক বিজুতি ঘটি বেকগিয়েৰ লাগি যোৱাত এই অকল্পনীয় ঘটনা সংঘটিত হয়। এটা দুৰ্ঘটনা সংঘটিত হৈ যোৱাৰ পাছত বিভাগে কিয় শিক্ষা নল'লে বুলি মাজুলীত ৰাইজে চৰকাৰৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে। সামাজিক মাধ্যমতো বিভাগ তথা চৰকাৰৰ বিৰুদ্ধে ব্যাপক প্ৰতিক্ৰিয়া দেখা গৈছে। মাজুলীবাসীৰ লগত ল'ৰা ধেমালি কৰাৰ অভিযোগ উঠিছে। বিভাগ তথা চৰকাৰে মাজুলীবাসীৰ জীৱনক লৈ কিয় বাৰে বাৰে হেতালি খেলি আছে বুলি প্ৰশ্ন তুলিছে। আজি পৰ্যন্ত চৰকাৰে মাজুলীৰ প্ৰাপ্য নিমাতি-মাজুলী সংযোগী দলঙৰ কিয় পুনৰ নিবিদা প্ৰক্ৰিয়া আৰম্ভ কৰিব পৰা নাই বুলি চাৰকাৰলৈ আঙুলি উঠিছে। ফেৰী দুৰ্ঘটনাৰ পাছতেই মাজুলীৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক অফলামুখ ঘাটত উপস্থিত হৈ ঘটনাৰ বুজ লোৱাৰ লগতে এই ঘটনাটো দুৰ্ভাগ্যজনক বুলি উল্লেখ কৰি। হঠাৎ জাহাজখন কি পৰিস্থিতিত বেয়া হ'ল ইয়াৰ এটা তদন্ত কৰাৰ কথা উল্লেখ কৰি ৰ'পেক্স জাহাজখন নিমাতিলৈ নি মেৰামতি কৰা হ'ব বুলি জানিবলৈ দিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গুণোৎসৱৰ পিছত মেট্ৰিকতো শীৰ্ষস্থান

অসমীয়া ভাষা-সাহিত্য-সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ তথা 'অৰুণোদই'ৰ জন্মস্থান শিৱসাগৰ। শিৱসাগৰ জিলাৰ শিক্ষা বিষয়া দেৱজ্যোতি গগৈৰ আশাশুধীয়া প্ৰচেষ্টাৰ বাবেই গুণোৎসৱ আৰু হাইস্কুল শিক্ষান্ত পৰীক্ষাত এই ঐতিহাসিক জিলাখনে প্ৰথম স্থান দখলৰ ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হোৱা বুলি বৌদ্ধিক মহলে মত প্ৰকাশ কৰিছে। আজি ঘোষিত ফলাফলত ঐতিহাসিক জিলাখনৰ পৰা মুঠ ৮৩৭১ গৰাকী পৰীক্ষাৰ্থী অৱতীৰ্ণ হোৱাৰ বিপৰীতে ৮৫.৫৫ শতাংশ হাৰে ৭১৬০ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ২৯১৮ গৰাকী প্ৰথম, ৩০৯৩ গৰাকী দ্বিতীয় আৰু ৭৯০ গৰাকী পৰীক্ষাৰ্থীয়ে জিলাখনৰ ভিতৰত তৃতীয় স্থান লাভ কৰিবলৈ সক্ষম হয়। ইফালে, অসমীয়া মাধ্যমৰ চৰকাৰী বিদ্যালয়ৰ ভিতৰতে পুৰণি শিক্ষানুষ্ঠান হিচাপে পৰিচিত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ৰ পৰা ১৩২ গৰাকীৰ ভিতৰত ১২৯ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ৫ গৰাকী ডিষ্টিংচন, ১৬ গৰাকী ষ্টাৰ মাৰ্কসহ ৮০ গৰাকী প্ৰথম, ২৬ গৰাকী দ্বিতীয় আৰু ২ গৰাকীয়ে তৃতীয় স্থান লাভ কৰে। বেজবৰুৱা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১১৮ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৯৭ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ২৩ গৰাকী প্ৰথম, ৭০ গৰাকী দ্বিতীয় আৰু ৪ গৰাকীয়ে তৃতীয় স্থান লাভ কৰে। থানুৰাম গগৈ সোঁৱৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ৯০ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮৮ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ৬ গৰাকী ডিষ্টিংচন, ১১ গৰাকীয়ে ষ্টাৰ মাৰ্ক সহ ৪৪ গৰাকী প্ৰথম, ৪৩ গৰাকী দ্বিতীয় আৰু এগৰাকীয়ে তৃতীয় স্থান লাভ কৰে। ফুলেশ্বৰী উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা ১১৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৮ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ৪৫ গৰাকী প্ৰথম, ৭১ গৰাকী দ্বিতীয় আৰু দুগৰাকীয়ে তৃতীয় স্থান লাভ কৰে। কৰ্মযোগী ভুৱন চন্দ্ৰ গগৈ মেম'ৰিয়েল অসম পলিটেকনিক ইন্সটিটিউটৰ পৰা ২২ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত এগৰাকীয়ে ষ্টাৰ মাৰ্কসহ ১৫ গৰাকী প্ৰথম আৰু ৭ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। শিৱসাগৰ হাইস্কুলৰ পৰা ২৭ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত এগৰাকী প্ৰথম আৰু ১০ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। শিৱসাগৰৰ আদৰ্শ শিক্ষা ভৱনৰ পৰা ২২ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৬ গৰাকী ডিষ্টিংচন, এগৰাকীয়ে ষ্টাৰ মাৰ্কসহ ৯ গৰাকী প্ৰথম, ৬ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। শিৱসাগৰ জাতীয় বিদ্যালয়ৰ পৰা মুঠ ২১ গৰাকীৰ ভিতৰত ১৯ গৰাকী উত্তীৰ্ণ হয়। ৪ গৰাকী ডিষ্টিংচন, ৫ গৰাকী ষ্টাৰ মাৰ্কসহ ১০ গৰাকী প্ৰথম আৰু ২ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। ৰংপুৰ বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ৩২ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১ গৰাকী ষ্টাৰ মাৰ্কসহ ২ গৰাকী প্ৰথম, ৭ গৰাকী দ্বিতীয় আৰু ৫ গৰাকীয়ে তৃতীয় স্থান লাভ কৰে। শাস্ত্ৰীজী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ২১ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৩ গৰাকী প্ৰথম, ৯ গৰাকী দ্বিতীয় আৰু ৬ গৰাকীয়ে তৃতীয় স্থান লাভ কৰে। শংকৰদেৱ শিশু বিদ্যা নিকেতনৰ পৰা ৪৩ গৰাকী মুঠ পৰীক্ষাৰ্থীৰ ভিতৰত ৩৯ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ৫ গৰাকী ডিষ্টিংচন, ৫ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ১৮ গৰাকী প্ৰথম আৰু ১১ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। দিচাং শুকান পুখুৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মুঠ ৩৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত দুগৰাকী ডিষ্টিংচন, ১৮ গৰাকী ষ্টাৰ মাৰ্কসহ ৩৫ গৰাকীয়েই প্ৰথম স্থানত উত্তীৰ্ণ হয়। বেতবাৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা এগৰাকী ডিষ্টিংচন, এগৰাকী ষ্টাৰ মাৰ্কসহ ১০ গৰাকী প্ৰথম, ১৭ গৰাকী দ্বিতীয় আৰু ৩ গৰাকীয়ে তৃতীয় স্থান লাভ কৰে। বিদ্যাভৱন ডিমুৱালৰ পৰা ৪৬ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৬ গৰাকী ডিষ্টিংচন, ৮ গৰাকী ষ্টাৰ মাৰ্কসহ ৪০ গৰাকী প্ৰথম আৰু ৬ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। হাঁহচৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ২৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৫ গৰাকীয়ে ষ্টাৰ মাৰ্কসহ ১৩ গৰাকীয়ে প্ৰথম স্থান লাভ কৰে। হাতীখোক মাদ্ৰাছাতুল বানাতৰ পৰা ৩৯ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১৯ গৰাকী প্ৰথম আৰু ১৯ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। ইংৰাজী মাধ্যমৰ হলী নেম ইংলিছ স্কুলৰ পৰা মুঠ ১২৫ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ১২৩ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে ৬৫ গৰাকী প্ৰথম, ২০ গৰাকীয়ে দ্বিতীয় স্থান লাভ কৰে। সুন্দৰমল মডাৰ্ণ স্কুলৰ পৰা অৱতীৰ্ণ হোৱা ৬০ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৬০ গৰাকীয়েই প্ৰথম স্থান লাভ কৰে। ইয়াৰ ভিতৰত ৩ গৰাকী ডিষ্টিংচন আৰু ২৪ গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰে। শিৱসাগৰৰ টি আৰ বি ছিনিয়ৰ ছেকেণ্ডেৰী স্কুলৰ পৰা ৪২ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৪২ গৰাকীয়েই প্ৰথম স্হান লাভ কৰে। ইয়াৰে ৭ গৰাকী ডিষ্টিংচন আৰু ২১ গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰে। ইফালে নিউ লুক একাডেমীত এশ শতাংশ উত্তীৰ্ণ হোৱাৰ লগতে ১৯ গৰাকী ডিষ্টিংচন, ১৫ গৰাকী ষ্টাৰ আৰু ৮ গৰাকীয়ে লেটাৰ মাৰ্কসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। বিদ্যালয়ৰ জোনাক জিলমিল বৰুৱাই ভূগোল, অনচিত শইকীয়া, অভিজ্ঞান দিহিঙীয়া, অনুৰাগ বৰুৱাই ঐচ্ছিক গণিতত ৰাজ্যখনৰ ভিতৰতে উচ্চ নম্বৰ লাভ কৰি গৌৰৱ কঢ়িয়াই আনিলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অসম জাতীয় বিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই

পৰীক্ষাত উজলি উঠিল অসম জাতীয় বিদ্যালয়। অসমৰ মাতৃভাষাৰ অন্যতম শিক্ষানুষ্ঠান অসম জাতীয় বিদ্যালয়ে আজি ঘোষিত ফলাফল অনুসৰি এইবেলি পৰীক্ষাত বহা সকলো পৰীক্ষাৰ্থীয়েই সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। লগতে এজন পৰীক্ষাৰ্থীয়ে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ৰ সপ্তৰ্ষ্ব বৰদলৈয়ে দ্বিতীয় স্থান লাভ কৰিছে। দ্বিতীয় স্থান লাভ কৰা সপ্তৰ্ষ্ব বৰদলৈয়ে আটাইকেইটা বিষয়ত লেটাৰ নম্বৰসহ মুঠ ৫৯০ নম্বৰ লাভ কৰিছে। সপ্তৰ্ষ্ব বৰদলৈয়ে অসমীয়াত ১০০, ইংৰাজীত ৯৫, সাধাৰণ গণিতত ১০০, সাধাৰণ বিজ্ঞানত ৯৮, সমাজ বিজ্ঞানত ৯৭, ঐচ্ছিক গণিতত ১০০ নম্বৰ লাভ কৰিছে। তেওঁ মুঠ ৫৯০ নম্বৰ লাভ কৰি দ্বিতীয় স্থান লাভ কৰিছে। মহানগৰীৰ মঠঘৰীয়াৰ অমৰজ্যোতি বৰদলৈ আৰু মমিতা শইকীয়া বৰদলৈৰ পুত্ৰ সপ্তৰ্ষ্বৰ ফলাফলত মঠঘৰীয়াবাসী, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰীসকল উৎফুল্লিত হয়। আজি ফলাফল লাভৰ পিছতে সপ্তৰ্ষ্ব বৰদলৈয়ে নুনমাটিস্থিত জাতীয় বিদ্যালয়ত উপস্থিত হোৱাত ছাত্ৰ আৰু শিক্ষকসকলে আদৰণি জনায়। ফলাফলত আনন্দ প্ৰকাশ কৰি অসম জাতীয় বিদ্যালয়ক ধন্যবাদ জ্ঞাপন কৰিছে সপ্তৰ্ষ্ব বৰদলৈয়ে। তেওঁ দৈনিক ১০ ৰ পৰা ১২ ঘণ্টা অধ্যয়ন কৰা বুলি উল্লেখ কৰি কয় যে ভৱিষ্যতে এগৰাকী সু-নাগৰিক হ'ব আৰু এজন সু-চিকিৎসক হ'ব খোজো। সপ্তৰ্ষ্ব বৰদলৈয়ে আৰু কয় যে তবলা বজাই, কাৰাটে খেলি ভাল পাওঁ। মোৰ ফলাফল পিতৃ-মাতৃ, ভাতৃ আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ কৃতিত্ব। তেওঁলোক অবিহনে সম্ভৱ নহ'লহেঁতেন। জানিব পৰা মতে, অসম জাতীয় বিদ্যালয়খনৰ পৰা পৰীক্ষাত বহা ১৩৮ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত ৩৯ গৰাকীয়ে ডিষ্টিংচন, ৪৯ গৰাকীয়ে ষ্টাৰ, ১৩৩ গৰাকীয়ে প্ৰথম বিভাগ আৰু ৪ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। ইংৰাজী বিষয়ত ৮০ গৰাকী, অসমীয়া বিষয়ত ৭৭ গৰাকী, বিজ্ঞান বিষয়ত ৬৫ গৰাকী, সমাজ বিজ্ঞানত ৭৮ গৰাকী আৰু গণিত বিষয়ত ৫২ গৰাকী শিক্ষাৰ্থীয়ে লেটাৰ নম্বৰ লাভ কৰে। ঐচ্ছিক বিষয়বোৰৰ ভিতৰত উচ্চ গণিত বিষয়ত ৪৩ গৰাকীৰ ভিতৰত ৩৭ গৰাকী, কম্পিউটাৰ বিজ্ঞানত ৩৭গৰাকীৰ ভিতৰত ১৮ গৰাকী, ভূগোলত ১০ গৰাকীৰ ভিতৰত ৭ গৰাকী, সংগীতত ৭ গৰাকীৰ ভিতৰত ৭ গৰাকী, নৃত্যত ১৩ গৰাকীৰ ভিতৰত ১৩ গৰাকী, সুকুমাৰ কলা বিষয়ত ১২ গৰাকীৰ ভিতৰত ৬ গৰাকী, হিন্দী বিষয়ত ৯ গৰাকীৰ ভিতৰত ৮ গৰাকী আৰু ইতিহাস বিষয়ত ৭ গৰাকীৰ ভিতৰত ৩ গৰাকীয়ে লেটাৰ নম্বৰ লাভ কৰে। উচ্চ গণিত বিষয়ত ১৫ গৰাকী, অসমীয়া বিষয়ত ৩ গৰাকী, সাধাৰণ গণিত বিষয়ত এগৰাকী আৰু সত্ৰীয়া নৃত্যত এগৰাকী, মুঠ ২০ শিক্ষাৰ্থীয়ে সৰ্বোচ্চ নম্বৰ লাভ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অধিবক্তাক ৬ মাহৰ কাৰাদণ্ড উচ্চ

ৰায়ত দৃষ্টান্তমূলক শাস্তি লাভ কৰে অভিযুক্ত অধিবক্তা অশোক পাণ্ডেই। আদালত অৱমাননাৰ অভিযোগত আজি ছমাহৰ কাৰাদণ্ড আৰু ২০০০ টকা জৰিমনা বিহা হয় হয় অধিবক্তাজনক। উল্লেখ্য যে ২০২১ চনত এক শুনানিৰ সময়ত অধিবক্তাৰ পোছাক পিন্ধি অহা নাছিল অশোক পাণ্ডেই। অভিযোগ অনুসৰি সেই সময়ত তেওঁৰ ছাৰ্টৰ একাধিক বুটামো খোলা আছিল আৰু ন্যায়াধীশক 'গুণ্ডা' বুলি অভিহিত কৰিছিল। ইয়াৰ পিছতে অধিবক্তাজনৰ বিৰুদ্ধে গোচৰ ৰুজু কৰি তদন্ত আৰম্ভ কৰা হয়। আজি এই গোচৰৰ ৰায়দান কৰি এলাহাবাদ উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ বিবেক চৌধুৰী আৰু বি আৰ সিঙৰ বিভাগীয় বিচাৰপীঠে কয় যে "অশোক পাণ্ডেৰ এই আচৰণ আদালতৰ সন্মান আৰু অনুশাসনৰ বিৰুদ্ধে। এনে কাণ্ডই ন্যায়পালিকাৰ ভেটিত আঘাত হানিছে।" সেইবাবেই আদালতে শাস্তিৰ কোনো ৰেহাই নোহোৱাকৈ কাৰাদণ্ডৰ উপৰি আৰ্থিক জৰিমনা বিহাৰ নিৰ্দেশ দিয়ে। জৰিমনা আদায় নিদিয়াৰ ক্ষেত্ৰত অতিৰিক্ত এমাহৰ কাৰাদণ্ডৰো নিৰ্দেশ দিয়া হৈছে। কেৱল সেয়াই নহয়, লক্ষ্ণৌৰ মুখ্য ন্যায়িক দণ্ডাধীশ (চিজেএম)ৰ আগত আত্মসমৰ্পণৰ বাবে অশোক পাণ্ডেক হাজিৰ হ'বলৈ চাৰি সপ্তাহৰ সময়সীমা নিৰ্ধাৰণ কৰিছে আদালতে। ইয়াৰ উপৰি তেওঁক এলাহাবাদ উচ্চ ন্যায়ালয় আৰু লক্ষ্ণৌ বিচাৰপীঠত অধিবক্তা হিচাপে কাম কৰাৰ পৰা কিয় বাধা দিব নালাগে ১ মে'ৰ ভিতৰত কাৰণ দৰ্শোৱাৰ জাননীৰ উত্তৰ দিবলৈ কোৱা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# সৰ্বাধিক নম্বৰ লাভেৰে শীৰ্ষস্থান দখল

ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলক। আজি ঘোষিত হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰ দুগৰাকী শিক্ষাৰ্থীয়ে অসমৰ ভিতৰতে প্ৰথম আৰু তৃতীয় স্থান লাভ কৰি বিদ্যালয়খনৰ লগতে গৌৰৱ কঢ়িয়াই আনে সমগ্ৰ যোৰহাটলৈ। বিদ্যালয়খনৰ ছাত্ৰী আমিশী শইকীয়াই ৬০০ নম্বৰৰ ভিতৰত মুঠ ৫৯১ নম্বৰ লাভ কৰি ৰাজ্যৰ ভিতৰতে প্ৰথম স্থান লাভ কৰে। একে সময়তে প্ৰজ্ঞা একাডেমীৰ আন এগৰাকী ছাত্ৰ অনিৰ্বাণ বৰগোঁহাইয়ে ৫৮৯ নম্বৰ লাভেৰে দখল কৰে ৰাজ্যৰ ভিতৰতে তৃতীয় স্থান। উল্লেখ্য যে, চিকিৎসক ডাঃ মানস জ্যোতি শইকীয়া আৰু ডাঃ ৰিতু শইকীয়াৰ কন্যা আমিশীয়ে অসমীয়া আৰু সাধাৰণ গণিতত সম্পূৰ্ণ ১০০ নম্বৰ লাভ কৰাৰ বিপৰীতে উচ্চ গণিতত ৯৯, সমাজ বিজ্ঞানত ৯৮, সাধাৰণ বিজ্ঞান আৰু ইংৰাজীত ৯৭ নম্বৰ লাভ কৰে। আনহাতে, ডাঃ অমৰজিৎ বৰগোহাঁই আৰু ৰসিকা বৰগোহাঁইৰ পুত্ৰ অনিৰ্বাণ বৰগোহাঁইয়ে সাধাৰণ গণিত আৰু উচ্চ গণিতত সম্পূৰ্ণ ১০০ নম্বৰ লাভ কৰাৰ বিপৰীতে অসমীয়াত ৯৯, সমাজ বিজ্ঞানত ৯৮, ইংৰাজীত ৯৭ আৰু সাধাৰণ বিজ্ঞানত লাভ কৰে ৯৫ নম্বৰ। ইফালে, এই সাফল্যৰ পিছত সাংবাদিকৰ সন্মুখত ভৱিষ্যতৰ পৰিকল্পনা সন্দৰ্ভত অনিৰ্বাণ বৰগোহাঁইয়ে পিতৃৰ দৰে এগৰাকী চিকিৎসক হোৱাৰ ইচ্ছা ব্যক্ত কৰে। একে সময়তে মেধাৱী ছাত্ৰজনে কয় যে মানুহ কেতিয়াও সম্পূৰ্ণৰূপে প্ৰযুক্তিৰ ওপৰত নিৰ্ভৰশীল হ'ব নালাগে। অধ্যয়নৰ সমান্তৰালভাৱে গীটাৰ বজাই আৰু বিভিন্ন সাংস্কৃতিক ক্ষেত্ৰৰ সৈতে জড়িত হৈ ভাল পোৱা অনিৰ্বাণে কয় যে তেওঁৰ লগতে পিতৃ-মাতৃও সামাজিক মাধ্যমৰ পৰা আঁতৰি থাকি ভাল পায়। অন্যহাতে অসমৰ ভিতৰতে শীৰ্ষস্থান দখল কৰা আমিশী শইকীয়াই ভৱিষ্যতে এগৰাকী ভাল মানুহ হোৱাৰ ইচ্ছা ব্যক্ত কৰি তেওঁৰ এই সাফল্যৰ বাবে প্ৰজ্ঞা একাডেমীৰ শিক্ষক-কৰ্মচাৰীক কৃতিত্ব প্ৰদান কৰে। ইফালে, পুনৰ ধাৰা অক্ষুণ্ণ ৰাখি দুগৰাকীকৈ শিক্ষাৰ্থীৰ অভূতপূৰ্ব সাফল্যৰ পিছত প্ৰজ্ঞা একাডেমী ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ অধ্যক্ষই এই সাফল্যৰ বাবে ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু অভিভাৱকসকলক ধন্যবাদ জনায়। মন কৰিবলগীয়া যে, আজি ঘোষিত হোৱা ফলাফলৰ পিছতে আতচবাজী ফুটাই বিদ্যালয়খনত আনন্দোৎসৱ পালন কৰা দেখা যায় ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰু সকলক। যোৰহাটে পূৰ্বৰ ধাৰা এনেদৰেই অক্ষুণ্ণ ৰাখিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিবাদথলীৰ পৰা আটক কানহাইয়া

কৰিছিল। আজি পদযাত্ৰা পাটনা পোৱাৰ লগে লগে আৰক্ষীয়ে মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ বাসগৃহ ঘেৰাও কৰিবলৈ চেষ্টা কৰাৰ সময়ত তেওঁক আৰু আন ৩০ জন কংগ্ৰেছ কৰ্মীক গ্ৰেপ্তাৰ কৰে। গ্ৰেপ্তাৰৰ সময়ত ৰাজপুৰ ব্ৰীজ অঞ্চলত আৰক্ষী আৰু কংগ্ৰেছ কৰ্মীৰ মাজত ভয়ংকৰ সংঘাত সংঘটিত হয়। সেই সময়ত আৰক্ষীয়ে প্ৰতিবাদী কংংগ্ৰেছ কৰ্মীৰ ওপৰত জল কামান নিক্ষেপ কৰে। প্ৰতিবাদৰ সময়ত কানহাইয়াৰ সৈতে আছিল যুৱ কংগ্ৰেছৰ সৰ্বভাৰতীয় সভাপতি উদয়াবন আৰু বিহাৰ প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৰিব দাসকে ধৰি দলৰ শীৰ্ষ নেতাসকল। আৰক্ষীয়ে আটাইকেইজনকে আটক কৰে। কানহাইয়া কুমাৰে অভিযোগ কৰি কয়, "আমি লাঠী বা পানীৰ কামান নিবিচাৰো, আমাৰ নললৈ পানী বৈ যোৱাটো বিচাৰো। বিহাৰৰ পানী যোগান প্ৰকল্পটোৱে প্ৰকৃততে কাম কৰিব লাগে। যিহেতু চৰকাৰে নলৰ পানী দিব নোৱাৰে, গতিকে যুৱক-যুৱতীসকলৰ ওপৰত পানীৰ বোমা নিক্ষেপ কৰিছে।" উল্লেখ্য যে কানহাইয়া কুমাৰে বিগত ২৬ দিন ধৰি বিহাৰৰ একাধিক জিলা ভ্ৰমণ কৰি এই যাত্ৰা অব্যাহত ৰাখিছে। ইয়াৰ পূৰ্বে লোকসভাৰ বিৰোধী দলৰ নেতা ৰাহুল গান্ধীয়েও এই পদযাত্ৰাত অংশ লৈছিল। আজি এই কাৰ্যসূচীয়ে পাটনা পোৱাৰ লগে লগে মুখ্যমন্ত্ৰীৰ বাসগৃহৰ ফালে আগবাঢ়ি যোৱাত লগে লগে আৰক্ষীয়ে পদযাত্ৰাত বাধা প্ৰদান কৰে। ৰাজপুৰ ব্ৰীজত তেওঁলোকক ৰখাই আৰক্ষীয়ে পানীৰ কামান ব্যৱহাৰ কৰি ছত্ৰভংগ দিয়াবলৈ চেষ্টা কৰে। উল্লেখ্য যে কংগ্ৰেছ নেতা শচীন পাইলটেও এই যাত্ৰাত কানহাইয়াৰ কাষত থিয় দিছে। তেওঁ অভিযোগ কৰি কয় যে আমি এই শ্লোগানৰ জৰিয়তে চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰো, 'প্ৰব্ৰজন বন্ধ কৰক, চাকৰি দিয়ক।' কেন্দ্ৰ আৰু ৰাজ্য দুয়োখন চৰকাৰে যুৱক-যুৱতীসকলক অৱহেলা কৰিছে। তেওঁ আৰু কয় যে কংগ্ৰেছ দল যুৱক-যুৱতীসকলৰ কাষত থিয় দিছে আৰু এই যাত্ৰা তেওঁলোকৰ আস্থা ঘূৰাই অনাৰ প্ৰয়াস। মন কৰিবলগীয়া যে চলিত বৰ্ষৰ নৱেম্বৰ বা ডিচেম্বৰ মাহত বিহাৰৰ বিধানসভা নিৰ্বাচন অনুষ্ঠিত হোৱাৰ সম্ভাৱনা আছে। সেই উদ্দেশ্যে কেইবাজনো কংগ্ৰেছ নেতাই যুৱক-যুৱতীসকলক তেওঁলোকৰ প্ৰতি আকৰ্ষিত কৰিবলৈ ইতিমধ্যে কুচকাৱাজ আৰম্ভ কৰিছে। ৰাজনৈতিক বিশ্লেষকসকলৰ মতে কানহাইয়াৰ এই যাত্ৰা নিৰ্বাচনৰ প্ৰস্তুতিৰ স্পষ্ট ইংগিত।

প্ৰথম পৃষ্ঠাৰ পৰা...

# হেলিকপ্টাৰ দুৰ্ঘটনাত নিঃশেষ এটা

নদীৰ বুকুত এখন হেলিকপ্টাৰ সৰি পৰি কৰুণ মৃত্যুক সাবটিবলগীয়া হ'ল এটা স্পেনিছ পৰিয়ালসহ ৬ জন লোকে। মঙলবাৰে পুৱা নিউয়ৰ্ক চহৰৰ ডাউনটাউন হেলিপ'র্টৰ পৰা উৰা মাৰিছিল এখন বেল-২০৬ হেলিকপ্টাৰ। উৰণৰ মাত্ৰ ১৮ মিনিটৰ পিছতে হাডছন নদীৰ বুকুত সজোৰে ভাগি পৰে হেলিকপ্টাৰখন। নিউয়ৰ্ক আৰক্ষীয়ে জনোৱা মতে, এই ভয়ংকৰ দুৰ্ঘটনাত নিঃশেষ হৈ যায় এটা স্পেনিছ পৰিয়ালৰ ৫ সদস্য। লগতে মৃত্যু ঘটে পাইলটৰো। দুৰ্ঘটনাটোত মৃত্যু ঘটে জাৰ্মান কোম্পানী ছিমেনছৰ কাৰ্যবাহী অগাষ্টিন এস্কোবাৰ, তেওঁৰ পত্নী আৰু তেওঁলোকৰ ১১, ৫ আৰু ৪ বছৰীয়া তিনি সন্তানৰ। হেলিকপ্টাৰখনত থকা পাইলটজনেও প্ৰাণ হেৰুৱায়। প্ৰত্যক্ষদৰ্শীৰ মতে, আকাশত এক ভয়ংকৰ বিস্ফোৰণৰ পিছতে  নদীৰ বুকুত আচাৰ খাই পৰিছিল হেলিকপ্টাৰখন। ইফালে দুৰ্ঘটনাৰ পিছত স্থানীয় উদ্ধাৰকাৰী দলে ক্ষিপ্ৰতাৰে উদ্ধাৰ অভিযান আৰম্ভ কৰে যদিও তেতিয়ালৈকে মৃত্যু ঘটে আটাই কেইজনৰ। প্ৰশাসনৰ মতে, হেলিকপ্টাৰখন এখন চাৰ্টাৰ্ড হেলিকপ্টাৰ আছিল। ইতিমধ্যে ফেডাৰেল এভিয়েশ্যন এডমিনিষ্ট্ৰেচন আৰু ৰাষ্ট্ৰীয় পৰিবহণ সুৰক্ষা ব'ৰ্ডে যৌথ তদন্ত আৰম্ভ কৰিছে। প্ৰাৰম্ভিক তদন্ত অনুসৰি, আকাশমাৰ্গত ইঞ্জিনৰ বিজুতিৰ বাবেই সংঘটিত হয় এই ভয়ংকৰ দুৰ্ঘটনা।

প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছৰ জিলা সভাপতিক আক্ৰমণ!

ব্যস্ত হৈ পৰিছে। দলে টিকট দিয়া প্ৰাৰ্থীসকলে নিজ নিজ সমৰ্থকক লগত লৈ মনোনয়ন দাখিল কৰি গৈছে। তাৰ মাজতে বিৰোধীৰ একাংশ প্ৰাৰ্থীক শাসকীয় বিজেপি দলে ভয়-ভাবুকি দিয়াৰ অভিযোগৰ মাজতে আজি শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতিক আক্ৰমণৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। কংগ্ৰেছৰ শোণিতপুৰ জিলাৰ সভাপতি দাদুল বৰকটকীক আক্ৰমণ কৰাৰ অভিযোগ উঠিছে। জামুগুৰিহাট উন্নয়ন খণ্ড কাৰ্যালয়ত শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতি বৰকটকীক একাংশ গুণ্ডাই শাৰীৰিকভাৱে অপদস্থ কৰিছিল। তাৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। এই ঘটনা পোহৰলৈ অহাৰ পিছতে অসম প্ৰদেশ কংগ্ৰেছে ভাৰতীয় জনতা পাৰ্টীৰ সমৰ্থক একাংশ গুণ্ডা প্ৰকৃতিৰ লোকে পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি পৰ্বতে কংগ্ৰেছ প্ৰাৰ্থীসকলৰ ওপৰত ব্যাপক আতিশয্য চলাইছে বুলি গুৰুতৰ অভিযোগ উত্থাপন কৰিছে। আজি অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ সভাপতি ভূপেন বৰাই এক বিবৃতিত কয় যে শোণিতপুৰ আৰু বিশ্বনাথ জিলাত বহু প্ৰাৰ্থীক মনোনয়ন-পত্ৰ দিয়াত বাধা দিছে বিজেপিৰ গুণ্ডা প্ৰকৃতিৰ লোকসকলে। শোণিতপুৰ জিলা আয়ুক্তৰ লগতে নদুৱাৰ সমজিলাৰ আয়ুক্তৰ ওচৰত অভিযোগ দিয়াৰ পিছতো কংগ্ৰেছৰ প্ৰাৰ্থীসকলে গুণ্ডাবাহিনীৰ কাৰণে মনোনয়ন-পত্ৰ দাখিল কৰিব নোৱাৰিলে। জামুগুৰিহাট উন্নয়ন খণ্ডৰ কাৰ্যালয়ত শোণিতপুৰ জিলা কংগ্ৰেছৰ সভাপতি দাদুল বৰকটকীক একাংশ গুণ্ডাই শাৰীৰিকভাৱে অপদস্থ কৰাৰ লগতে এক হুলস্থুলীয়া পৰিস্থিতিৰ সৃষ্টি কৰে। গুণ্ডাবাহিনীয়ে শোণিতপুৰ জিলা মহিলা কংগ্ৰেছৰ সভাপতি সম্পূৰ্ণা শইকীয়া আৰু আন দুগৰাকী কংগ্ৰেছ কৰ্মীকো শাৰীৰিক আৰু মানসিক নিৰ্যাতন চলায়। এই অগণতান্ত্ৰিক কাৰ্যৰ বিৰুদ্ধে গণতান্ত্ৰিক আন্দোলন গঢ়ি তোলা হ'ব বুলি  কয় যে বিজেপি সংবিধান আৰু গণতন্ত্ৰৰ ওপৰত বিশ্বাসী নহয়। সেইবাবে তেওঁলোকে জোৰ যাৰ মুলুক তাৰ নীতি গ্ৰহণ কৰি আহিছে। গণতন্ত্ৰত যে ৰাইজেই ৰজা সেই কথা এইবাৰৰ পঞ্চায়ত নিৰ্বাচনে বিজেপিক সোঁৰৰাই দিব বুলি উল্লেখ কৰি বৰাই কয় যে বিজেপিৰ গুণ্ডাবাহিনীলৈ কংগ্ৰেছে ভয় নকৰে। ব্ৰিটিছৰ গুলী খাই দেশ স্বাধীন কৰা কংগ্ৰেছীয়ে পঞ্চায়তত ৰাইজৰ জয় হোৱাটো বিচাৰে। তাৰবাবে সন্মুখৰ পৰা যুঁজ দিবলৈ সাজু হৈ আছে। বৰাই কংগ্ৰেছ কৰ্মীৰ ওপৰত হোৱা নিৰ্যাতনৰ বিষয়টো মুখ্য নিৰ্বাচন আয়ুক্তৰ দৃষ্টিগোচৰ কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিৰ তাৰকা প্ৰচাৰকৰ তালিকাত

নিৰ্বাচনৰ বাবে ৪০ জনীয়া তাৰকা প্ৰচাৰক নেতাৰ তালিকা ঘোষণা কৰিছে। তালিকাখনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ পৰা আৰম্ভ কৰি কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ নাম আছে। ৰাজ্যৰ মন্ত্ৰী আৰু সাংসদৰ নামত অন্তৰ্ভুক্ত কৰিছে। তাৰকা প্ৰচাৰকে ৰাজ্যজুৰি দলটোৰ নিৰ্বাচনী প্ৰচাৰৰ নেতৃত্ব দিব। নাম থকা মুখ্য ব্যক্তিসকলৰ ভিতৰত আছে ড০ হিমন্ত বিশ্ব শৰ্মা, সৰ্বানন্দ সোণোৱাল, ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, মন্ত্ৰী ৰণজিৎ কুমাৰ দাস। ৪০ জনীয়া তাৰকা প্ৰচাৰকসকল হ'ল ড০ হিমন্ত বিশ্ব শৰ্মা, দিলীপ শইকীয়া, সৰ্বানন্দ সোণোৱাল, কামাখ্যা প্ৰসাদ তাছা, হৰিশ দ্বিবেদী, পবিত্ৰ মাৰ্ঘেৰিটা, ৰণজিৎ দাস, ৰঞ্জিত দত্ত, ড০ ৰাজদীপ ৰয়, ৰামেশ্বৰ তেলী, পীযুষ হাজৰিকা, জয়ন্তমল্ল বৰুৱা, বিমল বৰা, অজন্তা নেওগ, ডাঃ ৰণোজ পেগু, যোগেন মোহন, চন্দ্ৰমোহন পাটোৱাৰী, ৰূপেশ গোৱালা, অশোক সিংহল, নন্দিতা গাৰ্লোচা, কৌশিক ৰায়, কৃষ্ণেন্দু পল, প্ৰশান্ত ফুকন, কৃপানাথ মাল্লা, ভুবনেশ্বৰ কলিতা, পৰিমল শুক্লবৈদ্য, মিছন ৰঞ্জন দাস, প্ৰদান বৰুৱা, বিজুলী কলিতা মেধি, তুলিৰাম ৰংহাং, ডাঃ নোমল মমিন, তপন গগৈ, পল্লৱলোচন দাস, পুলক গোহাঁই, দিপ্লু ৰঞ্জন শৰ্মা, অশ্বিনী ৰায় সৰকাৰ, দুলেন নায়ক, শান্তিয়াজ কুজুৰ, বনেন্দ্ৰ মুছাহাৰী আৰু কিশোৰ উপাধ্যায়।

২৫ শতাংশহে উত্তীৰ্ণ গুৱাহাটীৰ ৫ বিদ্যালয়ক জাননী

# মেট্ৰিকৰ ফলাফলে কৰিছে নিৰাশ

**ই-সংবাদ, ১১ এপ্ৰিলঃ** আভিজাত্যৰ ভেমত উটি-ভাহি যোৱা গুৱাহাটী মহানগৰীত আকৌ এবাৰ চৰকাৰী বিদ্যালয়ৰ মেট্ৰিকৰ ফলাফলে নিৰাশ কৰিছে। আজি ঘোষিত মেট্ৰিকৰ ফলাফলত গুৱাহাটী মহানগৰীৰ কেইবাখনো বিদ্যালয়ৰ ফলাফল একেবাৰে নিম্নগামী হৈছে। কামৰূপ মহানগৰ জিলাৰ কেইবাখনো বিদ্যালয়ৰ ফলাফল একেবাৰে দুৰ্বল হোৱাত প্ৰতিক্ৰিয়া সৃষ্টি হোৱাত শিক্ষা বিভাগে শেষাংশ ৮ পৃষ্ঠাত



দীৰ্ঘদিনৰ মূৰকত বশিষ্ঠৰ বিজেপিৰ কাৰ্যালয়ত সৰ্বানন্দ সোণোৱাল, ফটোঃ ই-সংবাদ, গুৱাহাটী

# ৰঙালী বিহুৰ প্ৰাকক্ষণত মঙলদৈত চালানী গামোচাৰ ব্যাপক পয়োভৰ

**ই-সংবাদ বিশেষ, মঙলদৈ, ১১ এপ্ৰিলঃ** অসমীয়াৰ বাপতি সাহোন হেপাঁহৰ ৰঙালী বিহুত শিপিনীয়ে তাঁত শালত বৈ দিয়া গামোচা ডিঙিত লৈ অসমীয়াই গৌৰৱ অনুভৱ কৰে। কিন্তু থলুৱা শিপিনীৰ গামোচাক প্ৰত্যাহ্বান জনাই বজাৰত উভৈনদী হৈ পৰিছে শেষাংশ ৭ পৃষ্ঠাত

# ‘৮-১০ জন যুৱকে আত্মবলিদান দিয়ক’ কংগ্ৰেছ নেতা কবীৰ খানৰ বিতৰ্কিত মন্তব্য

**দাভানগেৰ, ১১ এপ্ৰিলঃ** ৱাকফ আইনৰ বিৰুদ্ধে দেশজুৰি প্ৰতিবাদৰ আহ্বান জনাই প্ৰত্যক্ষভাৱে হিংসাত্মক পৰিস্থিতিৰ সৃষ্টি কৰাৰ বাবে উচটনি প্ৰদান কৰিলে কৰ্ণাটক কংগ্ৰেছৰ নেতা তথা দাভাংগেৰেৰ প্ৰাক্তন পৌৰসভাৰ কাউন্সিলাৰ কবীৰ খানে। ছ’চিয়েল মিডিয়াত ভাইৰেল হোৱা এটা ভিডিও’ বাৰ্তাত কবীৰে আহ্বান জনাই কয়, “প্ৰতিখন শেষাংশ ৭ পৃষ্ঠাত

# শ্বহীদ খগেশ্বৰ তালুকদাৰৰ ভাতৃক টিকট নিদিলে অগপ দলে

অসম আন্দোলনৰ প্ৰথম শ্বহীদৰ পৰিয়ালক উপেক্ষা অগপৰ

**ই-সংবাদ, ১১ এপ্ৰিলঃ** অসম আন্দোলনৰ প্ৰথম শ্বহীদ খৰ্গেশ্বৰ তালুকদাৰৰ ভাতৃ চন্দ্ৰকান্ত তালুকদাৰক এইবাৰৰ জিলা পৰিষদৰ নিৰ্বাচনত প্ৰাৰ্থী হিচাপে টিকট নিদিয়াৰ বাবে অসম গণ পৰিষদ ব্যাপক সমালোচনাৰ সন্মুখীন হৈছে। খৰ্গেশ্বৰ তালুকদাৰ ১৯৭৯ চনত বৰপেটাত অনুষ্ঠিত প্ৰতিবাদত নিহত হৈছিল আৰু তেওঁক অসম আন্দোলনৰ প্ৰথম শ্বহীদ হিচাপে স্বীকৃতি দিয়া হয়। তেওঁৰ পৰিয়ালে ৪৬ বছৰৰ পিছত প্ৰথমবাৰৰ বাবে অসম আন্দোলনৰ ফলত গঠিত হোৱা দল অগপৰ পৰা শেষাংশ ৮ পৃষ্ঠাত

# টাপাট্টাৰী জিলা পৰিষদত প্ৰাৰ্থী ঘোষণা কৰিব নোৱাৰিলে কংগ্ৰেছে

**ই-সংবাদ, অভয়াপুৰী, ১১ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনত মনোনয়ন পত্ৰ দাখিলৰ আজি অন্তিম দিনটোত এক উথপথপ পৰিবেশৰ সৃষ্টি হৈছে বঙাইগাঁও জিলাৰ অভয়াপুৰী আৰু সৃজনগ্ৰাম সমষ্টিত । ইতিমধ্যে এআইইউডিএফ শেষাংশ ৭ পৃষ্ঠাত

# মেট্ৰিক ফলাফলৰ পিছত ছাত্ৰীৰ আত্মহত্যা

**ই-সংবাদ, ১১ এপ্ৰিলঃ** দক্ষিণ কামৰূপ জিলাৰ ছয়গাঁৱত এক মৰ্মান্তিক ঘটনাই অঞ্চলটোক শোকাকুল কৰি তুলিছে। হাইস্কুলৰ শিক্ষান্ত (মেট্ৰিক) পৰীক্ষাৰ ফলাফল ঘোষণা হোৱা দিনটোতে এগৰাকী কিশোৰীয়ে চৰম সিদ্ধান্ত শেষাংশ ৭ পৃষ্ঠাত

# ২৬/১১ৰ আক্ৰমণত কথমপি প্ৰাণ ৰক্ষা হিমন্ত বিশ্ব শৰ্মাৰ

**ই-সংবাদ, ১১ এপ্ৰিলঃ** অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই ২০০৮ চনৰ ২৬/১১ মুম্বাইৰ সন্ত্ৰাসবাদী আক্ৰমণৰ স্মৃতি ৰোমন্থন কৰি এক শিহৰণকাৰী অভিজ্ঞতা শ্বেয়াৰ কৰিছে। তেওঁ প্ৰকাশ কৰে যে, সেই সময়ত তেওঁ মুম্বাইত উপস্থিত শেষাংশ ৮ পৃষ্ঠাত

# দিল্লীত পৰাজয়ৰ পাছত আপ অসমত খহনীয়া

**ই-সংবাদ, ১১ এপ্ৰিলঃ** আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতি মোক্ষম আঘাত অব্যাহত আছে। ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰৰ পিছতে এইবাৰ কাৰ্যকৰী সভাপতি ঋষিৰাজ কৌণ্ডিন্যই দল ত্যাগৰ ঘোষণা কৰিছে। পঞ্চায়ত শেষাংশ ৮ পৃষ্ঠাত

# ডিজিটেল ডাটা প্ৰটেকচন এক্টক লৈ মোডী চৰকাৰ বনাম ‘ইণ্ডিয়া’

**ই-সংবাদ, ১১ এপ্ৰিলঃ** ৱাকফ বিলৰ পিছতে ডিজিটেল পাৰ্চনেল ডাটা প্ৰটেকচন এক্ট লৈ কেন্দ্ৰীয় চৰকাৰ আৰু ইণ্ডিয়া জোঁটৰ মাজত নতুন বিতৰ্ক আৰম্ভ হৈছে। বৃহস্পতিবাৰে ইণ্ডিয়া জোঁটে অভিযোগ উত্থাপন কৰে যে ডিজিটেল ডাটা প্ৰটেকচন এক্টৰ সংশোধনী যুটীয়া সংসদীয় সমিতিক অন্ধকাৰত ৰাখি কৰা হৈছে। বিৰোধীসকলে দাবী কৰে যে এই পদক্ষেপ তথ্যৰ অধিকাৰ আইনৰ অন্যতম গুৰুত্বপূৰ্ণ নাগৰিক অধিকাৰ বিলুপ্ত কৰাৰ

## কণ্ঠৰোধৰ চেষ্টা! তথ্য জনাৰ অধিকাৰৰ ওপৰত আঘাত, প্ৰতিবাদত বিৰোধী

সমান। দিল্লীত বৃহস্পতিবাৰে ইণ্ডিয়া জোঁটৰ নেতাসকলে স্বাক্ষৰিত এখন স্মাৰক পত্ৰ চৰকাৰক প্ৰদান কৰাৰ কথা ঘোষণা কৰে। তথ্য আৰু প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱক এই বিষয়ে আবেদন জনাব শেষাংশ ৮ পৃষ্ঠাত

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# টাপাট্টাৰী জিলা পৰিষদত প্ৰাৰ্থী ঘোষণা

দলে অভয়াপুৰী আৰু সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত পাঁচটা জিলা পৰিষদ সমষ্টিত প্ৰাৰ্থিত্ব প্ৰদান কৰাত দলীয় নেতা-কৰ্মীৰ উপস্থিতিত মনোনয়ন পত্ৰ দাখিল কৰে। দলটোৰ বঙাইগাঁও জিলা সমিতিৰ সভাপতি চুৰমান আলি জানিবলৈ দিয়ামতে, সৃজনগ্ৰাম সমষ্টিৰ ৯ নং টাপাট্টাৰী জিলা পৰিষদ সমষ্টিত আব্দুল মান্নাফ, ১০ নং ৰাঙাপানী সমষ্টিত মনিৰাৰা খাতুন, ৮ নং যোগীঘোপা সমষ্টিত আৰ্জুমা খাতুন, ১১ নং কোকিলা সমষ্টিত জহিৰুল ইছলামক প্ৰাৰ্থিত্ব প্ৰদান কৰাৰ বিপৰীতে অভয়াপুৰী সমষ্টিৰ কেৱল ১২ নং মানিকপুৰ সমষ্টিত আজিজুল হকক প্ৰাৰ্থিত্ব আগবঢ়ায় । তেনেদৰে ১৫ আঞ্চলিক পঞ্চায়ত ভিতৰত দলটোৱে নসত্ৰত ছহিদুল ইছলাম, পীৰাধৰাত জাহিদুল ইছলাম, মেৰেৰচৰত হাচনিৰাৰা খাতুন, বৰজানাত মফিদুল ইছলাম, মালেগড়ত মফুজা খাতুন, কাবাইটাৰীত ৰকিয়া খাতুন, যোগীঘোপাত উম্মুল খায়েৰ মাচুৰাৰা চুলতানা, বালাপাৰাত চাইনা ইয়াছমিন, পূৱ মাজেৰ আলগাত আন্না বিবি, ৰাঙাপানীত ৰেহনা পাৰবিন আখতাৰ, আলুখুন্দাত ঝৰ্ণা পাৰবিন, আমবাৰীত ৰুমী ইয়াছমিন, কোকিলাত তাকমিনা আখতাৰ আৰু জপেয়া আঞ্চলিক পঞ্চায়তত মুফাজেল প্ৰাৰ্থিত্ব প্ৰদান কৰাত মনোনয়ন পত্ৰ দাখিল কৰে। ইপিনে কংগ্ৰেছ দলে প্ৰাৰ্থিত্ব প্ৰদানৰ ক্ষেত্ৰত কৰা বিলম্বই অস্তিত্বৰতা সৃষ্টি কৰে দলীয় কৰ্মীৰ মাজত । অন্তিম দিনটোতো কোনো কোনো জিলা পৰিষদ সমষ্টিত দলীয় প্ৰাৰ্থী বাছনি কৰিব নোৱাৰাত কংগ্ৰেছ দলৰ ভিতৰ চ'ৰাত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয় । তেনে এক সমষ্টি সৃজনগ্ৰাম বিধান সমষ্টিৰ অন্তৰ্গত টাপাট্টাৰী জিলা পৰিষদ সমষ্টিত তিনিগৰাকীকৈ প্ৰাৰ্থিত্ব প্ৰত্যাশী ক্ৰমে ড° আক্ৰাম আলি ভুট্ট, ছিৰাজুল হক প্ৰামানিক আৰু কেৰামত আলি শ্বেখে প্ৰাৰ্থিত্ব বিচাৰি আবেদন জনাইছিল যদিও অন্তিম সময়তো প্ৰাৰ্থী বাছনি কৰিব নোৱাৰাত তিনিওগৰাকীয়ে নিৰ্দলীয় হিচাবে আজি মনোনয়ন পত্ৰ দাখিল কৰে । কংগ্ৰেছ দলে অন্তিম সময়ত সৃজনগ্ৰাম বিধান সভা সমষ্টিৰ অন্তৰ্গত কোকিলা জিলা পৰিষদ সমষ্টিত ছিকগুৱ প্ৰধান, ৰাঙাপানীত ছানিৰাৰা খাতুন, যোগীঘোপাত আফচাৰা পাৰবিন, অভয়াপুৰী সমষ্টিৰ বইটামাৰীত পপী দাস, মানিকপুৰত থিৰেন ৰায়, চক্ৰভৌমত নিৰ্মালি ৰায়, বঙাইগাঁও সমষ্টিৰ বিদ্যাপুৰত ৰুকীয়া খাতুন, বঙাইগাঁৱত গীতিকা ৰায়, দোলাইগাৱত মুস্তাফ আলিয়ে দলীয় প্ৰাৰ্থী ৰূপে মনোনয়ন দাখিল কৰে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মেট্ৰিক ফলাফলৰ পিছত ছাত্ৰীৰ

লয়। জানিব পৰা মতে, ছাত্ৰীগৰাকীয়ে মেট্ৰিক পৰীক্ষাত অনুত্তীৰ্ণ হৈছিল। ফলত মানসিকভাৱে ভাঙি পৰি চৰম সিদ্ধান্তৰ লোৱা বুলি অনুমান কৰা হৈছে। ঘটনাটোৰ পিছত গোটেই অঞ্চলটো শোকস্তব্ধ হৈ পৰিছে। ছাত্ৰীগৰাকীৰ পৰিয়াল, সহপাঠী, আৰু স্থানীয় লোকসকলৰ মাজত এই ঘটনাই গভীৰ শোকৰ ছাঁ পেলাইছে। স্থানীয় বাসিন্দাসকলে এনে ঘটনা পুনৰাবৃত্তি নহ'বলৈ মানসিক স্বাস্থ্য সচেতনতা আৰু ছাত্ৰ-ছাত্ৰীসকলক সহায়ৰ হাত বাঢ়োৱাৰ ওপৰত গুৰুত্ব দিবলৈ আহ্বান জনাইছে। ঘটনাৰ পৰা শিক্ষা লৈ অভিভাৱক, শিক্ষক, আৰু সমাজক যুৱ প্ৰজন্মৰ মানসিক সুৰক্ষাৰ প্ৰতি সচেতন হ'বলৈ আহ্বান জনোৱা হৈছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ‘৮-১০ জন যুৱকে আত্মবলিদান দিয়ক’

চহৰতে ৮-১০ জন যুৱকৰ আত্মবলিদান লাগে, নহ'লে এই আইন কেতিয়াও বাতিল নহ'ব।" ৰাজহুৱাভাৱে চৰকাৰী সা-সম্পত্তি ধ্বংস কৰাৰ লগতে বাছ আৰু ৰে'লত অগ্নিসংযোগ কৰাৰ বাবেও আহ্বান জনায় কংগ্ৰেছ নেতাজনে। কবীৰৰ এই আহ্বানৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। ২ মিনিটৰ ভিডিঅ'টো ছ'চিয়েল মিডিয়াত প্ৰকাশ পোৱাৰ পিছতে সৃষ্টি হয় তীব্ৰ প্ৰতিক্ৰিয়াৰ। অভিযোগ অনুসৰি, ৮ এপ্ৰিলত ভাইৰেল হোৱা ভিডিঅ'টোত কবীৰ খানে কয়, "আইনৰ বিৰুদ্ধে আদালতলৈ গ'লে একো নহ'ব। হাতত পোষ্টাৰ লৈ লাভ নাই। কেৱল ধ্বংসই পথ। যুৱক-যুৱতীসকলে নিজকে বলিদান দিব লাগিব।" ভিডিঅ'ত তেওঁ মুছলমান সমাজক প্ৰত্যক্ষ হিংসাৰ আশ্ৰয় ল'বলৈ আৰু ৰাষ্ট্ৰৰ সম্পত্তি ধ্বংস কৰিবলৈ আহ্বান জনায়। আৰক্ষীয়ে জনোৱা মতে, কবীৰ খানৰ বিৰুদ্ধে উচটনিমূলক মন্তব্য আৰু হিংসাৰ উচটনি দিয়াৰ অভিযোগত একাধিক ধাৰাত গোচৰ ৰুজু কৰা হৈছে। সম্প্ৰতি পলাতক অৱস্থাত থকা অভিযুক্তই মোবাইল ফোনটোও বন্ধ কৰি ৰাখিছে। আজাদ নগৰৰ বাসিন্দা তথা দাভাংগেৰে চহৰৰ ৪ নং ৱাৰ্ডৰ প্ৰাক্তন কংগ্ৰেছ কাউন্সিলাৰ কবীৰ খানে বিগত সময়ত বিভিন্ন ৰাজনৈতিক মঞ্চত সক্ৰিয় হৈ আছিল। কিন্তু এই হিংসাৰ ভিডিঅ' ওলোৱাৰ লগে লগে তেওঁৰ বিৰুদ্ধে দেশদ্ৰোহৰ অভিযোগ উত্থাপন হৈছে। আৰক্ষীৰ মতে আৰু কেইবাজনো লোক এই ষড়যন্ত্ৰত জড়িত। ইফালে এই পৰ্যন্ত কংগ্ৰেছৰ কোনো প্ৰতিক্ৰিয়া প্ৰকাশ কৰা নাই। অৱশ্যে বিজেপি আৰু হিন্দুত্ববাদী সংগঠনে এই ঘটনাৰ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰি কবীৰ খানক গ্ৰেপ্তাৰ কৰিবলৈ দাবী জনাইছে। ৰাজ্য প্ৰশাসনেও কয় যে "এনে প্ৰৰোচনা কোনো ধৰণে সহ্য কৰা নহ'ব। অতি সোনকালে অভিযুক্তক গ্ৰেপ্তাৰ কৰা হ'ব।" মন কৰিবলগীয়া যে ৫ এপ্ৰিলত ৰাষ্ট্ৰপতিৰ সন্মতি সাপেক্ষে নতুন ৱাকফ বিধেয়কখন মাত্ৰ তিনিদিনতে আইনত পৰিণত হয়। বিজেপিয়ে দাবী কৰে যে এই আইনখনে ৱাকফৰ সম্পত্তি সঠিক পৰিচালনাৰ অধীনলৈ আনি প্ৰান্তীয় মুছলমানসকলক উপকৃত কৰিব। কিন্তু বিৰোধীৰ মতে ই সম্পূৰ্ণ অসাংবিধানিক আৰু মুছলমানক আক্ৰমণৰ আহিলা। বিশেষকৈ ৱাকফ ব'ৰ্ডত অমুছলমান সদস্য নিযুক্তি দিয়াৰ প্ৰস্তাৱক লৈ মুছলমান সম্প্ৰদায়ৰ এটা শ্ৰেণীৰ ভিতৰত তীব্ৰ বিতৰ্কৰ সৃষ্টি হৈছে। এই পৰিস্থিতিত কবীৰ খানৰ দৰে নেতাৰ পৰা অহা হিংসাৰ বাৰ্তাই দেশৰ আইন-শৃংখলাৰ পৰিস্থিতি আৰু অধিক বিপন্ন কৰি তুলিছে বুলি কোৱা বাহুল্য। প্ৰশাসনে এতিয়া সকলো শক্তি প্ৰয়োগ কৰি অভিযুক্তৰ সন্ধানত নামিছে।

■ ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ৰঙালী বিহুৰ প্ৰাকক্ষণত মঙলদৈত

চালানী গামোচা। ৰঙালী বিহুৰ প্ৰকক্ষণত এতিয়া মঙলদৈৰ বজাৰত চালানী গামোচাৰ পয়োভৰ ঘটিছে। বিহুৰ বাবে ব্যৱসায়ী সকলে অধিক মুনাফাৰ আশাত আমদানি কৰিছে যন্ত্ৰচালিত মেচিনত তৈয়াৰ কৰা গামোচা। আজি দৰং জিলা হস্ত তাঁত আৰু বস্ত্ৰ বিভাগৰ সহকাৰী সঞ্চালক সীতা বৰাই মঙলদৈ ৰাজহ চক্ৰ বিষয়া পাৰ্থ প্ৰতিম বৰাৰ সহযোগত মঙলদৈৰ বজাৰত এক অভিযান চলাই তিনি শতাধিক বহিঃ ৰাজ্যৰ পৰা আমদানিকৃত গামোচা জব্দ কৰে। গামোচাসমূহ মঙলদৈ চহৰৰ অন্নপূৰ্ণা ষ্টোৰ, আৰ ডি উমা ষ্টোৰ, উমা ষ্টোৰ, জননী ষ্টোৰ আদিৰ লগতে বৰপুখুৰীৰ পাৰত অস্থায়ীভাৱে বহা কেবাখনো দোকানৰ পৰা এই গামোচা সমূহ জব্দ কৰে। এই অভিযানৰ সময়ত বহু ব্যৱসায়ীয়ে নিমিষতে এনে অবৈধ গামোচা লুকুৱাই পেলোৱাৰ ফলত সেইসমূহ জব্দ কৰিব পৰা নগ'ল প্ৰশাসনৰ এই অভিযানৰ সময়ত।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# মেট্ৰিকৰ ফলাফলে কৰিছে নিৰাশ

ফলাফল ঘোষণাৰ দিনটোতে কেইবাখথনো বিদ্যালয়ক কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিলে। কামৰূপ মহানগৰ জিলাৰ বিদ্যালয় সমূহৰ পৰিদৰ্শকে ৪ বিদ্যালয়লৈ কাৰণ দৰ্শোৱাৰ জাননী জাৰি কৰিছে। মেট্ৰিক পৰীক্ষাত ২৫ শতাংশতকৈ কম শিক্ষাৰ্থী উত্তীৰ্ণ হোৱাৰ বাবে এই জাননী প্ৰেৰণ কৰা হৈছে। কিহৰ বাবে ফলাফল বেয়া হ'ল সেই কথা লিখিতভাৱে জনাব লাগিব। ফলাফল বেয়া হোৱা সন্দৰ্ভত ৫ খন বিদ্যালয় বৰসজাই হাইস্কুল, মালিগাঁও হাইস্কুল, এন.পি.এম.ই হাইস্কুল, পিলিংকাটা হাইস্কুল, দিছপুৰ চৰকাৰী হাইস্কুললৈ জাননী জাৰি কৰা হৈছে। কিহৰ বাবে ফলাফল বেয়া হৈছে সেই কথা স্পষ্ট কৰিব লাগিব। প্ৰশাসনৰ এই জাননীৰ উত্তৰত বিদ্যালয়সমূহৰ উত্তৰ লক্ষণীয় হ'ব।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# দিল্লীত পৰাজয়ৰ পাছত আপ অসমত

নিৰ্বাচনৰ প্ৰচাৰ অব্যাহত থকাৰ সময়তে আপ অসমৰ ৰাজ্যিক আয়োজক সম্পাদক ঋষিৰাজ কৌণ্ডিন্যই সকলো দলৰ পদৰ পৰা পদত্যাগ পত্ৰ প্ৰদান কৰিছে। এইগৰাকী ঋষিৰাজ কৌণ্ডিন্যই বিগত ২০২৪ চনৰ লোকসভা নিৰ্বাচনত শোণিতপুৰত প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও পৰাজিত হয়। কৌণ্ডিন্যই দলৰ নেতৃত্বত পদত্যাগ পত্ৰ প্ৰদান কৰি আনুষ্ঠানিকভাৱে পদত্যাগ ঘোষণা কৰি কয় যে মোক দায়িত্ব বিভিন্ন দিয়াৰ অৰ্পণ কৰাত সকলোকে কৃতজ্ঞতা জ্ঞাপন কৰিছো। দায়িত্বসমূহ নিষ্ঠাৰে পালন কৰিছিলো। অৱশ্যে, মই দলৰ দায়িত্ব পালন অব্যাহত ৰাখিবলৈ অক্ষম। সেয়েহে, এই পত্ৰখনৰ জৰিয়তে, মই ৰাজ্যিক উপ-সভাপতি, ৰাজ্যিক কাৰ্যবাহী সদস্য আৰু প্ৰাথমিক সদস্যপদকে ধৰি আন সকলো দলৰ দায়িত্বৰ পৰা আনুষ্ঠানিকভাৱে পদত্যাগ কৰিছো। ক'বলৈ গ'লে অসমত ক্ৰমে অস্তিত্বহীন হৈ পৰিছে আম আদমী পাৰ্টী। দিল্লীত দলটোৱে বেয়াকৈ পৰাজিত হোৱাৰ পিছতে সমগ্ৰ দেশৰ নেতাসকলে দলত্যাগ কৰাৰ লগতে অসমতো নেতাসকলে দলত্যাগ কৰিবলৈ আৰম্ভ কৰিছে। অসমত শেহতীয়াকৈ কেইবাগৰাকী নেতা-নেত্ৰীয়ে দলত্যাগৰ সময়তে আজি ৰাজ্যিক সমিতিৰ সভাপতিৰ দলত্যাগ। ৰাজ্যিক সভাপতি মনোজ ধানোৱাৰ আৰু ৰাজ্যিক মহিলা সমিতিৰ সভানেত্ৰী মাছুমা বেগমেও দল ত্যাগ কৰিছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ডিজিটেল ডাটা প্ৰটেকচন এক্টক লৈ

বুলি জানিব দিয়া হয়, যাতে তথ্যৰ অধিকাৰ আইনখন ক্ষতিগ্ৰস্ত নহয়। কংগ্ৰেছ নেতা গৌৰব গগৈয়ে উল্লেখ কৰে যে তথ্য জনাৰ অধিকাৰ আইনৰ ধাৰা ৪৪(৩) বাতিল হোৱাটো উচিত নহয়, যি নতুন ডিজিটেল ডাটা প্ৰটেকচন বিলত অন্তৰ্ভুক্ত কৰা হৈছে। বিৰোধীৰ অভিযোগ, এই ধাৰাটোৰ মাধ্যমেৰে তথ্যৰ অধিকাৰ আইনৰ ধাৰা ৮(১) পৰোক্ষভাৱে খাৰিজ কৰা হৈছে, যাৰ ফলত জনস্বাৰ্থৰ ক্ষেত্ৰত তথ্য প্ৰকাশৰ বাধ্যবাধকতা লোপ পায়। গগৈয়ে উদ্বেগ প্ৰকাশ কৰে যে এই সংশোধনীৰ ফলত চৰকাৰী দুৰ্নীতি উন্মোচন কঠিন হ'ব। উদাহৰণস্বৰূপে, যদি কোনো ব্যক্তি তথ্য জনাৰ অধিকাৰ আইনৰ অধীনত জনিব বিচাৰে যে কোনো দলং নিৰ্মাণৰ বাবে কোনজন ঠিকাদাৰে নিবিদা লাভ কৰিছে বা চুক্তিৰ পৰিমাণ কিমান, তেন্তে ব্যক্তিগত তথ্য সুৰক্ষাৰ অজুহাতত সেই তথ্য প্ৰদান নকৰা হ'ব। তেওঁ অভিযোগ কৰে যে এই বিধেয়ক দুৰ্নীতি লুকুৱাবলৈ এক নতুন অস্ত্ৰ হ'ব। বিৰোধী দলৰ মতে, তথ্যৰ অধিকাৰ আইন সংবাদ মাধ্যম আৰু সামাজিক আন্দোলনৰ বাবে এক শক্তিশালী হাতিয়াৰ হিচাপে আত্মপ্ৰকাশ কৰিছে, যাৰ জৰিয়তে বহু অনিয়ম উদঙাই দিয়া হৈছে। কেন্দ্ৰীয় চৰকাৰে এইটো বন্ধ কৰিবলৈ চেষ্টা কৰি আছে বুলি বিৰোধীসকলে অভিযোগ কৰে। তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই অভিযোগ অস্বীকাৰ কৰি জয়ৰাম ৰমেশলৈ লিখা এখন পত্ৰত স্পষ্ট কৰে যে ডিজিটেল ডাটা প্ৰটেকচন এক্ট তথ্যৰ অধিকাৰ আইনৰ ওপৰত কোনো প্ৰভাৱ নপেলায়। বৈষ্ণৱৰ মতে, এই দুখন আইন সমন্বয়ৰ সৈতে কাম কৰিব আৰু ব্যক্তিগত তথ্য সুৰক্ষাৰ অধিকাৰ সংবিধানৰ ২১ নং অনুচ্ছেদৰ অধীনত ৰক্ষা পাব। তেওঁ লগতে স্পষ্ট কৰে যে কোনো জনকল্যাণমূলক প্ৰকল্পৰ ক্ষেত্ৰত তথ্য আগতে যিদৰে প্ৰকাশ কৰা হৈছিল, এতিয়াও সেইদৰে প্ৰকাশ কৰিব লাগিব। বিৰোধী দলসমূহে এই যুক্তি গ্ৰহণ কৰিবলৈ ইচ্ছুক নহয় আৰু আদালতলৈ যোৱাৰ কথাও বিবেচনা কৰি আছে।

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# শ্বহীদ খগেশ্বৰ তালুকদাৰৰ ভাতৃক

প্ৰাৰ্থীত্বৰ দাবী জনাইছিল। কিন্তু দলটোৱে তেওঁৰ পৰিৱৰ্তে অৰবিন্দ বৰ্মনক মনোনীত কৰে। এই সিদ্ধান্তই গভীৰ অসন্তোষৰ সৃষ্টি কৰিছে শুভাকাংক্ষীসকলৰ মাজত। সমালোচকসকলে কৈছে যে এজিপিয়ে আন্দোলনৰ ফলস্বৰূপে জন্ম লোৱা এক দল হিচাপে, শহীদ পৰিয়ালৰ আত্মবলিদানক মান্যতা দিয়াৰ দায়িত্ব আছে। চন্দ্ৰকান্ত তালুকদাৰে এই সন্দৰ্ভত হতাশা প্ৰকাশ কৰি কয়, "দলটোৱে আমাৰ পৰিয়ালৰ ত্যাগৰ মূল্য নুবুজিলে।" আন্দোলনৰ ইতিহাস আৰু আত্মত্যাগক উপেক্ষা কৰি দলীয় সুবিধা বিবেচনা কৰি সিদ্ধান্ত লোৱা হৈছে বুলি অভিযোগ উঠিছে। এই ঘটনাই এজিপিৰ ভিতৰতে অসন্তোষ সৃষ্টি কৰিছে আৰু বহু নেতা-কৰ্মীয়ে দলৰ নেতৃত্বৰ ওপৰত প্ৰশ্ন তুলিছে। অনেকেই কৈছে, "যদি শহীদৰ পৰিয়ালকো এজিপিয়ে সন্মান নিদিয়ে, তেন্তে সাধাৰণ ৰাইজে কিয় দলটোত ভৰসা ৰাখিব?"

ষষ্ঠ পৃষ্ঠাৰ পৰা...

# ২৬/১১ৰ আক্ৰমণত কথমপি প্ৰাণ ৰক্ষা

আছিল আৰু মূলত তাজ হোটেলত থাকিবলৈ পৰিকল্পনা কৰিছিল। কিন্তু শেষ মুহূৰ্তত পৰিকল্পনাত পৰিৱৰ্তন ঘটাই তেওঁ অন্য এখন হোটেললৈ স্থানান্তৰিত হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে X (পূৰ্বৰ টুইটাৰ)ত লিখে, "২৬/১১ৰ সেই বিশেষ নিশাটোত মই মুম্বাইতে আছিলোঁ আৰু আনকি তাজ হোটেলত থকাৰ কথাই আছিল। কিন্তু ভাগ্যই যেন নিৰ্ধাৰণ কৰাৰ দৰেই শেষ মুহূৰ্তত পৰিকল্পনা সলনি হোৱাৰ বাবে তাৰ পৰা ওলাই আন এখন হোটেলত আছিলোঁ। তথাপিও সেই নিশাটো কাহানিও পাহৰিব নোৱাৰোঁ। সেই নিশা সংঘটিত হোৱা ঘটনাসমূহ মোৰ মাজত চিৰকালৰ বাবে ৰৈ গৈছে। আজি স্পষ্টভাৱে মনত আছে ঘটনাৰ পৰিপ্ৰেক্ষিতত ৰাষ্ট্ৰীয় নিৰাপত্তাৰক্ষী অৰ্থাৎ এন এছ জিৰ কাৰ্যকলাপ প্ৰত্যক্ষ কৰোঁতে মনলৈ বাৰে বাৰে আহিছিল--এদিন নহয় এদিন এই জঘন্য কাণ্ডৰ আঁৰত থকা 'মাষ্টাৰমাইণ্ড'সকলক সময়ে উচিত শাস্তি প্ৰদান কৰিব।" তাহাৱুৰ ৰানা, যাক আমেৰিকাৰ পৰা ভাৰতলৈ প্ৰত্যৰ্পণ কৰা হৈছে, তেওঁক ৰাষ্ট্ৰীয় অনুসন্ধান সংস্থা (এন আই এ)ৰ কাৰ্যালয়লৈ লৈ যোৱা হৈছে। তেওঁ ১৮ দিনৰ বাবে এন আই এ ৰ জিম্মাত থাকিব, এই সময়ত ২০০৮ চনৰ আক্ৰমণৰ সম্পূৰ্ণ চক্ৰান্তৰ জানিবলৈ জেৰা চলোৱা হ'ব। মুখ্যমন্ত্ৰীয়ে ৰানাৰ প্ৰত্যৰ্পণক উল্লেখ কৰি কয় যে, ভাৰতৰ বিৰুদ্ধে চক্ৰান্ত ৰচনাৰ চিন্তা কৰা লোকসকলে এতিয়া দুবাৰ ভাবিব লাগিব। তেওঁ লগতে কয়, "প্ৰায় ডেৰ দশকৰ পাছত দেশ কঁপোৱা এই কাণ্ডৰ অন্যতম মূল অভিযুক্ত তাহাউৰ ৰাণাক ভাৰতলৈ ঘূৰাই অনা দেখি কেৱল কেছটো চূড়ান্ত নিষ্পত্তিৰ দিশে গতি কৰিব বুলি ভবাৰ লগতে আমাৰ দেশৰ নেতৃত্বক অনুধাৱন কৰিও পুনৰ এক আত্মবিশ্বাসেৰে মনটি ভৰি পৰিছে। যেতিয়ালৈকে আমাৰ নেতৃত্বত এক সবল আৰু নিৰ্ণায়ক নেতৃত্ব আছে, শত্ৰুপক্ষীয় এজেণ্টসকলে ভাৰতৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ চেষ্টা কৰাৰ আগতে এবাৰ দুবাৰ নহয়, বহুবাৰ ভাবিব লাগিব।"

# জিলা আয়ুক্তৰ 'উৎসাহে' মেট্ৰিকত দ্বিতীয় স্থানলৈ উন্নীত কৰিলে ডিব্ৰুগড় জিলাক

**ই-সংবাদ, ডিব্ৰুগড়, ১১ এপ্ৰিলঃ** আজি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ডিব্ৰুগড় জিলাই ৰাজ্যখনৰ ভিতৰত দ্বিতীয় স্থানেৰে জিলাখনলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। জিলা শিক্ষা বিভাগৰ নিৰন্তৰ প্ৰচেষ্টাৰ লগতে জিলাখনৰ বিদ্যালয়সমূহৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সঠিক নিৰ্দেশনা, ছাত্ৰ-ছাত্ৰীসকলৰ কঠোৰ পৰিশ্ৰমৰ ফলশ্ৰুতিত ডিব্ৰুগড় জিলাই এই সফলতাৰ অধিকাৰী হ'বলৈ সক্ষম হৈছে। আনহাতে, জিলাখনৰ এনে সফলতাৰ বাবে বিশেষভাৱে উল্লেখ কৰিব লাগিব 'মিছন উৎসাহ'ৰ কথা। ডিব্ৰুগড় জিলাৰ চৰকাৰী বিদ্যালয়সমূহৰ সামগ্ৰিক শৈক্ষিক পৰিৱেশৰ উন্নীতকৰণৰ নিমিত্তে জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ উদ্যোগত বিগত বৰ্ষৰ আগষ্ট মাহত আৰম্ভ কৰা হৈছিল মিছন উৎসাহৰ। চৰকাৰী বিদ্যালয়সমূহত অধ্যয়নৰত যিসকল ছাত্ৰ-ছাত্ৰীয়ে আশানুৰূপ ফলাফল প্ৰদৰ্শন কৰিব পৰা নাই, লগতে বিদ্যালয়ত নিয়মিতৰূপে উপস্থিত থাকিব নোৱাৰে আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে বিভিন্ন কাৰণত বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা আধাতে এৰিব লগা হৈছে সেইসকল ছাত্ৰ-ছাত্ৰীক শৈক্ষিক ক্ষেত্ৰত সঠিক পথ প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে জিলাখনৰ প্ৰতিখন চৰকাৰী বিদ্যালয়ত আৰম্ভ কৰা হৈছিল মিছন উৎসাহৰ। এই মিছন উৎসাহৰ অধীনতে ডিব্ৰুগড় জিলাৰ



বিভিন্ন চৰকাৰী বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে পৰীক্ষাত উন্নত মানৰ ফলাফল প্ৰদৰ্শন নকৰা ছাত্ৰ-ছাত্ৰীসকলক অতিৰিক্ত পাঠদানৰ ব্যৱস্থা কৰাৰ লগতে সময়ে সময়ে পৰীক্ষা লোৱাৰো ব্যৱস্থা কৰিছিল। আনহাতে, বিভিন্ন কাৰণত বিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষা আধাতে এৰিবলগীয়া হোৱা আৰু বিদ্যালয়ত নিয়মীয়াকৈ উপস্থিত নথকা ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰে ঘৰে গৈ অভিভাৱকসকলৰ সৈতে মতবিনিময় কৰাৰ উপৰিও তেনে ছাত্ৰ-ছাত্ৰীসকলক পুনৰ বিদ্যালয়মুখী কৰিবলৈয়ো বিদ্যালয় কৰ্তৃপক্ষই প্ৰচেষ্টা হাতত লৈছিল। এই আঁচনিৰ অধীনতে জিলাখনৰ বিভিন্ন বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰীসকলে ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰে ঘৰে গৈয়ো পাঠদানৰ ব্যৱস্থা কৰিছিল। মিছন উৎসাহৰ অধীনতে বিগত ১০ বছৰৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলৰ ওপৰত ভিত্তি কৰি জিলাখনৰ বিদ্যালয়সমূহৰ শ্ৰেণীবিভাজন কৰাৰ লগতে জিলা আয়ুক্তই সময়ে সময়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৩০ শতাংশ আৰু ৫০ শতাংশ তলৰ উত্তীৰ্ণৰ হাৰৰ বিদ্যালয়সমূহৰ কৰ্তৃপক্ষৰ সৈতে পৃথকে পৃথকে পৰ্যালোচনা সভাত মিলিত হৈ বিদ্যালয়ৰ শৈক্ষিক মান উন্নয়নৰ বাবে প্ৰচেষ্টা হাতত লৈছিল। তদুপৰি, ধাৰাবাহিকভাৱে মিছন উৎসাহৰ অধীনত জিলাখনৰ সকলো চৰকাৰী বিদ্যালয়ৰ প্ৰধান শিক্ষক আৰু অধ্যক্ষসকলৰ সৈতে পৰ্যালোচনা সভাত মিলিত হোৱাৰ লগতে বিদ্যালয়সমূহত অভিভাৱকৰ সভা আহ্বান কৰাটো বাধ্যতামূলক কৰা হৈছিল। উল্লেখযোগ্য যে মিছন উৎসাহৰ অধীনত বিদ্যালয়সমূহৰ সঠিক মেপিঙৰ সৈতে উচ্চ মাধ্যমিক বিদ্যালয় আৰু ফিডাৰ বিদ্যালয়সমূহৰ মাজত সমন্বয় গঢ়ি তোলা হৈছিল। মিছন উৎসাহে ছাত্ৰ-ছাত্ৰীসকলৰ মনত গভীৰ আত্মবিশ্বাস গঢ়ি তোলাৰ লগতে পৰীক্ষাত অৱতীৰ্ণ হ'ব পৰাকৈ প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীক প্ৰস্তুত কৰাত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। ইয়াৰ ফলশ্ৰুতিতে আজি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ডিব্ৰুগড় জিলাই ৮১.১০% উত্তীৰ্ণৰে ৰাজ্যখনৰ ভিতৰতে দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হ'ল। অনাগত দিনত শৈক্ষিক ক্ষেত্ৰত ডিব্ৰুগড় জিলাৰ এই জয়যাত্ৰা অব্যাহত থাকিব বুলি শিক্ষা বিভাগে আশা ৰাখিছে।

# আকৌ এবাৰ ভোটা তৰা হৈ উজলি উঠিল সমস্যাজৰ্জৰ চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়

**ই-সংবাদ, পশ্চিম দৰং, ১১ এপ্ৰিলঃ** দৰং জিলাৰ পশ্চিম দৰং অঞ্চলৰ উচ্চ শিক্ষাৰ অগ্ৰণী শিক্ষানুষ্ঠান চেঙেলীয়াঝাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ে পূৰ্বৰ সাফল্যৰ ধাৰা অক্ষুণ্ণ ৰাখি পুনৰ উজলি উঠিছে। আজি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনৰপৰা অৱতীৰ্ণ ৮৬ পৰীক্ষাৰ্থীৰ ভিতৰত এগৰাকী ডিষ্টিংচন, ষ্টাৰ ৪ গৰাকী, প্ৰথম বিভাগ ৩৭ গৰাকী, দ্বিতীয় বিভাগ ৪৩ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰে পাৰ্থপ্ৰতীম শৰ্মা নামৰ দৰিদ্ৰ পৰিয়ালৰ পৰীক্ষাৰ্থীগৰাকীয়ে অসমীয়াত ৯৪, ইংৰাজীত ৯১, সাধাৰণ গণিতত ৯৯, সাধাৰণ বিজ্ঞানত ৯১, সমাজ বিজ্ঞানত ৭৭ আৰু ঐচ্ছিক গণিতত ৯৯ নম্বৰ লাভ কৰিবলৈ সক্ষম হয়। ছাত্ৰগৰাকীৰ লাভ কৰা মুঠ নম্বৰ ৫৫১ নম্বৰেৰে ৯১.৮৩ শতাংশ লাভ কৰে। পিতৃ যতীন শৰ্মাই চাহ দোকান দি কষ্টৰ মাজেৰে পুত্ৰক পঢ়ুৱাইছিল। মাতৃ অমৃতা দেৱীয়ে একমাত্ৰ পুত্ৰক বহু দুখ-কষ্টৰ  মাজত ডাঙৰ-দীঘল, পঢ়া-শুনা কৰিবলগীয়া হোৱাৰ পিছত পুত্ৰৰ সাফল্যত সকলোবোৰ দুখ-কষ্ট পাহৰি আজি আনন্দৰ হাঁহি বিৰিঙিছে। প্ৰতিটো দিনে নিয়মীয়াভাৱে পঢ়া-শুনা কৰি পৰীক্ষাৰ পিছত এটা ভাল ফলাফল লাভ কৰিব বুলি আশা কৰিছিল পাৰ্থপ্ৰতিম শৰ্মাই। পৰীক্ষাৰ ফলাফলত নিজৰ ভাল লগা বুলি উল্লেখ কৰি ভৱিষ্যতে ইঞ্জিনিয়াৰিং পঢ়াৰ ইচ্ছা থকা বুলি ব্যক্ত কৰে। বিদ্যালয়খনৰ আজিৰ হাইস্কুল পৰীক্ষাৰ ফলাফলত আতিকুৰ ৰহমানে ৪৭২, হৰ্কিকেশ ডেকাই ৪৫২, পৰাগ চলিহাই ৫০৩ আৰু সুমন ভৰদ্বাজে ৪৯৬ নম্বৰেৰে ষ্টাৰ নম্বৰ পাবলৈ সক্ষম হয়। তদুপৰি প্ৰথম বিভাগত উত্তীৰ্ণসকলে বহু বিষয়ত লেটাৰ নম্বৰো লাভ কৰে। বিদ্যালয়খনৰ উত্তীৰ্ণৰ হাৰ ৯৮.৮৪ শতাংশ। ধাৰাবাহিকভাৱে প্ৰতিটো বছৰে উন্নতমানৰ ফলাফল লাভ কৰি অহা বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ শিক্ষাদানক লৈ অভিভাৱক সমাজ সন্তুষ্ট। বিদ্যালয়খনৰ শিক্ষক মণ্ডলীও ফলাফলক লৈ আনন্দিত হৈ পৰা দেখা যায়। লক্ষণীয় যে যি সময়ত ছাত্ৰ-ছাত্ৰীৰ অভাৱত চৰকাৰী শিক্ষানুষ্ঠান বন্ধ হৈ পৰিছে তেনে সময়ত বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সংখ্যা ৩৫০ গৰাকীৰো অধিক। ইয়াৰ মূলতে বিদ্যালয়খনৰ শিক্ষাৰ মানদণ্ড কথাকেই নিশ্চিত কৰে। তদুপৰি, এইবেলি শিক্ষা গুণোৎসৱত 'এ গ্ৰেড' লাভ কৰিছে বিদ্যালয়খনে। উল্লেখ্য যে ১৯৬৬ চনতে স্থাপিত শিক্ষানুষ্ঠানখনৰ কিন্তু আজিও দুৰ্বল আন্তঃগাঁথনি, প্ৰয়োজনীয় শিক্ষকৰ অভাৱ, চাইকেল ষ্টেণ্ডৰ অভাৱ,



জৰাজীৰ্ণ প্ৰস্ৰাৱাগাৰ  ইত্যাদি সমস্যাত জৰ্জৰিত হৈ থকাটো দুৰ্ভাগ্যজনক কথা। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে দুবছৰ আগতে শিক্ষা গুণোৎসৱৰ আগদিনা পৰিদৰ্শন কৰি সকলোবোৰ সমস্যা জ্ঞাত হৈ সমাধানৰ আশ্বাস দিছিল যদিও আজিও সমস্যাসমূহৰ সমাধান হৈ নুঠিল বুলি ৰাইজৰ মুখে প্ৰকাশ।

# এশ শতাংশ উত্তীৰ্ণৰে বেচি মেম'ৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ৰ সফলতা

**ই-সংবাদ, কোকৰাঝাৰ, ১১ এপ্ৰিলঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাত পুনৰবাৰৰ এশ শতাংশ উত্তীৰ্ণৰে ধাৰাবাহিকতা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে ইংৰাজী মাধ্যমৰ বিদ্যালয় বেচি মেম'ৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়ে। কোকৰাঝাৰ জিলাৰ হল্টুগাঁও, গৌৰাং মিছনস্থিত ইংৰাজী মাধ্যমৰ বিদ্যালয়খনৰপৰা বিগত ২০১৯ চনৰপৰাই ধাৰাবাহিকভাৱে এশ শতাংশ উত্তীৰ্ণ হৈ আহিছে। এইবাৰ বিদ্যালয়খনৰপৰা ৪১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে সদ্যঘোষিত মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু ৪১ জনেই সফলতা লাভ কৰিছে। ৪১ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত ৪০ জনে প্ৰথম বিভাগ আৰু এজনে দ্বিতীয় বিভাগ পাইছে। ইয়াৰ ভিতৰত ভাস্বতী ৰায়ে ইংৰাজী, অসমীয়া, গণিত, সাধাৰণ বিজ্ঞান আৰু ঐচ্ছিক গণিতত লেটাৰ নম্বৰ লাভ কৰি ডিষ্টিংচন পাইছে। তদুপৰি ১৩ জনে ষ্টাৰ মাৰ্ক, ৩৮ জনে লেটাৰ নম্বৰ লাভ কৰিছে। উল্লেখ্য যে বালাজান তিনালী এলেকাৰ তথা গৌৰাং মিছনত থকা বেচি মেম'ৰিয়েল ছিনিয়ৰ ছেকেণ্ডাৰী বিদ্যালয়খনে সীমিত সা-সুবিধাৰ মাজেৰে প্ৰতিবছৰে ঈৰ্ষণীয় সফলতা লাভ কৰি আহিছে।



এই সন্দৰ্ভত বিদ্যালয়খনৰ অধ্যক্ষ ডিবাৰু গয়াৰী আৰু বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জেকব ইছলাৰীয়ে তেওঁলোকৰ বিদ্যালয়ৰ সফলতাৰ বাবে ষ্টাফ, ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকসকলক ধন্যবাদ জ্ঞাপন কৰে। আজি বিদ্যালয় প্ৰাংগণতে দ্বীপেন ৰায় আৰু দীপালি বৰ্মনৰ কনিষ্ঠা কন্যা ভাস্বতী ৰায়ক সম্বৰ্ধনা জনায় বিদ্যালয় কৰ্তৃপক্ষই। ধাৰাবাহিকভাৱে বিদ্যালয়খনৰ সফলতাত উৎফুল্লিত হৈ পৰিছে অঞ্চলটোৰ স্থানীয় বাসিন্দা, অভিভাৱকসকল। উল্লেখ্য যে এইবাৰ কোকৰাঝাৰ জিলাত সৰ্বমুঠ ১৫৩৪৪ গৰাকী পৰীক্ষাৰ্থীয়ে মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে ভিতৰত প্ৰথম বিভাগ লাভ কৰিছে ২১১৪ গৰাকীয়ে, দ্বিতীয় বিভাগ লাভ কৰিছে ৪৬২০ গৰাকীয়ে আৰু তৃতীয় বিভাগ লাভ কৰিছে ২৩৭৪ গৰাকীয়ে। সৰ্বমুঠ ৯৩৭৮ গৰাকী পৰীক্ষাৰ্থী উত্তীৰ্ণ হৈছে আৰু উত্তীৰ্ণৰ হাৰ ৬১.১২ শতাংশ।

# তিতাবৰত শোকাৱহ পথ দুৰ্ঘটনাত এজন নিহত, গুৰুতৰভাৱে আহত ১



**ই-সংবাদ, তিতাবৰ, ১১ এপ্ৰিলঃ** তিতাবৰৰ ঐতিহাসিক ধোদৰ আলিৰ আমগুৰিখাটত বৃহস্পতিবাৰে নিশা সংঘটিত এটা শোকাৱহ পথ দুৰ্ঘটনাত এজন যুৱকৰ মৃত্যু হোৱাৰ লগতে আন এজনৰ গুৰুতৰভাৱে আহত হয়। জানিব পৰা মতে, তিতাবৰৰ নগৰৰ পৰা বিৰিণাশায়েকৰ দিশে গৈ থকা এখন চিটি ১০০ বাহন (নম্বৰ AS-05-D-4606) নিৰ্মীয়মান কালভাৰ্টত সোমাই পৰি এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনাত অনুপম বৰা নামৰ এজন যুৱকৰ থিতাতে মৃত্যু হয়, আনহাতে পুলক কলিতা নামৰ আন এজন যুৱক গুৰুতৰভাৱে আহত হয়। আহত যুৱকজনক জৰুৰীকালীন চিকিৎসাৰ বাবে চিকিৎসালয় লৈ প্ৰেৰণ কৰা হৈছে। ধোদৰ আলিৰ নিৰ্মাণকাৰ্য চলি থকাৰ সময়ত প্ৰয়োজনীয় সুৰক্ষা ব্যৱস্থা গ্ৰহণ নকৰা আৰু ঠিকাদাৰৰ গাফিলতিৰ বাবেই এনে ঘটনা সংঘটিত হোৱাৰ আশংকা প্ৰকাশ কৰিছে ৰাইজে। ঘটনাৰ খবৰ পোৱাৰ লগে লগে তিতাবৰ আৰক্ষী ঘটনাস্থলীত উপস্থিত হৈ তদন্ত আৰম্ভ কৰে। দণ্ডাধীশ আৰু অগ্নিনিৰ্বাপক বাহিনীৰ তৎপৰতাত নিহত যুৱকৰ মৃতদেহ কালভাৰ্টৰ পৰা উদ্ধাৰ কৰা হয়। আৰক্ষীয়ে ঘটনাৰ কাৰণ অনুসন্ধানৰ লগতে প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণৰ আশ্বাস দিছে। স্থানীয় লোকে নিৰ্মাণকাৰ্যৰ সময়ত সুৰক্ষাৰ প্ৰতি অধিক গুৰুত্ব দিয়াৰ দাবী জনাইছে, যাতে ভৱিষ্যতে এনে মৰ্মান্তিক ঘটনাৰ পুনৰাবৃত্তি নহয়।

# গেলেকীৰ বিভিন্ন প্ৰান্তত ধুমুহাত বিস্তৰ ক্ষতি

**ই-সংবাদ, গেলেকী, ১১ এপ্ৰিলঃ** যোৱানিশা অহা এজাক প্ৰবল ধুমুহাই বিস্তৰ ক্ষতি সাধন কৰিছে গেলেকী আৰু ইয়াৰ উপকণ্ঠ বিভিন্ন অঞ্চলত। যোৱা নিশা ৭ মান বজাত অহা এই ধুমুহাজাকৰ ফলত বহু লোকৰ বাসগৃহৰ বিস্তৰ ক্ষতিসাধন হোৱাৰ লগতে গছ-গছনিৰো ক্ষতি সাধন হৈছে। ধুমুহাৰ গতি অতি তীব্ৰ হোৱাৰ বাবে ক্ষয়-ক্ষতিৰ পৰিমাণ বৃদ্ধি হোৱা বুলি অনুমান কৰা হৈছে। গেলেকীৰ বহুলোকৰ বাসগৃহ অনিষ্ট হোৱাৰ লগতে গছ-গছনিৰো বিস্তৰ ক্ষতিসাধন হৈছে। লগতে বিদ্যুৎ সেৱা যোৱানিশাৰেপৰা বিচ্ছিন্ন হৈ আছে নামতি, গেলেকীৰ বিভিন্ন অঞ্চলত। বাসগৃহ ধুমুহাই উৰুৱাই নিয়াত দিশহাৰা হৈ পৰিছে এতিয়া দৰিদ্ৰ পৰিয়ালসমূহ।



# পশ্চিম কাৰ্বি আংলং জিলাৰে অবৈধ কয়লা সৰবৰাহ

ই-সংবাদ, বৈঠালাংছ' ১১ এপ্ৰিলঃ কেইদিনমান পূৰ্বে সংঘটিত হৈ যোৱা উমৰাংছ'ৰ অবৈধ কয়লাখননৰ অভিশপ্ত ঘটনাৰ পাছতো আজিও ৰাজ্যখনৰ সংশ্লিষ্ট বিভাগৰ চকু মেল খোৱা নাই। কিয়নো এই ক'লা হীৰাৰ লোভ সামৰিব নোৱাৰি একাংশ বিষয়াই গোপনে গোপনে অবৈধ কয়লা সৰবৰাহ কৰাৰ অনুমতি প্ৰদান কৰি আহিছে। কাৰণ অবৈধ কয়লা সৰবৰাহৰ কৰিডৰত পৰিণত হোৱা পশ্চিম কাৰ্বি আংলং জিলাৰ মাজেৰে নিতৌ কয়লাভৰ্তি ট্ৰাক পাৰ হৈ যায় হোজাই-নগাঁও জিলা অভিমুখে। এক বিশেষসূত্ৰে লাভ কৰা তথ্য অনুসৰি বিগত দিনসমূহৰ ভিতৰত ২৫ মাৰ্চত এনএল-০৭ এএ-৬১৬২, এএছ-০২ ডিচি-৯১০৫, এএছ-৩১ চি-০৯০৪, এএছ-৩১ চি-১৬৭৫ নম্বৰৰ চাৰিখন, ২৬ মাৰ্চত এএছ-০২, ডিচি- ৯৯১৭, এএছ-০১, আৰচি-২৮০৭, এএছ-৩১, চি- ১১৬২ নম্বৰৰ তিনিখন,২৭ মাৰ্চত এএল-০৭, এএ- ৫১৭৮, এএছ-০১, আৰচি- ৩১০৭ নম্বৰৰ দুখন, ৫ এপ্ৰিলত এএছ-৩১, চি- ০৯৮০, এএছ-০২, ডিচি- ৯১০৫ নম্বৰা দুখন আৰু ৯ এপ্ৰিলত এএল-০৭, এএ- ৫১৭৮, এএছ-০১, আৰচি- ৩১০৭ নম্বৰৰ লগতে আন দুখন ট্ৰাকে অবৈধভাৱে কয়লা সৰবৰাহ কৰে। ১৪ আৰু ১৬ চকীয়া এই ট্ৰাকে কোনোধৰণৰ চালান নোহোৱাকৈ নিতৌ অবৈধভাৱে বহিঃজিলালৈ কয়লা সৰবৰাহ কৰাৰ বাতৰি পোৱা গৈছে। এইদৰে প্ৰতিনিশা প্ৰায় ১২-২ বজাৰ ভিতৰত অসম-মেঘালয় সীমান্তৰ খান্দুলি অঞ্চলৰ পৰা হামৰেণ-বৈঠালাংছ'-ডংকামোৰকাম হৈ পাহাৰীয়া জিলাখনৰ মাজেৰে পাৰ হৈ যোৱাৰ পিছতো সংশ্লিষ্ট বিভাগে গম নোপোৱাটো সঁচাকৈয়ে এক আশ্চৰ্যজনক বিষয় হৈ পৰিছে। স্থানীয় সচেতনমহলৰ মতে উমৰাংছ'ৰ অভিশপ্ত ঘটনাৰ পিছত ৰাজ্য চৰকাৰে যিদৰে অবৈধ কয়লা সন্দৰ্ভত বিহিত ব্যৱস্থা গ্ৰহণ কৰিছে কিন্তু ইয়াৰ পিছতো অবৈধভাৱে কয়লা সৰবৰাহ হৈ থকাক লৈ যে এই কাৰ্যত সংশ্লিষ্ট বিভাগক মেনেজ নকৰাকৈ থকা নাই সেই কথাটো কোনো কাৰণতেই সম্ভৱ নহয় বুলি জানিবলৈ দিয়ে। অৱশ্যে, এইক্ষেত্ৰত সংশ্লিষ্ট বিভাগৰ সৈতে জিলাখনৰ নিৰাপত্তা বিভাগে মেনেজ হৈ অবৈধ কয়লা সৰবৰাহ ঘটনাত ৰঙা দলিচা পাৰি উষ্ম আঁদৰণি জনাবনে নে অবৈধ কয়লা সৰবৰাহ ৰোধ কৰিব সেয়া পৰবৰ্তী সময়ত লক্ষণীয় হ'ব । উল্লেখ্য যে কয়লা সৰবৰাহকাৰী মাফিয়া এগৰাকী শক্তিশালী মন্ত্ৰীৰ নাম সঘনাই উচ্চাৰণ কৰাৰ লগতে এই সন্দৰ্ভত বাতৰি পৰিৱেশন কৰা সাংবাদিককো জে'ললৈ প্ৰেৰণ কৰা হ'ব বুলি বিভিন্ন সময়ত ভয়-ভাবুকি প্ৰদান কৰি অহা বুলিও জানিব পৰা গৈছে।

# হাইস্কুল শিক্ষান্ত পৰীক্ষাত লাহোৱালৰ কেইবাখনো বিদ্যালয়ৰ উত্তীৰ্ণ হাৰ এশ শতাংশ

**ই-সংবাদ, চাবুৱা-লাহোৱাল, ১১ এপ্ৰিলঃ** আজি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত লাহোৱালৰ কেইবাখনো বিদ্যালয়ৰ উত্তীৰ্ণ হাৰ এশ শতাংশ। ডিকমৰ বৃহত্তৰ ৰহমৰীয়া অঞ্চলৰ একমাত্ৰ ৰহমৰীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ মুঠ ১০৭ গৰাকী পৰীক্ষাৰ্থী ভিতৰত ৪ গৰাকীয়ে ডিষ্টিংশ্যন, ১৬ গৰাকীয়ে ষ্টাৰসহ মুঠ ৮৭ গৰাকীয়ে প্ৰথম বিভাগ আৰু ২০ গৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণ হাৰ এশ শতাংশ। লাহোৱালৰ একমাত্ৰ ইংৰাজী মাধ্যমৰ বিদ্যালয় এছ কে এছ ইংলিছ একাডেমিৰ ২৭ গৰাকী পৰীক্ষাৰ্থী ভিতৰত এগৰাকী ডিষ্টিংশ্যন, ৭ গৰাকী ষ্টাৰসহ মুঠ ২৫ গৰাকীয়ে প্ৰথম বিভাগত আৰু দুগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয় খনলৈ সুনাম কঢ়িয়াই আনিছে। ডিকম জাতীয় বিদ্যালয়ৰ ২৪ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত চাৰি গৰাকীয়ে ষ্টাৰসহ ২৪ গৰাকীয়ে প্ৰথম বিভাগত আৰু দুগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয় খনলৈ সুনাম কঢ়িয়াই আনিছে। আনহাতে ৰমাই চাহ বাগিচা আদৰ্শ বিদ্যালয়ৰ ৩৩ গৰাকী পৰীক্ষাৰ্থীৰ ভিতৰত এগৰাকী প্ৰথম বিভাগত, ২৪ গৰাকী দ্বিতীয় বিভাগত আৰু ৩ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণ হাৰ ৮৪.৮৫ শতাংশ। মদাৰখাত বালিকা উচ্চ মাধ্যমিক বিদ্যালয়ৰ ১৩৭ গৰাকী ছাত্ৰীৰ ভিতৰত চাৰি গৰাকী প্ৰথম বিভাগত, ৪৪ গৰাকী দ্বিতীয় বিভাগত আৰু ৩৯ গৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। উত্তীৰ্ণ হাৰ ৬৩.৫ শতাংশ।

# ধূপধৰাত সামৰণি পৰিল আৰছুৰ অধিৱেশন

**ই-সংবাদ, ধূপধৰা, ১১ এপ্ৰিলঃ** 'গোৱালপাৰাৰ লগতে সমগ্ৰ অসমতে যি হাৰত আগ্ৰাসন হ'বলৈ ধৰিছে সেয়া ৰোধ কৰিবলৈ আমি সকলোৱে একত্ৰিত হ'বই লাগিব। বিভিন্ন জাতি-জনজাতিৰে সমৃদ্ধ ধূপধৰা অঞ্চলৰ ৰাইজে যিদৰে একতাৰ ডোলেৰে সমৃদ্ধ হৈ ৰাভা জনগোষ্ঠীয় লোকৰ তিনিটাকৈ গোৱালপাৰা জিলা সমিতিৰ বাৰ্ষিক অধিৱেশন সৰ্বাংগ সুন্দৰকৈ সাফল্যমণ্ডিত কৰি তুলিছে, ঠিক তেনেকৈ আগ্ৰাসনৰ দৰে সমাজৰ ব্যাধি ৰোধ কৰিবলৈ আমি সকলোৱে একত্ৰিত হ'ব লাগিব।- এই মন্তব্য গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলী কলিতা মেধিৰ। ধূপধৰাত অনুষ্ঠিত গোৱালপাৰা জিলা ৰাভা ছাত্ৰ সন্থা আৰু ৰাভা মহিলা পৰিষদ চতুৰ্দশ দ্বি-বাৰ্ষিক অধিৱেশন আৰু জিলা ষষ্ঠ অনুসূচী দাবী সমিতিৰ সপ্তম ত্ৰি-বাৰ্ষিক অধিৱেশনৰ মুকলি সভাত আজি বিশিষ্ট অতিথি হিচাপে উপস্থিত থকা সাংসদগৰাকীয়ে এইদৰে মতপোষণ কৰে । তেওঁ লগতে কয় যে, অসমৰ অন্যান্য সমস্যাসমূহৰ ভিতৰত অন্যতম গুৰুত্বপূৰ্ণ সমস্যা হৈছে আগ্ৰাসন। এই আগ্ৰাসনে অসমৰ ভূমি, কৃষ্টি, সংস্কৃতিৰ ওপৰত বিৰূপ প্ৰভাৱ পেলাই আহিছে। গতিকে এই আগ্ৰাসনে অধিক শক্তিশালী হোৱাৰ পূৰ্বেই আমি ইয়াক নাশ কৰিব লাগিব। সভাত নিৰ্দিষ্ট বক্তা হিচাপে উপস্থিত থকা নিখিল ৰাভা ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদক ড০ সুভাষ ৰাভাই কয় যে ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্তিৰে এখন শক্তিশালী ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদ গঠন কৰিবলৈ চৰকাৰৰ ওচৰত দাবী তুলিবলৈ আমি সকলো ৰাভা হাছংবাসী ৰাইজ এক হ'ব লাগিব। বৰ্তমানৰ তুলনাত ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদীয় এলেকাত উন্নয়ন ধাৰা অধিক খৰতকীয়া কৰি তুলিবলৈ আমাক এখন শক্তিশালী স্বায়ত্তশাসিত পৰিষদৰ দৰকাৰ। পৰিষদীয় এলেকাৰ শৈক্ষিক, সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰ সুৰক্ষা কৰিবলৈ হ' লে আমাক এখন শক্তিশালী পৰিষদ লাগিবই। সেয়ে পৰিষদীয় এলেকাৰ প্ৰতিটো জাতি জনজাতিৰ লোকে ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদখন ভাৰতীয় সংবিধানৰ ষষ্ঠ অনুসূচীত অন্তৰ্ভুক্ত কৰিবলৈ দাবী তুলিব লাগে। সভাত নিখিল ৰাভা ছাত্ৰ সন্থা, নিখিল ৰাভা মহিলা পৰিষদ, ষষ্ঠ অনুসূচী দাবী সমিতিৰ কেন্দ্ৰীয় সমিতিৰ বিষয়ববীয়াৰ লগতে, গোৱালপাৰা জিলাৰ প্ৰায় প্ৰতিটো জনগোষ্ঠীয় সংগঠনৰ বিষয়ববীয়াসকল উপস্থিত থাকে। সকলোৱে ভাষন প্ৰসংগ ৰাভা হাছং স্বায়ত্তশাসিত পৰিষদৰ সৰ্বাংগীন উন্নয়নৰ বাবে এক হৈ খোজত খোজ মিলাই যোৱাৰ মত পোষণ কৰে। তিনিওটা সংগঠনৰ অধিৱেশনৰ আজি অন্তিম দিনটোত পুৱা এক বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। সাংস্কৃতিক শোভাযাত্ৰাৰ পিছতে সাংস্কৃতিক প্ৰতিযোগিতাৰ পুৰস্কাৰ বিতৰণ কৰা হয়। দুপৰীয়া এক বজাত তিনিওটা সংগঠনৰ সভাপতিত্বত মুকলি সভা অনুষ্ঠিত হয়।

# পঞ্চায়ত নিৰ্বাচনৰ বাবে মৰিগাঁও জিলাত তিনিগৰাকী সাধাৰণ পৰ্যবেক্ষক

**ই-সংবাদ, লাহৰীঘাট ১১ এপ্ৰিলঃ** ৰাজ্যিক নিৰ্বাচন আয়োগে সমাগত পঞ্চায়ত নিৰ্বাচন মুক্ত, স্বচ্ছ আৰু সুচাৰুৰূপে অনুষ্ঠিত কৰাটো সুনিশ্চিত কৰাৰ বাবে মৰিগাঁও জিলাত তিনিগৰাকী সাধাৰণ পৰ্যবেক্ষক নিযুক্তি দিছে। আজি অসম অসামৰিক সেৱাৰ বিষয়া উদয়াদিত্য গগৈয়ে মৰিগাঁৱত সাধাৰণ পৰ্যবেক্ষক হিচাপে যোগদান কৰে। পৰ্যবেক্ষকগৰাকী মৰিগাঁৱত উপস্থিত হৈয়ে জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত জিলা আয়ুক্ত দেৱাশীষ শৰ্মা আৰু নিৰ্বাচনৰ বাবে গঠন কৰা প্ৰতিটো কোষৰ মুৰব্বীসকলৰ সৈতে আলোচনাত মিলিত হয়। তেওঁ কোষসমূহৰ কাম-কাজৰ সবিশেষ বুজ লয়। জনসাধাৰণে মৰিগাঁও বিধানসভাসমষ্টি এলেকাত পঞ্চায়ত নিৰ্বাচন সংক্ৰান্তীয় বিষয়, নিৰ্বাচনৰ আৰ্হি আচৰণ বিধি, প্ৰাৰ্থীৰ নিৰ্বাচনী ব্যয় ইত্যাদি বিষয়ত পৰ্যবেক্ষকগৰাকীক অভিযোগ তথা ওজৰ আপত্তি দাখিল কৰিব পাৰিব। তাৰ বাবে প্ৰয়োজনীয় ফোন নম্বৰটো হৈছে ৯৪৩৫০৪৩৩৮৯ । আনহাতে, আজি লাহৰীঘাট সমজিলাতো সাধাৰণ পৰ্যবেক্ষক উপস্থিত হৈছেহি। সমজিলাখনত অসম অসামৰিক সেৱাৰ বিষয়া সুষমা হাজৰিকাই সাধাৰণ পৰ্যবেক্ষক হিচাপে যোগদান কৰিছে। তেওঁ আজি লাহৰিঘাট সমজিলা কাৰ্যালয়ত সমজিলা আয়ুক্ত প্ৰাঞ্জল বৰুৱা আৰু বিভিন্ন কোষৰ মুৰব্বীসকলৰ সৈতে নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়। তেওঁক যিকোনো নিৰ্বাচন সংক্ৰান্তীয় অভিযোগ দাখিলৰ বাবে যোগাযোগৰ নম্বৰ হ'ল ৯৪০১০৮৮৩১২ । জাগীৰোড সমজিলাতো আজি অসম অসামৰিক সেৱাৰ বিষয়া সুস্বপ্না কাকতিয়ে সাধাৰণ পৰ্যবেক্ষক হিচাপে যোগদান কৰিছে। তেওঁ সমজিলাখনত উপস্থিত হৈয়ে আজি বিভিন্ন কোষৰ কাম-কাজৰ বুজ লয়। নিৰ্বাচন সংক্ৰান্তীয় অভিযোগ দাখিলৰ বাবে যোগাযোগৰ নম্বৰ হ'ল ৯৮৬৪১৮১৪৬৩ ।

## কলগাছিয়াত গাঁও পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীৰ মনোনয়ন দাখিল

**ই-সংবাদ, কলগাছিয়া, ১১ এপ্ৰিলঃ** অসমত দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব পঞ্চায়ত নিৰ্বাচন। সেয়ে কলগাছিয়া উন্নয়ন খণ্ডৰ কাৰ্যালয়ত শুকুৰবাৰে পুৱাৰে পৰাই গাঁও পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰে। লক্ষণীয় বিষয় হ'ল প্ৰাৰ্থীসকলৰ শিক্ষাগত অৰ্হতা ধৰি দিয়াৰ ফলত প্ৰায় ৯০ শতাংশ নতুন মুখৰ প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰা পৰিলক্ষিত হৈছে। আনহাতে, ২২ নং মন্দিয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তসমূহৰ প্ৰাৰ্থীসকলেও বৰপেটাত মনোনয়ন দাখিল কৰিছে। জানিব পৰা মতে, বৰপেটা ৰোডত অনুষ্ঠিত হোৱা কংগ্ৰেছৰ এক গোপন বৈঠকত সাংসদ ৰকিবুল হুছেইন, প্ৰদেশ কংগ্ৰেছৰ উপ-সভাপতি জাকিৰ হুছেইন শিকদাৰ, প্ৰাক্তন সাংসদ আব্দুল খালেক আৰু জিলা কংগ্ৰেছৰ নেতৃত্বই বাছনি কৰি দিয়া কংগ্ৰেছ দলৰ প্ৰাৰ্থীসকলে মনোনয়ন দাখিল কৰে। ইয়াৰে ৮ নং কলগাছিয়া জিলা পৰিষদ সমষ্টিৰ পৰা কংগ্ৰেছ দলৰ প্ৰাৰ্থিত্ব লাভ কৰিছে প্ৰাক্তন বিধায়ক প্ৰয়াত সেখ এচাহক আলীৰ ভতিজা ময়নুল হকে। ৯ নং বৰভিঠা-চতলা জিলা পৰিষদত কংগ্ৰেছৰ টিকট লাভ কৰিছে মইনবৰী সমবায় সমিতিৰ প্ৰাক্তন সভাপতি আবুল কালাম আজাদ। সেইদৰে ১০ নং জনীয়া জিলা পৰিষদত মনিয়াৰা পাৰবীন আৰু ১১ নং সত্ৰকণৰা জিলা পৰিষদ সমষ্টিত কংগ্ৰেছৰ প্ৰাৰ্থিত্ব লাভ কৰি মনোনয়ন দাখিল কৰিছে উপাতন নেছা। একেদৰে এ আই ইউ ডি এফ দলৰ প্ৰাৰ্থিত্ব লাভ কৰি মনোনয়ন দাখিল কৰিছে কলগাছিয়া জিলা পৰিষদত প্ৰাক্তন জিলা পৰিষদ সদস্য খন্দকাৰ জাকিৰ হুছেইন, জনীয়াত মীৰ জুব্বাৰৰ পত্নী ৰুমি পাৰবিন, বৰভিঠা-চতলাত ছুফিয়া খাতুনৰ লগতে জিলাখনৰ পল্লা জিলা পৰিষদত ফাতিমা আৰাবী, কালদিয়া জিলা পৰিষদত মোতালেব আলী, পহুমৰা জিলা পৰিষদত ৰুণা পাৰবীন, খোলা বান্ধা জিলা পৰিষদত মফিদা আহমেদ, বাঘমাৰা জিলা পৰিষদত কহিনুৰ বেগম, সত্ৰকণৰা জিলা পৰিষদত ইন্দিৰা খাতুন আৰু বগৰীগুৰী জিলা পৰিষদত জাহিদা খাতুনে প্ৰাৰ্থিত্ব লাভ কৰি মনোনয়ন দাখিল কৰিছে। ইফালে, বিজেপি দলৰ প্ৰাৰ্থিত্ব লাভ কৰিছে কলগাছিয়া জিলা পৰিষদত ফাহমিদা খান আৰু জনীয়াত ছেমিনা খানে।

## মেট্ৰিকত ৯৩ শতাংশ নম্বৰ লাভেৰে উজ্জ্বলিল চকলাঘাটৰ মেঘ ময়ুখ

**ই-সংবাদ, বেৰেজীয়া, ১১ এপ্ৰিলঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ শুকুৰবাৰে ঘোষিত ফলাফলত উজ্বলি উঠিল নগাঁও জিলাৰ হাতীচোং মৌজাৰ অন্তৰ্গত চকলাঘাটৰ মেধাবী ছাত্ৰ মেঘ ময়ুখ হাজৰিকা । চকলাঘাটৰ প্ৰদীপ হাজৰিকা আৰু প্ৰণামিকা মুদৈ হাজৰিকাৰ পুত্ৰ মেঘ ময়ুখে ঘোষিত ফলাফলত আটাইকেইটা বিষয়তে লেটাৰ নম্বৰসহ সৰ্বমুঠ ৬০০ নম্বৰৰ ভিতৰত ৫৫৮ নম্বৰ পাই ডিষ্টিংশ্যন লাভ কৰিবলৈ সক্ষম হৈছে । ছাত্ৰজনে লাভ কৰা নম্বৰৰ শতকৰা হাৰ ৯৩ শতাংশ । জিলাখনৰ বেৰেজীয়াৰ সমীপৰ বাংঠাইগাঁওস্থিত ব্যক্তি খণ্ডৰ শিক্ষানুষ্ঠান চেইন্ট জাষ্টিন স্কুলৰ পৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰজনে ঐচ্ছিক গণিতত ৰাজ্যৰ ভিতৰত সৰ্ব্বোচ্চ ১০০ নম্বৰ লাভ কৰাৰ বিপৰীতে সাধাৰণ গণিতত ৯৮, সাধাৰণ বিজ্ঞানত ৯৫, ইংৰাজীত ৯৪, সমাজ বিজ্ঞানত ৮৮ আৰু অসমীয়াত ৮৩ নম্বৰ পাই এনে সফলতা লাভেৰে বৃহত্তৰ চকলাঘাট অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে । ভৱিষ্যতে এজন সু-চিকিৎসক হোৱাৰ মন মেলা মেধাৱী ছাত্ৰজনে ইতিমধ্যে নগাঁও চহৰৰ আগশাৰীৰ শিক্ষানুষ্ঠান ৰামানুজন জুনিয়ৰ কলেজত বিজ্ঞান শাখাত নামভৰ্তি কৰিছে । মেঘ ময়ুখৰ এনে ঈষণীয় সফলতাই স্থানীয় অঞ্চলবাসীক উৎফুল্লিত কৰি তোলাৰ বিপৰীতে সকলোয়ে উজ্বল ভৱিষ্যতৰ কামনাৰে তেওঁলৈ শুভেচ্ছা জনাইছে ।

## সহস্ৰাধিক সমৰ্থক লৈ মিত্ৰজোঁটৰ প্ৰাৰ্থী জুন্টি মিলি পায়েঙৰ মনোনয়ন

**ই-সংবাদ বিশেষ, মাজুলী, ১১ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ বাবে সমগ্ৰ মাজুলীত ৰাজনৈতিক দলসমূহে ব্যাপক তৎপৰতা অৱলম্বন কৰিছে। ভাৰতীয় জনতা পাৰ্টিৰ মিত্ৰজোঁটৰ তৎপৰতাৰ সমান্তৰালকৈ বিৰোধী জাতীয় কংগ্ৰেছ দলেও ব্যাপক প্ৰস্তুতি চলাইছে। আজি নামনি মাজুলী জিলা পৰিষদৰ মিত্ৰ জোঁটৰ প্ৰাৰ্থী জুন্টি মিলি পায়েঙে সহস্ৰাধিক সমৰ্থকসহ মনোনয়ন পত্ৰ দাখিল কৰে। ভাৰতীয় জনতা পাৰ্টীৰ মাজুলী জিলাৰ মহিলা মৰ্চাৰ প্ৰাক্তন সভানেত্ৰী, মহিলা মৰ্চাৰ ৰাজ্যিক সমিতিৰ প্ৰাক্তন সদস্যা জুন্টি মিলি পায়েঙে আজি পুৱা দহ বজাত তেওঁৰ ২ নং বৰগঞাৰ বাসগৃহৰ পৰা সহস্ৰাধিক সমৰ্থকক লৈ সমদল কৰি মাজুলী জিলাৰ নিৰ্বাচনী কাৰ্যালয়লৈ যায় আৰু নিৰ্বাচনী বিষয়াৰ হাতত মনোনয়ন দাখিল কৰে। উল্লেখ্য যে জুন্টি মিলি পায়েঙে ২০১১ চনৰ পৰাই ভাৰতীয় জনতা পাৰ্টিৰ তৃণমূল কৰ্মী হিচাপে দললৈ সেৱা আগবঢ়াই আছে। ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা নিৰ্বাচনী সমিতিয়ে জুন্টি মিলি পায়েঙক মিত্ৰজোঁটৰ প্ৰাৰ্থী হিচাপে মনোনীত কৰাত মিত্ৰজোঁটৰ মাজত ব্যাপক উৎসাহ পৰিলক্ষিত হৈছে। নামনি মাজুলী জিলা পৰিষদৰ ভাৰতীয় জাতীয় কংগ্ৰেছৰ প্ৰাৰ্থী হিচাপে জ্যেষ্ঠ কংগ্ৰেছ নেত্ৰী দিপালী পাটিৰে কালি মনোনয়ন পত্ৰ দাখিল কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।



নাজিৰাত বৰদৈচিলাৰ তাণ্ডৱ, ফটোঃ ই-সংবাদ, নাজিৰা

# পৰ্বতঝোৰাৰ বগৰীবাৰী শংকৰ আজান আদৰ্শ বিদ্যালয় আৰু ষ্টাৰ ইংলিছ স্কুলৰ এশ শতাংশ শিক্ষাৰ্থী প্ৰথম বিভাগত উত্তীৰ্ণ

**ই-সংবাদ, পৰ্বতঝোৰা, ১১ এপ্ৰিলঃ** আজি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ঘোষিত ফলাফলত সমগ্ৰ ৰাজ্যৰ শৈক্ষিক সমাজ উৎফুল্লিত হৈ থকাৰ সময়তে কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা শিক্ষা খণ্ডৰ অন্তৰ্গত বগৰীবাৰী অঞ্চলত থকা শংকৰ আজান আদৰ্শ বিদ্যালয় আৰু ষ্টাৰ ইংলিছ স্কুলৰ পৰা এশ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ সুনাম কঢ়িয়াই আনিছে। উল্লেখ্য যে বগৰীবাৰীত থকা ষ্টাৰ ইংলিছ বিদ্যালয়খনৰ পৰা প্ৰতি বছৰৰ দৰে এইবেলি মুঠ ১৮ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে এজন ছাত্ৰীয়ে ডিষ্টিংচন নম্বৰ, কেইবাজনে ষ্টাৰ নম্বৰসহ মুঠ ১৮ জনে প্ৰথম বিভাগত উত্তীৰ্ণ হৈ বিদ্যালয়খনলৈ সুনাম কঢ়িয়াই আনে। এইবেলি পৰীক্ষাত বিদ্যালয়খনৰ পৰা সৰ্বচ্চ নম্বৰলৈ সফলতা অৰ্জন কৰা নাফিছা মালিয়াত বেগমে পাঁচটা বিষয়ত লেটাৰ নম্বৰ লৈ ডিষ্টিংচনসহ ৫১৫ নম্বৰ লাভ কৰি বিদ্যালয়লৈ সুনাম কঢ়িয়াই আনে। আজি বিদ্যালয়খনৰ এনে জয় যাত্ৰাই সকলোৰে প্ৰশংসা বুটলিবলৈ সক্ষম হয়। একেদৰে বগৰীবাৰী উচ্চ মাধ্যমিক বিদ্যালয় পৰীক্ষা কেন্দ্ৰৰ পৰা এইবেলি ৪০৪ গৰাকী ছাত্ৰ-ছাত্ৰী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে দুজনে ডিষ্টিংচন,৭২ জনে প্ৰথম বিভাগ, ১৯৫জনে দ্বিতীয় বিভাগ, ৫৮ জনে তৃতীয় বিভাগত উৰ্ত্তীৰ্ণ হয় বুলি বিদ্যালয়খনৰ প্ৰধান শিক্ষক আব্দুৰ ৰেজ্জাক সেখে জানিবলৈ দিয়ে। এইবেলি বিদ্যালয়খনৰ কেন্দ্ৰ পৰা ৮০.৪৪ শতাংশ উৰ্ত্তীণ হয়। আনহাতে, পৰ্বতঝোৰাৰ জালাবিলা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১০২ গৰাকী ছাত্ৰ-ছাত্ৰী ভিতৰত ৫৪ জনে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰে প্ৰথম বিভাগত ৬ জন, দ্বিতীয় বিভাগত ২৮ জন আৰু তৃতীয় বিভাগত ২০ গৰাকী ছাত্ৰ-ছাত্ৰী সফলতাৰে উৰ্ত্তীণ হোৱা বুলি জালা বিলা হাইস্কুল কৰ্তৃপক্ষই সাংবাদিকক জানিবলৈ দিয়ে এন এ আহমেদৰ আদালতে।

# গোলকগঞ্জত আত্মসমৰ্পণ নাবালিকা অপহৰণকাৰীৰ

**ই-সংবাদ, গোলকগঞ্জ, ১১ এপ্ৰিলঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিচনদৈ দ্বিতীয় খণ্ড গাঁৱৰ পৰা যোৱা দুই এপ্ৰিলত এগৰাকী হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ছাত্ৰীক অপহৰণ কৰা অপহৰণকাৰী অৱশেষত আজি গোলকগঞ্জ থানাত আত্মসমৰ্পণ কৰা ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, প্ৰতাপগঞ্জৰ বৰুণডাঙা গাঁৱৰ জব্বাৰ আলীৰ পুত্ৰ ছফিয়ৰ আলী দুই এপ্ৰিলৰ নিশা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা ছাত্ৰীগৰাকীক প্ৰেমৰ ছলনাৰে মাতিনি অপহৰণ কৰে। এই সন্দৰ্ভত পিছদিনাই পৰিয়ালৰ লোকে গোলকগঞ্জ থানাত এজাহাৰ দাখিল কৰে। পুত্ৰক অপহৰণ কাৰ্যত সহায় কৰাৰ অপৰাধত সাত এপ্ৰিলত পিতৃ জব্বাৰ আলীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰি জে'ললৈ প্ৰেৰণ কৰে। ইয়াৰ পিছতেই অপহৃতাক বিচাৰি আৰক্ষী অভিযান তীব্ৰতৰ কৰি তোলে। উপায় নাপাই আজি অপহৰণকাৰী ছফিয়ৰে অভয়াপুৰী দেওহাটীৰ পৰা আহি গোলকগঞ্জ থানাত আত্মসমৰ্পণ কৰে।

# বটদ্ৰৱাৰ বাতৰি কাকত বিতৰক সন্তোষ ঠাকুৰৰ মৃত্যু

**ই-সংবাদ, বেবেজীয়া, ১১ এপ্ৰিলঃ** নগাঁও জিলাৰ বটদ্ৰৱা শান্তিজান বজাৰৰ সন্মুখত চেলুন ব্যৱসায় কৰি জীৱন নিৰ্বাহ কৰা সৰবৰহী যুৱক সন্তোষ ঠাকুৰৰ বৃহস্পতিবাৰে নিশা জীৱনাৱসান ঘটে। অতি সৰল মনৰ, মৃদুভাষী আৰু অমায়িক স্বভাৱৰ যুৱকজনৰ এনে অকাল মৃত্যুত বৃহত্তৰ বটদ্ৰৱা অঞ্চলত শোকৰ ছাঁ পৰিছে। মৃত্যুৰ সময়ত তেওঁ পত্নী, দুটি কণমানি পুত্ৰ, পিতৃ,মাতৃ, ভাতৃসহ বহু আত্মীয়-স্বজনক ইহ সংসাৰত এৰি থৈ যায়। বিগত কিছুদিন ধৰি সন্তোষ ঠাকুৰে চেলুন ব্যৱসায়ৰ সমান্তৰালভাৱে পুৱা বটদ্ৰৱা অঞ্চলত বাতৰি কাকতৰ বিতৰকৰ কামত নিয়োজিত হৈছিল।

# অভয়াপুৰীৰ হৰিপুৰত ৰঙালী বিহুৰ ৰূপালী জয়ন্তী

**ই-সংবাদ, অভয়াপুৰী, ১১ এপ্ৰিলঃ** বঙাইগাঁও জিলাৰ অভয়াপুৰীৰ নিকটৱৰ্তী হৰিপুৰ ৰঙালী বিহু সন্মিলনীয়ে ৰূপালী জয়ন্তী বৰ্ষ হিচাপে ৰঙালী বিহু উদযাপনৰ প্ৰস্তুতি চলাইছে। এই উপলক্ষে জয়ন্ত কুমাৰ দাসক সভাপতি, নয়ন দাসক উপ-সভাপতি, ধনঞ্জয় কলিতাক সাধাৰণ সম্পাদক আৰু সঞ্জিত ৰায়, মৃদুল দাসক সহকাৰী সম্পাদক হিচাপে লৈ গঠন কৰা উদযাপন সমিতিয়ে ১, ২ আৰু ৯ ব'হাগত তিনিদিনীয়া কাৰ্যসূচী গ্ৰহণ কৰিছে। সেই অনুসৰি পহিলা ব'হাগৰ পুৱা ৯ বজাত বন্তি প্ৰজ্বলন, ৯.৩০ বজাত পতাকা উত্তোলনৰ পাছতে অনুষ্ঠিত কৰিব খেল-ধেমালি প্ৰতিযোগিতা। ২ ব'হাগৰ সন্ধিয়া মুকলি বিহু প্ৰতিযোগিতা অনুষ্ঠিত কৰাৰ লগতে অন্তিম দিনা ৯ ব'হাগৰ সাংস্কৃতিক মঞ্চ উদ্বোধনৰ পাছতে বাৰেৰহণীয়া সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰিছে। উক্ত সাংস্কৃতিক অনুষ্ঠানত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী বিপিন চাউদাঙৰ উপৰি কেবাগৰাকী জনপ্ৰিয় কণ্ঠশিল্পীয়ে গীত-মাতৰ অনুষ্ঠান পৰিৱেশন কৰিব।

# ৯৪.১৭ শতাংশ নম্বৰেৰে উজলিল খাৰুপেটীয়াৰ মেধাৱী ছাত্ৰ আতিফ বখতিয়াৰ

**ই-সংবাদ, খাৰুপেটীয়া, ১১ এপ্ৰিলঃ** খাৰুপেটীয়াত টিউছন নোলোৱাকৈ মাক দেউতাকৰ তত্বাৱধানত আতিফ বখতিয়াৰে ডিষ্টিংছন সহ ৯৪.১৭ শতাংশ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। আতিফে উচ্চ গণিত বিষয়ত ১০০ আৰু সাধাৰণ গনিত বিষয়ত ৯৯ নম্বৰ লাভ কৰে। তেওঁ দৰং জিলাৰ খাৰুপেটীয়াৰ বলোগড়া নিবাসী শিক্ষক আফজাল হুছেইন আৰু শিক্ষয়িত্ৰী জাহানাৰা বেগমৰ পুত্ৰ। আতিফে সৰ্বমুঠ ৫৬৫ নম্বৰ লাভ কৰে। তেওঁ মঙলদৈ ডন বস্ক' স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইফালে খাৰুপেটীয়াত সামগ্ৰিকভাৱে চৰকাৰী-বেচৰকাৰী খণ্ডৰ বিদ্যালয় সমূহত ফলাফল সন্তোষজনক নহয় যদিও খাৰুপেটীয়াৰ মৰ্ণিং ষ্টাৰ ইংলিশ স্কুলৰ ওৱাছবিৰ হুছেইনে ৯২.৩৩ শতাংশ নম্বৰ লাভ কৰে আৰু প্ৰাইম ইনষ্টিটিউট স্কুলৰ পৰা ছাজুৰ মহিম আহমেদে ডিষ্টিংছন সহ ৯১.৫ % , দৰং জাতীয় বিদ্যালয়ৰ পৰা পুৰ্ণিমা বেগম ৮৯% , চেলিমুদ্দীনে ৮৩% আৰু মৰ্ণিং ষ্টাৰ হায়েৰ চেকেণ্ডেৰী স্কুলৰ পৰা আনিছা চুলতানা ৮৬.১৭% , ইয়াশ্বিকা সাহা ৮৫%, জেহান আহমেদ ৮৫.৩৩ % , আৰু খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা আবু বক্কৰ চিদ্দিকে ডিষ্টিংশ্যনসহ ৮৬.৫৫ % নম্বৰ লাভ কৰি খাৰুপেটীয়ালৈ গৌৰৱ কঢ়িয়াই আনে। ইয়াৰে চৰকাৰী খণ্ডৰ খাৰুপেটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ফলাফলত উত্তীৰ্ণৰ হাৰ অতি নিম্ন মানৰ হৈছে। বিদ্যালয়খনৰ ২০৯ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল যদিও ৫৫% শতাংশ পৰীক্ষাৰ্থীয়ে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। বিদ্যালয়খনৰ ফলাফলে অঞ্চলটোৰ অভিভাৱক আৰু সৰ্বসাধাৰণ ৰাইজক উদ্বিগ্ন কৰি তুলিছে।

# ৰঙিয়াত দুৰ্ঘটনাত পতিত বহিঃৰাজ্যৰ যাত্ৰীবাহী বাছ

**ই-সংবাদ, ৰঙিয়া,১১এপ্ৰিলঃ** ৰঙিয়াৰ উদিয়ানাত বহিঃৰাজ্যৰ পৰা অহা যাত্ৰীবাহী বাছ এখন যোৱা নিশা দুৰ্ঘটনা গ্ৰস্ত হয়।২৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰে গুৱাহাটী অভিমুখে অতিক্ৰম কৰাৰ সময়তে ৰঙিয়াৰ উদিয়ানাত নিয়ন্ত্ৰণ হেৰুৱাই পথৰ ডিভাইদাৰেৰে গতি কৰে যাত্ৰীবাহী বাছখন । বেংগালুৰুৰ পৰা অহা AS 01 SC 8209 নম্বৰৰ বাছখনৰ দুৰ্ঘটনাটোৰ ফলত ডিভাইদাৰৰ ওপৰত থকা গছবোৰ এফালৰ পৰা মহতিয়াই নিয়াৰ ফলত ব্যাপক ক্ষতিসাধন হয় বাছখনৰ । ইফালে উক্ত অনাকাংক্ষিত ঘটনাৰ চিকাৰ হৈ আতংকিত হৈ পৰে বাছখনৰ ভিতৰত থকা যাত্ৰীসকলৰ লগতে স্থানীয় লোকসকল । অৱশেষত বাছৰ চালকজনে প্ৰায় ২০০ মিটাৰ ডিভাইদাৰেৰে অতিক্ৰম কৰি নলবাৰী অভিমুখী পথত বাছখন ৰখাবলৈ সক্ষম হয় যদি পুণৰ আন এখন ডাম্পাৰত খুন্দা মাৰে । দুৰ্ঘটনাটোৰ ফলত বাছখনৰ ভিতৰত থকা শিশু, মহিলা সহ কেইবাজনো যাত্ৰী গুৰুতৰভাৱে আহত হয় । পিছত ঘটনাস্থলীত আৰক্ষী উপস্থিত হৈ গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত লোকসকলক ততাতৈয়াকৈ উদ্ধাৰ কৰি চিকিৎসালয়ত ভৰ্তি কৰায় । ইফালে দুৰ্ঘটনাটোৰ সুযোগ বুজি কোনো দুৰ্বৃত্তই কেবা গৰাকী যাত্ৰীৰ মোবাইল ফোন চুৰি কৰে । উল্লেখ্য যে বাছখন চলাই থাকোতে হঠাৎ চালকজনৰ টোপনী অহাৰ ফলতে দুৰ্ঘটনাটো সংঘটিত হয় বুলি জানিবলৈ দিয়ে চালকজনে ।

## ৰঙিয়াত জিলা পৰিষদ-আঞ্চলিক পঞ্চায়তৰ সদস্য পদৰ প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ দাখিল

**ই-সংবাদ, ৰঙিয়া,১১ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ প্ৰাৰ্থীত্ব কেন্দ্ৰিক উৎকণ্ঠাৰ অৱসান ঘটাই পাণ্ডুৰী জিলা পৰিষদৰ সদস্য পদৰ বাবে বিজেপি দলৰ প্ৰক্ষেপিত প্ৰাৰ্থী হিচাপে আজি নিপন ভূঞাই মনোনয়ন পত্ৰ দাখিল কৰে । গুৱাহাটীৰ বাজপেয়ী ভৱনত অনুষ্ঠিত দলীয় বৈঠকৰ অন্তত পাণ্ডুৰী জিলা পৰিষদৰ প্ৰাৰ্থীৰূপে নিপন ভূঞাৰ টিকট চূড়ান্ত কৰাৰ সংবাদ লাভ কৰাৰ পিছতে মঙলবাৰে সমৰ্থক তথা অনুৰাগী সকলে তৰণীস্থিত বাসগৃহত ভিৰ কৰা পৰিলক্ষিত হয় । দীৰ্ঘদিন ধৰি ৰাজনৈতিক তথা সামাজিক ক্ষেত্ৰত সক্ৰিয়ভাৱে জড়িত হৈ অহা নিপন ভূঞাৰ বাসগৃহত উপস্থিত হৈ সমৰ্থক তথা শুভাকাংক্ষী সকলে শুভেচ্ছা জ্ঞাপন কৰি আহিছে । ইফালে আজি দিনৰ ভাগত স্থানীয় বিধায়ক ভবেশ কলিতা সমন্বিতে দলীয় নেতৃবৃন্দ তথা সমৰ্থকসহ ৰঙিয়া সমজিলা আয়ুক্ত কাৰ্যালয়ত উপস্থিত হৈ মনোনয়ন পত্ৰ দাখিল কৰে নিপন ভূঞাই । ৰাইজৰ আশিষ শিৰোধাৰ্য কৰি এই মনোনয়নৰ জৰিয়তে বৃহত্তৰ পাণ্ডুৰী অঞ্চলত বিজেপি দলৰ পূৰ্বৰ আধিপত্য অক্ষুন্ন ৰাখিবলৈ সক্ষম হব বুলি আশা প্ৰকাশ কৰে নিপন ভূঞাই ।একেদৰে বিজেপি দলৰ প্ৰক্ষেপিত পুৱপাৰ জিলা পৰিষদৰ কুমুদ কাকতী , হৰদত্ত-বীৰদত্ত জিলা পৰিষদৰ মনালিছা কলিতা,বড়িগোগ জিলা পৰিষদৰ প্ৰাৰ্থী গীতিকা দাসেও মনোনয়ন পত্ৰ দাখিল কৰে । তেনেদৰে পুৱপাৰ জিলা পৰিষদৰ চিপিআই এম দলৰ মনোনীত প্ৰাৰ্থী বীৰেন্দ্ৰ নাথ শৰ্মাইও মনোনয়ন পত্ৰ দাখিল কৰাৰ বাতৰি পোৱা গৈছে



## এই ফলাফলে লাহোৱালত ভাল ভাল নাগৰিক সৃষ্টি কৰিবঃ ডঃ শ্বাহ

# লাহোৱালৰ এছ.কে.এছ ইংলিছ একাডেমিত উছৱমুখৰ পৰিৱেশ

**ই সংবাদ, চাবুৱা-লাহোৱাল, ১১ এপ্ৰিলঃ** আজি ঘোষিত মেট্ৰিক পৰীক্ষাৰ ফলাফলত ডিব্ৰুগড় জিলাৰ লাহোৱালৰ আগশাৰীৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান এছ.কে.এছ ইংলিছ একাডেমি উজ্বলি উঠিছে। এইবাৰ পৰীক্ষাত বহা সকলো পৰিক্ষাৰ্থীয়ে সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। এছ.কে.এছ ইংলিছ অকাডেমিৰ পৰা ২৭গৰাকী পৰীক্ষাৰ্থীয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। ইয়াৰে এগৰাকী শিক্ষাৰ্থীয়ে ডিষ্টিংচন, ৭গৰাকীয়ে ষ্টাৰ মাৰ্ক লৈ উত্তীৰ্ণ হোৱাৰ লগতে ১৭গৰাকীয়ে প্ৰথম বিভাগত আৰু দুগৰাকী দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। এছ.কে.এছ ইংলিছ অকাডেমিৰ পৰিক্ষাৰ্থীসকলে উন্নত ফলাফল প্ৰদৰ্শন কৰাৰ খবৰ লাভ কৰাৰ পিছতে বিদ্যালয়খনত উছৱমুখৰ পৰিৱেশৰ সৃষ্টি হয়। ফলাফল পোৱাৰ পিছতে বিদ্যালয়খনত উপস্থিত হয় উত্তীৰ্ণ পৰীক্ষাৰ্থীসকল। তাৰ পিছতে বৰ্তমানৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলে শ্ৰেণীকোঠাৰ পৰা ওলাই আহি পৰীক্ষাৰ্থীসকলক আদৰণি জনায়। নাচি-বাগি আনন্দ-উল্লাস প্ৰকাশ কৰা দেখা যায়। এছ.কে.এছ ইংলিছ অকাডেমি জিন্দাবাদ ধ্বনি দি ছাত্ৰ-ছাত্ৰীসকলক আৱেগিক হোৱা দেখা যায়। একাডেমিৰ পৰিক্ষাৰ্থী অনন্যা শ্বাহাই ডিষ্টিংচন লৈ উত্তীৰ্ণ হৈছে। ষ্টাৰ মাৰ্ক লৈ উত্তীৰ্ণ কুকি গগৈ, ভৈৰৱী চেতিয়া, ৰশ্মি কুমাৰ, ৰিয়া গগৈ, সঞ্জীৱ ধানোৱাৰ, কল্পনা তেলী, অভিৰাজ চাহুৰে। প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে যুৱৰাজ হাজৰিকা, ইণ্ডিয়া ৰাণী মেচ, পৰিস্মিতা মেচ, সুৰজ ওৰাং, দেৱাশীষ দাস, ইন্দ্ৰাণী দত্ত, গৰিমা শইকীয়া, পূৰৱ গগৈ, প্ৰত্যুষ হাজৰিকা, বিকাশ ধানোৱাৰ, ভাস্কৰ হাজৰিকা, পাৰ্থ প্ৰতীম হাজৰিকা, দেৱ যোশী, বিপান্স গগৈ, দ্বিপৰাজ গগৈ, কপিল গোহাঁই, ধনেশ্বৰ ক'লে প্ৰথম বিভাগত উত্তীৰ্ণ হৈছে। চিন্ময় গগৈ আৰু উন্মেষা বৰ্মানে দ্বিতীয় স্থান লাভ কৰিছে। বিদ্যালয়খনত প্ৰথমবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল। প্ৰথমবাৰতে উন্নত ফলাফল কৰিববলৈ সক্ষম হোৱাত বিদ্যালয়খনত উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। হাইস্কুল শিক্ষান্ত পৰীক্ষাত বৃহত্তৰ লাহোৱাল অঞ্চললৈ গৌৰৱ কঢ়িয়াই আনিছে এছ.কে.এছ ইংলিছ একাডেমিয়ে। ছাত্ৰৰ সামগ্ৰিক বিকাশ সাধনৰ বাবে এছ.কে.এছ ইংলিছ অকাডেমিয়ে গুৰুত্ব প্ৰদান কৰি আহিছে। ছাত্ৰ-ছাত্ৰীসকলৰ স্বকীয় পাৰদৰ্শিতা অনুসৰি শিক্ষাৰ্থীয়ে শিক্ষণ পাঠ্যক্ৰম ৰূপায়ন কৰা বুলি জানিব পৰা যায়। অকাডেমিয়ে সময়ে সময়ে একাংশ দৰিদ্ৰ ঘৰৰ ছাত্ৰ-ছাত্ৰীক বিনামূলীয়াকৈ শিক্ষা প্ৰদান কৰে। বিদ্যালয়খন প্ৰতিষ্ঠাপক তথা বিশিষ্ট শিক্ষাবিদ ডঃ দয়ানন্দ শ্বাহে কয় যে আমাৰ শিক্ষানুষ্ঠান গঢ় দিয়াৰ প্ৰকৃত উদ্দেশ্যেই আছিল পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীক প্ৰকৃত শিক্ষা দিয়া। লাহোৱালৰ দৰে পিছপৰা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে আজি প্ৰমাণ কৰিছে যে লাহোৱালৰ ছাত্ৰ-ছাত্ৰী আৰু পিছ পৰি নাথাকে। আমি ছাত্ৰ-ছাত্ৰীক উচিত শিক্ষা দিয়াৰ চেষ্টা কৰিছো। সেই মতে, ছাত্ৰ-ছাত্ৰীয়ে ফলাফল কৰিছে। আমাৰ উদ্দেশ্যে সফল হ'বই। কিয়নো এই শিক্ষাই অঞ্চলৰ পৰা ভাল ভাল নাগৰিক সৃষ্টি কৰিব। আমি ভালদৰে নৱ প্ৰজন্মক আগবঢ়াই নিম। সেয়াই আমাৰ চেষ্টা- কয় ডঃ শ্বাহে।

# গোলকগঞ্জত গৰু চোৰৰ সন্দেহত মৰিয়াই হত্যা এজনক

**ই-সংবাদ, গোলকগঞ্জ ১১ এপ্ৰিল :** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত দক্ষিণ ৰায়পুৰ ওতাৰবন্দত যোৱা নিশা গৰু চোৰৰ সন্দেহত এজন লোকক মৰিয়াই মৰিয়াই হত্যা কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, নিশা এক মান বজাত পশ্চিমবংগৰ পঞ্জীয়নভুক্ত এখন চাৰিচকীয়া বাহন গাঁও খনত প্ৰৱেশ কৰে । বাহন খনৰ পৰা দুজন নামি আহে। নিশা গাঁও খনত লোক দুজনক দেখি ৰাইজৰ সন্দেহ হয়। ৰাইজ আগবাঢ়ি অহাত এজন বাহনত উঠি পলায়ন কৰে যদিও আন জনক ৰাইজে খেদি খেদি আটক কৰে। আটকাধীন লোক জনক মাৰপিট কৰি গুৰুতৰ ভাবে আহত কৰি পেলাই থয়। খবৰ পাই গোলকগঞ্জ আৰক্ষী উদ্ধাৰ কৰি ধুবুৰী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত প্ৰেৰণ কৰে। চিকিৎসালয়তে তেওঁৰ মৃত্যু হয়। মৃত লোক জন কোকৰাঝাৰ থানাৰ ভোটগাঁওৰ কাশীপাৰাৰ সয়ুদ্দিন সেখ বুলি বিয়লি গোলকগঞ্জ থানাত উপস্থিত হৈ তেঁৰৰ পত্নীয়ে দাবী কৰে। কালি বিয়লিতে সয়ুদ্দিন ঘৰৰ পৰা ওলাই আহিছিল। কিন্তু হটাত মহিলা গৰাকী গোলকগঞ্জ থানাত উপস্থিত হোৱা ঘটনাই বহু প্ৰশ্নৰ সৃষ্টি হৈছে।

# এশ শতাংশ উত্তীৰ্ণৰে উজলিল ভিজন একাডেমী চিনিয়ৰ ছেকেণ্ডাৰী স্কুল

**ই-সংবাদ, বেবেজীয়া, ১১ এপ্ৰিলঃ** হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ঘোষিত ফলাফলত এশ শতাংশ উত্তীৰ্ণৰে বটদ্ৰৱালৈ গৌৰৱ কঢ়িয়াই আনিলে ভিজন একাডেমী চিনিয়ৰ ছেকেণ্ডাৰী স্কুলে। ব্যক্তিগত খণ্ডৰ এই শিক্ষানুষ্ঠানখনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হোৱা মুঠ ১৫ গৰাকী শিক্ষাৰ্থীৰ ভিতৰত আটাইকেইগৰাকীয়েই সুখ্যাতিৰে উত্তীৰ্ণ হৈছে। শিক্ষানুষ্ঠানখনৰ ভাৰ্গৱ ভূঞা নামৰ শিক্ষাৰ্থীগৰাকীয়ে গনিতত ৯৯, ইংৰাজীত ৯২, সাধাৰণ বিজ্ঞানত ৯৩, ঐচ্ছিক গনিতত ৯২,অসমীয়াত ৮৮ আৰু সমাজ বিজ্ঞানত ৭৭ নম্বৰ লাভ কৰি মুঠ ৫৪১ নম্বৰ লাভ কৰি ৯০.২শতাংশ হাৰে ডিষ্টিংচন লাভ কৰিবলৈ সক্ষম হয়। তদুপৰি ছাহিল আলম আৰু জাকাৰিয়া আহমেদ নামৰ দুগৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰাৰ বিপৰীতে প্ৰথম বিভাগত ১০ জন আৰু দুগৰাকীয়ে দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈ অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিছে। বটদ্ৰৱাত নকৈ প্ৰতিষ্ঠা হোৱা ব্যক্তিগত খণ্ডৰ বিদ্যালয় ভিজন একাডেমী চিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ পৰাধাবাবাহিকভাৱে হাইস্কুল শিক্ষান্ত পৰীক্ষাত এশ শতাংশ ছাত্ৰ-ছাত্ৰী উত্তীৰ্ণ হৈ অভিলেখ সৃষ্টি কৰাৰ বাবে অঞ্চলটোৰ ৰাইজে অধ্যক্ষ জুনাইদ আহমেদ চৌধুৰীৰ লগতে সকলো শিক্ষক-শিক্ষয়িত্ৰীক কৃতজ্ঞতা জনাইছে। উল্লেখ্য যে, ডিষ্টিংচন লাভ কৰা ভাৰ্গৱ ভূঞা নামৰ ছাত্ৰ জন বটদ্ৰৱা শ্ৰী শ্ৰী শংকৰদেৱ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক দিলীপ ভূঞা আৰু প্ৰণিতা ভূঞা পুত্ৰ। এই শিক্ষানুষ্ঠানখনৰ এনে সাফল্যৰ বাবে অঞ্চলবাসীৰ মাজত আনন্দৰ বন্যা বৈছে।

# কাছমাৰী জিলা পৰিষদ আৰু আঞ্চলিক সদস্যৰ বাবে মনোনয়ন দাখিল বিজেপি-কংগ্ৰেছৰ

**ই-সংবাদ, বেবেজীয়া, ১১ এপ্ৰিলঃ** নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ অন্তৰ্গত কাছমাৰী শেনচোৱা, মাজ জাজৰি-দৰঙীয়াল, ৰাইদঙীয়া-বৰদোৱা আৰু আইভেটি গাঁও পঞ্চায়তক সামৰি গঠিত কাছমাৰী জিলা পৰিষদৰ সদস্যৰ বাবে শুকুৰবাৰে শাসকীয় বিজেপি দলৰ পৰা প্ৰাঞ্জল দাসে আৰু আঞ্চলিক পঞ্চায়তৰ সদস্যৰ বাবে মাজ জাজৰি-দৰঙীয়াল পঞ্চায়তত পূৰবী মহন্ত বৰা, কাছমাৰী পঞ্চায়তত দিপাঞ্জলি কোঁৱৰ, শেনচোৱা পঞ্চায়তত জ্যোতি প্ৰসাদ দাস, আইভেটি পঞ্চায়তত ৰানা বৰা আৰু ৰাইদঙীয়া-বৰদোৱা পঞ্চায়তৰ বাবে স্মৃতি বৰাই মনোনয়ন দাখিল কৰে । মনোনয়ন পূৰ্বে নগাঁও-বটদ্ৰৱা সমষ্টিৰ বিধায়ক ৰূপক শৰ্মাৰ লগতে বিজেপিৰ বটদ্ৰৱা মণ্ডলৰ সভাপতি ৰাজেশ কোঁৱৰ, জ্যেষ্ঠ নেতা হৰিচৰণ ডেকা, সম্পাদক দুলাল বৰাৰ লগতে পাঁচোখন গাঁও পঞ্চায়তৰ দলীয় নেতা-কৰ্মীসকলে দলীয় প্ৰাৰ্থীসকলক লৈ এক বিশালসমদল উলিয়ায় । আনহাতে, কাছমাৰী জিলা পৰিষদৰ বাবে কংগ্ৰেছ দলৰ প্ৰাৰ্থী ৰূপে ধ্ৰুৱজ্যোতি ৰাজাই মনোনয়নপত্ৰ দাখিল কৰাৰ বিপৰীতে মাজ জাজৰি-দৰঙীয়াল, আইভেটি আৰু ৰাইদঙীয়া-বৰদোৱা পঞ্চায়তৰ আঞ্চলিক সদস্যৰ বাবে দলটোৰ পৰা ক্ৰমে পূজা দেৱী, পৰাগ কলিতা আৰু দীপা দাসে মনোনয়ন দাখিল কৰিছে বুলি জানিব পৰা গৈছে ।

# গোলকগঞ্জত মনোনয়ন সম্পন্ন, ঢোলে-দগৰে মনোনয়ন দাখিল বিজেপিৰ হতাশা কংগ্ৰেছত

**ই-সংবাদ গোলকগঞ্জ ১১ এপ্ৰিল :** ধুবুৰী জিলাৰ গোলকগঞ্জ সম জিলা কাৰ্যালয়ত আজি চাৰিটা জিলা পৰিষদ এলেকাত ন জন প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰাৰ বিপৰীতে ২১ টা আঞ্চলিক পঞ্চায়তৰ সদস্য পদত ৪৫ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। আজি পুৱাৰে পৰা গোলকগঞ্জ আগমনিত বিজেপি কৰ্ম্মী সমৰ্থকৰ মাজত এক উছৱ মুখৰ পৰিবেশৰ সৃষ্টি হয়। খেৰবাৰী, সত্ৰশাল, ছাগলীয়া তামাৰহাট বিষখোৱা আদি অঞ্চলৰ পৰা বিজেপিৰ সমৰ্থক সকল হাতে হাতে পোষ্টাৰ বেনাৰ লৈ নিজৰ নিজৰ প্ৰাৰ্থীৰ লগত ই-ৰিক্সা চাৰিচকীয়া বাহনেৰে সমদল কৰি গোলকগঞ্জ পুৰনি দুৰ্গা মন্দিৰ চৌহদত একত্ৰিত হয়। তাৰ পৰাই দিনৰএক বজাত প্ৰাক্তন বিধায়ক অশ্বিনী ৰায় সৰকাৰৰ নেতৃত্বত হাজাৰ হাজাৰ কৰ্মী সমৰ্থক সমদল কৰি গোলকগঞ্জ সম জিলা কাৰ্যালয়ত উপস্থিত হৈ পৰ্যায় ক্ৰমে মনোনয়ন দাখিল কৰে। ইপিনে ধন লৈ টিকট প্ৰদান কৰাক কেন্দ্ৰ কৰি কংগ্ৰেছ দলৰ ভিতৰত চৰাত সৃষ্টি হোৱা বাদ বিসম্বাদৰ পৰিণতি আজি স্পষ্ট হৈ পৰে। কংগ্ৰেছ দলৰ প্ৰাৰ্থী সকল মাত্ৰ কেইজনমান সমৰ্থকক লগত লৈ আহি মনে মনে মনোনয়ন দাখিল কৰে।
দুই বজাৰ পিছত স্থানীয় কংগ্ৰেছ বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰ আঙুলিৰ মুৰত গণিব পৰা কেইজন মান সাংগোপাংগোক লগত লৈ মনোনয়ন দাখিল পৰ্বত অংশগ্ৰহণ কৰে। কাৰ্যালয়ৰ চাৰিওফালে বিজেপিৰ পতাকা উৰি থকাৰ বিপৰীতে মাত্ৰ কেইবামাহ পূৰ্বে ৰেকৰ্ড ভোটত কংগ্ৰেছৰ সাংসদ ৰকিবুল হুছেইনে জয়লাভ কৰা গোলকগঞ্জৰ মনোনয়ন অনুষ্ঠানত এখন দলীয় পতাকা বিচাৰি নোপোৱা ঘটনাই তাৎপৰ্য্য বহন কৰিছে। তৎসত্বেও বিধায়ক আব্দুছ ছোৱাহান আলী সৰকাৰে চাৰিখন জিলা পৰিষদৰ তিনিখনত জয়লাভ কৰাৰ দাবী কৰে। আনহাতে দলীয় সমৰ্থকৰ উৎসাহত অভিভুত হোৱা প্ৰাক্তন বিজেপিৰ বিধায়ক অশ্বিনী ৰায় সৰকাৰে আটাইকেইখন জিলা পৰিষদ জিকিব বুলি দাবী কৰে। আনহাতে সন্ধিয়া লৈকে আগমনি আৰু হালাকুৰা আঞ্চলিক পঞ্চায়তৰ সদস্য পদত বিজেপিৰ বাহিৰে কোনো প্ৰাৰ্থী মনোনয়ন দাখিল নকৰাত নিৰ্বাচনৰ পূৰ্বেই দুটা বিজেপিৰ দখলত যোৱাটো প্ৰায় স্পষ্ট হৈ পৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

# মৰিগাঁৱত জিলা প্ৰশাসনৰ দ্বাৰা মাছ ধৰাত কঠোৰ নিষেধাজ্ঞা জাৰি

**ই-সংবাদ, মৰিগাঁও, ১১ এপ্ৰিলঃ** মৰিগাঁও জিলাত মাছ ধৰাৰ ক্ষেত্ৰত সকলো মাছমৰীয়া আৰু মৎস্য ব্যৱসায়ী সকলৰ বাবে জিলা প্ৰশাসনে এক কঠোৰ নিষেধাজ্ঞা জাৰি কৰিছে। অসম চৰকাৰৰ মীন নীতি ১৯৫৩ (সংশোধিত ২০০৫) ফিছাৰী আইনৰ ২৩ ধাৰা মৰ্মে জাৰি কৰা নিষেধাজ্ঞাটোত ১ এপ্ৰিলৰ পৰা ১৫ জুলাই পৰ্যন্ত মাছৰ প্ৰজনন কালৰ ৭/১৪ ছেন্টি মিটাৰকৈ সৰু ঘৰৰ বৰজাল, মহাজাল, ফাঁচিজাল বা কোনো ধৰনৰ জালেৰে মাছ ধৰা কাৰ্য নিষিদ্ধ কৰা হৈছে। আনহাতে মছৰি জালৰ ঘৰৰ আকাৰ ১ ছেন্টি মিটাৰ কম হ'লে গোটেই বছৰ ধৰি নিষিদ্ধ কৰা হৈছে। ফিছাৰী আইন আৰু বিধিৰ ২৩ (এ) ধাৰা অনুসৰি প্ৰজননৰ সময়ত (কণী আৰু পোণা ধাৰণ কৰা) ৰৌ, বাহু, মিৰিকা, চিতল, খৰিয়া, পিঠিয়া, ঘৰিয়া আৰু কুঢ়ি মাছ ধৰা আৰু বিক্ৰী কৰাৰ ক্ষেত্ৰত ১ মে'ৰ পৰা ১৫ জুলাইলৈ নিষিদ্ধ কৰা হৈছে। যিকোনো পদ্ধতিৰে কোনো উদ্দেশ্য লৈ বা নিজে খাবৰ বাবে আৰু বিক্ৰীৰ বাবে ২৩ ছেন্টি মিটাৰ কম দৈঘ্যৰ ৰৌ, বাহু, মিৰিকা, মালি, চিতল, খৰিয়া, পিঠিয়া, ঘৰিয়া আদি আৰু ১০ ছেন্টি মিটাৰৰ কম দৈঘ্যৰ মালি, কুহি, ভাঙোন আদি মাছ ধৰাৰ ক্ষেত্ৰত ১ আগষ্টৰ পৰা ৩১ অক্টোবৰলৈ নিষিদ্ধ কৰা হৈছে। এই নিষেধাজ্ঞা সমূহ ভংগ কৰিলে অসম মীন আইনৰ ২২ নং আৰু ৪১ নং ধাৰা অনুসৰি আইন ভঙ্গকাৰী সকলক জৰিমনা বিহা হ'ব আৰু ব্যৱহাৰ কৰা জাল আৰু অন্যান্য মাছ ধৰা সঁজুলি আদি বাজেয়াপ্ত কৰা হব। ভাৰতীয় মীন আইন ১৮৯৭ ধাৰা ৭(১) মীন আইন ১৯৫৩ চনৰ ২৭ নং ধাৰা উক্ত আইন ভঙ্গকাৰীক গ্ৰেপ্তাৰ কৰাৰ উপৰি বিহীত শাস্তি প্ৰদান কৰা হ'ব বুলি আদেশটোত উল্লেখ কৰা হৈছে।

# প্ৰথিতযশা ভাষাবিদ-পণ্ডিত ড০ নগেন ঠাকুৰৰ বিয়োগত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ত শোক সভা

**ই-সংবাদ, ১১ এপ্ৰিল, গুৱাহাটীঃ** অসমৰ এগৰাকী প্ৰথিতযশা ভাষাবিদ-পণ্ডিত, বিশিষ্ট সাহিত্যিক, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক, অসম সাহিত্য সভাৰ আজীৱন সভ্য, দেৰগাঁও সাহিত্য সভাৰ প্ৰাক্তন সম্পাদক ড° নগেন ঠাকুৰৰ বিয়োগত অসম সাহিত্য সভাৰ কেন্দ্ৰীয় কাৰ্যালয়ে গভীৰ শোক প্ৰকাশ কৰিছে । পালি প্ৰাকৃত অপভ্ৰংশ আৰু অসমীয়া ভাষা, ভাৰতীয় ভাষাৰ পৰিচয়, পৃথিৱীৰ বিভিন্ন ভাষা, ভাষা আৰু ভাষা চিন্তা, প্ৰখ্যাত ৰুছ ঔপন্যাসিক ছলকভৰ 'And Quit Flows The Don' গ্ৰন্থৰ অসমীয়া অনুবাদ আদিৰে অসমীয়া সাহিত্যৰ ভঁৰাল সমৃদ্ধ কৰা এইগৰাকী বহুমুখী প্ৰতিভাধৰ ব্যক্তিক তেখেতৰ বহুমূলীয়া অৱদানৰ বাবে ছোভিয়েট দেশ নেহৰু বঁটা, গুৱাহাটী বিশ্ববিদ্যালয়ৰ শ্ৰেষ্ঠ স্নাতকোত্তৰৰূপে 'ৰবীন্দ্ৰ পৰিষদ পুৰস্কাৰ' আৰু 'মহাৰজত জয়ন্তী ভাষা বঁটা', দেৰগাঁও সাহিত্য সভাৰ 'জ্ঞানপীঠ বঁটাপ্ৰাপক নীলমণি ফুকন সাহিত্য বঁটা', অসমীয়া সাহিত্য সন্মিলনীৰ 'শৰৎ চন্দ্ৰ গোস্বামী ভাষা সাধনা বঁটা' আদিৰে সন্মানিত কৰা হৈছিল । অসম সাহিত্য সভাৰ সভাপতি ড°বসন্তকুমাৰ গোস্বামীৰ উপস্থিতিত সভাৰ কেন্দ্ৰীয় কাৰ্যালয় চন্দ্ৰকান্ত সন্দিকৈ ভৱনত অনুষ্ঠিত শোকসভাত ড°গোস্বামীয়ে সাহিত্যিকগৰাকীৰ বিয়োগ অসমৰ শৈক্ষিক আৰু সাহিত্য জগতৰ বাবে অপূৰণীয় ক্ষতি বুলি শোকেৰে ব্যক্ত কৰে । অসম সাহিত্য সভাৰ প্ৰচাৰ আহ্বায়ক শংকুসিদ্ধ নাথে এক সংবাদ বাৰ্তাৰ জৰিয়তে জানিবলৈ দিয়া অনুসৰি কেন্দ্ৰীয় কাৰ্যালয়ৰ সম্পাদক ড°জ্যোতিৰেখা হাজৰিকাই আঁত ধৰা আৰু সভাৰ ধনভঁৰালী মণিৰাম লাহন প্ৰমুখ্যে সভাৰ সমূহ কৰ্মচাৰী উপস্থিত থকা সভাখনত এক শোকপ্ৰস্তাৱ গ্ৰহণ কৰাৰ লগতে বিদেহ আত্মাৰ সদগতি প্ৰাৰ্থনাৰে এক মিনিট মৌনতা অৱলম্বন কৰা হয়।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ঝুমুৰৰ বাবেই মেট্ৰিকত অৱতীৰ্ণ নহ'ল

প্ৰায় ৬ হাজাৰ মেট্ৰিকৰ পৰীক্ষাৰ্থীয়ে পৰীক্ষাত নবহা বুলি গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। গুৱাহাটীৰ পৰা প্ৰকাশিত আগশাৰীৰ এখন বাতৰি কাকতে কৰা এক প্ৰতিবেদনৰ পিছতে তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। ৰাজ্য চৰকাৰে এই খবৰ অস্বীকাৰ কৰিছিল। আনকি এই বিষয়টো বিধানসভাৰ মজিয়ালৈ নিছিল বিধায়ক অখিল গগৈয়ে। বিষয়টোক লৈ তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছিল। কিন্তু সেই কাকতখনৰ বাতৰিটোৰ দৰেই আজি প্ৰকাশিত মেট্ৰিকৰ ফলাফল অনুসৰি ৬৭১২ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত বহা নাই অৰ্থাৎ অনুপস্থিত আছিল। বিভিন্ন সমস্যাৰ বাবে ২২ গৰাকী পৰীক্ষাৰ্থীৰ ফলাফল ঘোষণা কৰা হোৱা নাই। আনহাতে ১০১ গৰাকী পৰীক্ষাৰ্থীক অনৈতিক পন্থা অৱলম্বন কৰাৰ বাবে পৰীক্ষাৰ পৰা নিলম্বন কৰিছিল কৰ্তৃপক্ষই। এতিয়া প্ৰশ্ন হৈছে দৈনিক বাতৰিত প্ৰকাশিত খবৰটোত আছিল যে ঝুমুৰ নৃত্যত অংশ লোৱা ৬ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে মেট্ৰিক পৰীক্ষাৰ পৰা বঞ্চিত হৈছে। প্ৰকৃততে কাকতখনৰ খবৰটো সঁচা আছিল নেকি? বাতৰিটো প্ৰকাশৰ পিছতে চৰকাৰে এই খবৰটোক ভুল, মিছা বুলি কোৱাৰ লগতে সদনক অখিল গগৈয়ে বিষয়টো উত্থাপন কৰাত বিজেপিৰ বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে সদনৰ ভিতৰতে চাহ জনগোষ্ঠীৰ প্ৰতি অপমান বুলি অভিহিত কৰিছিল। কিন্তু ৬,৭১২ গৰাকী পৰীক্ষাৰ্থীয়ে পৰীক্ষাত অনুপস্থিত থকাৰ কথাটোৱে সন্দেহৰ সৃষ্টি কৰিছে। সঁচাকৈয়ে এই ছয় হাজাৰ পৰীক্ষাৰ্থী চাহ জনগোষ্ঠীৰ নেকি। ঝুমৰ নৃত্যত অংশ লোৱা তথা পৰীক্ষাত নবহা এই ছয় হাজাৰ পৰীক্ষাৰ্থী চাহ জনগোষ্ঠীৰ আছিল নেকি? সেই প্ৰশ্ন নিশ্চয়কৈ উত্থাপন হ'ব। কিন্তু এই উত্তৰ দিব লাগিব ৰাজ্য চৰকাৰে। মেগা ঝুমুৰ অনুষ্ঠানলৈ মনোনীত হোৱাৰ বাবে দুগৰাকী ছাত্ৰীয়ে যে পৰীক্ষাত বহা নাছিল সেই কথা নিজ পিতৃয়ে প্ৰকাশ কৰিছিল। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত অৱতীৰ্ণ নোহোৱাৰ কথা পিতৃয়ে প্ৰকাশ কৰিছিল। যোৰহাট জিলাৰ অন্তৰ্গত তিতাবৰ বছাবাৰী চাহ বাগিচাত শ্ৰীশ্ৰীকমলাবাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত অধ্যয়নৰত দুগৰাকী ছাত্ৰীয়ে ঝুমুৰত অংশগ্ৰহণৰ পৰা পৰীক্ষা দিয়াৰ পৰা বিৰত আছিল। ইপিনে ৬ হাজাৰ পৰীক্ষাৰ্থীয়ে ঝুমুৰৰ বাবে পৰীক্ষা নিদিয়া বুলি বাতৰিটো প্ৰকাশিত কাকতখনৰ তিনি মাৰ্চৰ সংখ্যাটো হাতত লৈ বিধানসভালৈ গৈছিল অখিল গগৈ। চৰকাৰে ঝুমুৰ পতাৰ বাবে চাহ বাগিচাৰ ৬ হাজাৰ শিক্ষাৰ্থী মেট্ৰিক পৰীক্ষাৰ পৰা বঞ্চিত হোৱা বুলি অভিযোগ আনি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ৰাজহুৱা বিবৃতি দিব লাগে দাবী কৰিছিল গগৈয়ে। বিধায়ক অখিল গগৈয়ে কৈছিল যে তেওঁলোকে এটা বছৰৰ শৈক্ষিত জীৱন হেৰুৱাই পেলালে। সেই খবৰক ভয়ংকৰ খবৰ আখ্যা দি অখিল গগৈয়ে কৈছিল মেট্ৰিক পৰীক্ষাৰ সময়ত ঝুমুৰৰ আয়োজন কৰাটো সুস্থ কথা নহয়। আনহাতে ৰাজ্য চৰকাৰৰ মন্ত্ৰী বিমল বৰাই সংবাদ মাধ্যম যোগে অখিল গগৈকে উভতি ধৰি ৬ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষা দিব নোৱাৰাৰ তথ্য ক'ত পালে বুলি অখিল গগৈক প্ৰশ্ন কৰিছিল। বৰাই কৈছিল যে সৰুসজাইত অংশ লোৱা ৮,৮০০ গৰাকীৰ ভিতৰত ৬ হাজাৰেই মেট্ৰিক পৰীক্ষাৰ্থী আছিল নেকি? অখিল গগৈৰ কথাৰ কোনো ভেল্যু নাই নাই বুলিও কয়।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

# ডুমডুমাত তিনিচুকীয়া জিলা আয়ুক্তৰ নিৰ্বাচনী প্ৰস্তুতিৰ পৰ্যালোচনা

## ৭ আঞ্চলিক, ২২ জিলা পৰিষদ, ৮৬ গাঁও পঞ্চায়ত, ৮৬০ ৱাৰ্ডৰ বাবে মনোনয়ন পৰ্ব সমাপ্ত

**ই-সংবাদ ব্যুৰ', তিনিচুকীয়া, ১১ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ বাবে তিনিচুকীয়া জিলা সদৰৰ উপৰিও ডুমডুমা, শদিয়া আৰু মাৰ্ঘেৰিটা সম জিলাত আজি মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম দিনটোত বৃহৎসংখ্যক প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল কৰে। তিনিচুকীয়া জিলাৰ ৭ খন আঞ্চলিক পঞ্চায়তৰ আসন, ২২ খন জিলা পৰিষদ আসন, ৮৬ খন গাঁও পঞ্চায়ত আৰু ৮৬০ টা ৱাৰ্ডৰ বাবে নিৰ্বাচনৰ আয়োজন কৰা হৈছে। মুঠ ১০৭৮ টা ভোটগ্ৰহণ কেন্দ্ৰৰ বাবে ৫,০০০ বিষয়া-কৰ্মচাৰী নিয়োজিত কৰা হৈছে। কেইবাটাও পৰ্যায়ত তেওঁলোকৰ প্ৰশিক্ষণ পূৰ্ণোদ্যমে চলি আছে। তিনিচুকীয়া বিধানসভা সমষ্টিৰ অন্তৰ্গত ইটাখুলি আঞ্চলিক পঞ্চায়তৰ অধীনত ১৫ নং ইটাখুলি আৰু ১৬ নং বাপুজী দুটা জিলা পৰিষদ সমষ্টি, ৭ টা গাঁও পঞ্চায়ত সমষ্টি আৰু ৭০ টা ৱাৰ্ড আছে। ইয়াৰ মুঠ ভোটাৰৰ সংখ্যা হৈছে ৯৩,২৪৫ জন। ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ১১৩ টা। মাকুম আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত থকা চাৰিটা জিলা পৰিষদ সমষ্টি ক্ৰমে ১২ বৰহাপজান, ১৩ গুইজান, ১৪ পানীতোলা, ১৭ লাংকাচি জিলা পৰিষদ সমষ্টিৰ লগতে ১৫ টা গাঁও পঞ্চায়ত আৰু ১৫০ টা ৱাৰ্ডৰ নিৰ্বাচন অনুষ্ঠিত হ'ব। মাকুম আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত ১,৪৬,১৮১ জন ভোটাৰে ১৮৮ টা কেন্দ্ৰত ভোটদান সাব্যস্ত কৰিব পাৰিব। ডিগবৈ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত চাৰিখন জিলা পৰিষদ ক্ৰমে ৯ নং টঙনা, ১০ নং বুঢ়িদিহিং, ১১ নং পানীখোৱা আৰু ১৮ নং বৰবিলৰ লগতে ১৩ টা গাঁও পঞ্চায়ত আৰু ১৩০ টা ৱাৰ্ডৰ বাবে নিৰ্বাচন অনুষ্ঠিত হ'ব। ডিগবৈ আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত মুঠ ১,১৯,৮৯০ জন ভোটাৰে ১৫০ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটদান সাব্যস্ত কৰিব পাৰিব। শদিয়া সমজিলাৰ অন্তৰ্গত এইবাৰ শদিয়া আৰু ছৈখোৱা আঞ্চলিক পৰিষদ দুখন আছে। শদিয়া আঞ্চলিক পঞ্চায়তৰ অধীনত আছে দুখন জিলা পৰিষদ ১ নং ৰাজগড় আৰু ২ নং কুণ্ডিল সমষ্টি। ইয়াৰ অন্তৰ্গত ১১ টা গাঁও পঞ্চায়ত সমষ্টি আৰু ১১০ টা ৱাৰ্ডৰ বাবেও নিৰ্বাচন অনুষ্ঠিত হ'ব, য'ত মুঠ ৮৪,৭১৪ জন ভোটাৰে ১২২ টা কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব। ছৈখোৱা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত দুখন জিলা পৰিষদ ৩ নং কাকপথাৰ আৰু ৪ নং ছৈখোৱা জিলা পৰিষদ সমষ্টিৰ উপৰিও ১৩ টা গাঁও পঞ্চায়ত আৰু ১৩০ টা ৱাৰ্ড আছে। ইয়াৰে মুঠ ১,০৭,৯২০ জন ভোটাৰে ৫৩ টা কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব। এইবাৰ ডুমডুমা সম জিলাৰ অধীনত প্ৰথমবাৰলৈ ডুমডুমা আঞ্চলিক পঞ্চায়তৰ অন্তৰ্গত চাৰিটা জিলা পৰিষদ সমষ্টি, ১৪ টা গাঁও পঞ্চায়ত সমষ্টি আৰু ১৪০ টা ৱাৰ্ডৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। জিলা পৰিষদ সমষ্টিকেইটা হৈছে ৫ নং গাভৰুভেটি, ৬ নং ৰঙাজান, ৭ নং দৈদাম আৰু ৮ নং চামডাং। ইয়াৰ মুঠ ১,৩৩,২০৫ জন ভোটাৰে ১৭৩ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব। মাৰ্ঘেৰিটা সম জিলাৰ অন্তৰ্গত একমাত্ৰ মাৰ্ঘেৰিটা আঞ্চলিক পঞ্চায়তৰ অধীনত থকা চাৰিটা জিলা পৰিষদ সমষ্টি হ'ল ১৯ নং মাৰ্ঘেৰিটা, ২০ নং পুৰণিপুখুৰী, ২১ নং বৰগোলাই আৰু ২২ নং জাগুন। ইয়াত ১৩ টা গাঁও পঞ্চায়ত আৰু ১৩০ টা ৱাৰ্ডৰ বাবেও একেসময়তে নিৰ্বাচন অনুষ্ঠিত হ'ব। ইয়াৰ মুঠ ১,৪৬,০২৪ জন ভোটাৰে ১৭৯ টা ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰিব পাৰিব। সমগ্ৰ নিৰ্বাচনী প্ৰক্ৰিয়া সুচাৰুৰূপে সম্পন্ন কৰাৰ বাবে জিলা আয়ুক্ত স্বপ্নীল পালে নিজেই তদাৰক কৰি আছে। আজি তেওঁ জিলা আৰক্ষী অধীক্ষকৰ সৈতে ডুমডুমাত উপস্থিত হৈ নিৰ্বাচনী প্ৰস্তুতিৰ বুজ লয়।

# মাজুলীত দুই ব্যক্তিগত খণ্ডৰ বিদ্যালয়ত এশ শতাংশ উত্তীৰ্ণৰ কৃতিত্ব

**ই-সংবাদ বিশেষ, মাজুলী, ১১ এপ্ৰিলঃ** মাজুলীৰ গড়মূৰৰ ব্যক্তিগত খণ্ডৰ আগশাৰীৰ বিদ্যালয় অমৰঘোষ হ'লী আইলেণ্ড স্কুলৰ ছাত্ৰ-ছাত্ৰীয়ে আজি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত এশ শতাংশ উত্তীৰ্ণ হোৱাৰ গৌৰৱ অৰ্জন কৰিছে। একেৰাহে ষষ্ঠবাৰৰ বাবে হাইস্কুল শিক্ষান্ত পৰীক্ষাত বিদ্যালয়খনে এশ শতাংশ উত্তীৰ্ণ হোৱাৰ গৌৰৱ অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে। এইবাৰ বিদ্যালয়খনৰপৰা অৱতীৰ্ণ হোৱা ১৮ জন ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৮ জনেই উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ ১৮ জন উত্তীৰ্ণ ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ১৪ জন প্ৰথম বিভাগত, ৪ জন দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ চাৰিজন মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে ষ্টাৰ নম্বৰ পাবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ এই সন্তোষজনক ফলাফলত বিদ্যালয়ৰ অধ্যক্ষ ভবেন কাকতিয়ে সকলো অভিভাৱক ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-কৰ্মচাৰীক অভিনন্দন জনাইছে। স্থানীয় ৰাইজে বিদ্যালয়খনৰ এই ফলাফলত সন্তোষ প্ৰকাশ কৰিছে। আনহাতে, আজি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত নামনি মাজুলীৰ গোৱালগাঁও জোনাকী জাতীয় বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এশ শতাংশ উত্তীৰ্ণ হোৱাৰ গৌৰৱ অক্ষুণ্ণ ৰাখিছে। বিদ্যালয়খনৰপৰা এইবাৰ অৱতীৰ্ণ হোৱা ২৪ গৰাকী ছাত্ৰ-ছাত্ৰীৰ ভিতৰত ২৪ গৰাকীয়েই উত্তীৰ্ণ হৈছে। উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ২১ জন প্ৰথম বিভাগত, ২ জন দ্বিতীয় বিভাগত আৰু ১ জন তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। বিদ্যালয়খনৰ প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ভিতৰত ২ গৰাকী মেধাৱী ছাত্ৰ-ছাত্ৰীয়ে ডিষ্টিংশ্যন লাভ কৰিছে আৰু ৬ গৰাকীয়ে ষ্টাৰ নম্বৰ লাভ কৰিবলৈ সক্ষম হৈছে। মাজুলীৰ আগশাৰীৰ বিদ্যালয়খনৰপৰা আজি ঘোষিত ফলাফলত অসমীয়া বিষয়ত ১ জন, ইংৰাজীত ১০ জন, সাধাৰণ গণিতত ৩ জন, বিজ্ঞানত ১৫ জন, সমাজ বিজ্ঞানত ৬ জন, উচ্চ গণিতত ২ জন, ভূগোলত ৮ জন আৰু হিন্দী বিষয়ত ২ জন ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ নম্বৰ পাবলৈ সক্ষম হৈছে। বিদ্যালয়খনৰ এই সন্তোষজনক সফলতাত বিদ্যালয়ৰ অধ্যক্ষ বিপুল কুমাৰ বৰুৱাই উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ লগতে অভিভাৱক, শিক্ষক-শিক্ষয়িত্ৰীসকলক অভিনন্দন আৰু শুভেচ্ছা জ্ঞাপন কৰিছে।

# মৰিগাঁৱত নিৰ্বাচন সম্পৰ্কীয় নিয়ন্ত্ৰণ কক্ষ স্থাপন

**ই-সংবাদ, লাহৰীঘাট, ১১ এপ্ৰিলঃ** সমাগত পঞ্চায়ত নিৰ্বাচনৰ সময়ছোৱাত জনসাধাৰণে মৰিগাঁও জিলাত নিৰ্বাচনী আৰ্হি আচৰণ বিধি উলংঘা বা পঞ্চায়ত নিৰ্বাচনৰ সৈতে জড়িত যিকোনো অভিযোগ দাখিলত সহায় হোৱাকৈ এটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে। এই নিয়ন্ত্ৰণ কক্ষৰ টোল-ফ্ৰী নম্বৰ হৈছে ১৮০০-৩৪৫-৩৯৩৭। এই নম্বৰত যোগাযোগ কৰি জনসাধাৰণে নিজৰ ওজৰ-আপত্তি দাখিল কৰিব পাৰিব।



ডুমডুমাত তিনিচুকীয়া আয়ুক্তৰ নিৰ্বাচনী পৰ্যালোচনা

# উষাপুৰৰ পম্পী বড়ালৈ শিপিনী বঁটা, টেঙাখাতৰ মহেন্দ্ৰ সোণোৱাললৈ কৃষক বঁটা

## দুলীয়াজান যুৱ সংঘৰ উদ্যোগত ব'হাগী উৎসৱ-২০২৫



**ই সংবাদ, বিশেষ, দুলীয়াজান, ১১ এপ্ৰিলঃ** দুলীয়াজান যুৱ সংঘৰ উদ্যোগত, মধুটিং সূৰ্যোদয় আৰু ভাদৈ যুৱ সংঘৰ আতিথ্যত অহা ২৪ আৰু ২৫ এপ্ৰিলত ব'হাগী উৎসৱ ২০২৫ ৰ আয়োজন কৰিছে। দুলীয়াজান বিহুতলী প্ৰাংগনত অনুষ্ঠিত হবলগীয়া ব'হাগী উৎসৱৰ অস্থায়ী কাৰ্যালয় কালি উদ্বোধন কৰে সন্মিলিত সাংবাদিক মঞ্চ দুলীয়াজানৰ সভাপতি জয়ন্ত ভূঞাই। দুলীয়াজান যুৱ সংঘৰ সম্পাদক আদিত্য ফুকনে আঁত ধৰা অনুষ্ঠানত স্থানীয় সমাজকৰ্মী ৰবীন বৰাই কাৰ্যসূচী আৰু গোহাৰি উন্মোচন কৰাৰ লগতে দুলীয়াজান প্ৰেছ ক্লাবৰ সভাপতি ব্ৰজেন গগৈয়ে শুভেচ্ছামূলক বক্তব্য আগবঢ়ায় । অনুষ্ঠানত ব'হাগী উৎসৱৰ মুখ্য সমন্বয়ক শংকৰজ্যোতি বৰুৱাই ব'হাগী উৎসৱৰ পৰিকল্পনা ব্যক্ত কৰাৰ উপৰিও দুলীয়াজান যুৱ সংঘৰ কাৰ্যকৰী সভাপতি প্ৰাঞ্জল শইকীয়াই শলাগ জ্ঞাপন কৰি আগন্তক কাৰ্যসূচীত সকলোৰে সহায় সহযোগ কামনা কৰে। ইফালে ব'হাগী উৎসৱৰ কাৰ্যসূচী অনুসৰি ২৪ এপ্ৰিলত পুৱা উদযাপন সমিতি আৰু কেউটা যুৱ সংঘৰ পতাকা উত্তোলন, স্মৃতি তৰ্পণ, ড০ ভূপেন হাজৰিকাৰ প্ৰতিমূৰ্ত্তিত মাল্যাৰ্পন, বিহু মঞ্চ উদ্বোধন, থলুৱা বজাৰ আৰু প্ৰদৰ্শনীৰ দ্বাৰ মুকলি, মৌ কুঁৱৰী, পেপা গগণা, ঢোল বাদন, বৰ বিহুৱতী প্ৰতিযোগিতা অনুষ্ঠিত হ'ব। সন্ধিয়া বিহু হুচৰি আৰু জেং বিহু প্ৰতিযোগিতা অনুষ্ঠিত হোৱাৰ লগতে দ্বিতীয় দিনা বৃক্ষৰোপণ কাৰ্যসূচী অনুষ্ঠিত হ'ব। উক্ত দিনাই সন্ধিয়ালৈ টেঙাখাতৰ ঘূমতাল গাঁৱৰ বিশিষ্ট কৃষক মহেন্দ্ৰ সোণোৱালক কৃষক বটা আৰু উষাপুৰৰ উদ্যমী মহিলা তথা শিপিনী পম্পী বড়াক শিপিনী বঁটা কেউটা যুৱ সংঘ আৰু বহাগী উৎসৱ উদযাপন সমিতিয়ে প্ৰদান কৰিব। ইয়াৰ পিছতে উদযাপন সমিতিৰ সভাপতি আৰু যুৱ সংঘৰ অভিভাষণ প্ৰদান কৰাৰ উপৰিও আছুৰ প্ৰাক্তন সম্পাদক শংকৰজ্যোতি বৰুৱাই উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক সন্ধিয়াত অসমৰ জনপ্ৰিয় কণ্ঠশিল্পী আচুৰ্য বৰপাত্ৰই গীত পৰিৱেশন কৰিব। আনহাতে এই উৎসৱৰ লগত সংগতি ৰাখি প্ৰৱন্ধ প্ৰতিযোগিতাৰো আয়োজন কৰিছে। শক্তিশালী জাতীয় অৰ্থনীতি আৰু অসম বজাৰ, কৃষি, বয়ন শিল্প আৰু অন্যান্য বিষয়ত আয়োজন কৰা প্ৰৱন্ধ প্ৰতিযোগিতাৰ লেখা জমা দিয়াৰ অন্তিম তাৰিখ অহা ১৬ এপ্ৰিল। নিৰ্বাচিত ৩০ টা প্ৰৱন্ধৰে গ্ৰন্থ প্ৰকাশৰো পৰিকল্পনা কৰাৰ লগতে লেখক লেখিকাই লেখনি সমূহ duliajanyubosangha@gmail ত অথবা ৯১০১৬৫১০৯৮, ৯৬৭৮৮৬৪৮৫৮ নম্বৰত হোৱাটচ এপত প্ৰেৰণ কৰিব পাৰিব বুলি উদ্যোক্তাসকলে জানিবলৈ দিছে।

# মৰিগাঁও জিলাত গাঁও পঞ্চায়তৰ নিৰ্বাচনত মনোনয়ন-পত্ৰৰ উজান

**ই-সংবাদ, লাহৰীঘাট, ১১ এপ্ৰিলঃ** দ্বিতীয় পৰ্যায়ত অহা ৭ মে'ত ভোটগ্ৰহণ হ'বলগীয়া মৰিগাঁও জিলাত পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন প্ৰক্ৰিয়াত কালিৰ দিনটোলৈকে গাঁও পঞ্চায়ত পৰ্যায়ত মুঠ ১০০৮ খন, আঞ্চলিক পঞ্চায়ত পৰ্যায়ত ৫৯ খন আৰু জিলা পৰিষদ সমষ্টি পৰ্যায়ত ১০ খন মনোনয়ন-পত্ৰ দাখিল কৰা হৈছে। গাঁও পঞ্চায়ত পৰ্যায়ত ৯ এপ্ৰিলত ১৪৯ খন আৰু কালিৰ দিনটোত ৮৫৩ খন মনোনয়ন-পত্ৰ গ্ৰহণ কৰা হয়। উল্লেখ্য যে কাইলৈ ১২ এপ্ৰিলত মনোনয়ন-পত্ৰসমূহ পৰীক্ষা কৰা হ’ব আৰু কাইলৈ বৈধ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰা হ'ব। প্ৰাৰ্থীসকলে ১৭ এপ্ৰিল দিনৰ ৩ বজালৈ মনোনয়ন-পত্ৰসমূহ প্ৰত্যাহাৰ কৰিব পাৰিব। ১৭ এপ্ৰিল তাৰিখে দিনৰ ৩ বজাৰ পাছত চূড়ান্ত প্ৰাৰ্থীৰ তালিকা প্ৰকাশ পাব। মৰিগাঁও জিলাত জিলা পৰিষদ সমষ্টিৰ সংখ্যা ১২ টা, আঞ্চলিক পঞ্চায়তৰ সংখ্যা ৫ টা, গাঁও পঞ্চায়ত ৮৪ টা আৰু ৱাৰ্ডৰ সংখ্যা ৮৪০ টা।



মেট্ৰিক পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে পুনৰবাৰ উজলি উঠা আদৰ্শ বিদ্যাপীঠ, গেলেকীৰ একাংশ ছাত্ৰ-ছাত্ৰী

## সত্ৰশাল আৰু গোলকগঞ্জ জাতীয় বিদ্যালয়ৰ সফলতা

**ই-সংবাদ, গোলকগঞ্জ, ১১ এপ্ৰিলঃ** আজি ঘোষিত হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত গোলকগঞ্জ জীৱেশ চন্দ্ৰ প্ৰধানী জাতীয় বিদ্যালয় আৰু সত্ৰশাল জাতীয় বিদ্যালয়ে প্ৰশংসনীয় ফলাফল প্ৰদৰ্শন কৰে। জীৱেশ চন্দ্ৰ প্ৰধানী জাতীয় বিদ্যালয়ৰপৰা পৰীক্ষাত অৱতীৰ্ণ হোৱা ৬০ জন পৰীক্ষাৰ্থীয়ে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। ইয়াৰে ১১ জনে ডিষ্টিংচন আৰু ২০ জনে ষ্টাৰ মাৰ্ক লাভ কৰে। তদুপৰি ৬০ গৰাকীৰ ভিতৰত ১৬৪ টা লেটাৰ লাভ কৰে। আনহাতে, সত্ৰশাল জাতীয় বিদ্যালয়ৰপৰা ৪৬ গৰাকী পৰীক্ষাৰ্থী হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হয়। ইয়াৰে দুজন দ্বিতীয় বিভাগত উত্তীৰ্ণ হোৱাৰ বিপৰীতে আন ৪৪ গৰাকী প্ৰথম বিভাগত উত্তীৰ্ণ হয়। দহগৰাকীয়ে ডিষ্টিংচন,১৯ গৰাকীয়ে ষ্টাৰসহ মুঠ ১৪১ টা লেটাৰ লাভ কৰে। বিদ্যালয়খনৰ হীৰকজ্যোতি অধিকাৰীয়ে অসমীয়া বিষয়ত এশ নম্বৰসহ ৯৩.১৭ শতাংশৰে প্ৰথম বিভাগত উত্তীৰ্ণ হয়। তদুপৰি বৰ্ণিতা ৰায়েও অসমীয়াত এশ নম্বৰ লাভ কৰে।

# পঞ্চায়ত নিৰ্বাচনত ভোট বৰ্জনৰ হুংকাৰ মাজুলীৰ ভকত চাপৰিৰ ১৬ খন গাঁৱৰ ৰাইজৰ



**ই-সংবাদ, মাজুলী, ১১ এপ্ৰিলঃ** মাজুলীৰ কৃষি ক্ষেত্ৰখনলৈ দীৰ্ঘদিনৰপৰা অনবদ্য বৰঙণি আগবঢ়াই অহা মাজুলীৰ মুল ভূখণ্ডৰপৰা একপ্ৰকাৰে বিছিন্ন হৈ থকা ভকত চাপৰিবাসীয়ে যাতায়াতৰ নামত দীৰ্ঘদিনৰপৰা হাৰাশাস্তি ভোগ কৰি আহিছে। এই সকলো সমস্যাৰ অৱসানৰ দাবীৰে ভকতচাপৰিৰ ১৬ খন গাঁৱৰ ৰাইজৰ দীৰ্ঘদিনৰ দাবীৰ ফলশ্ৰুতিত ২০১৬ চনত মাজুলীৰপৰা প্ৰতিনিধিত্ব কৰি ৰাজ্যৰ মুখ্যমন্ত্ৰী হোৱা সৰ্বানন্দ সোনোৱালে ভকতচাপৰিবাসীৰ যাতায়াতৰ সমস্যাৰ অৱসান কৰাৰ বাবে পাঁচবছৰীয়া কাৰ্যকালৰ শেষৰ ফালে আউনীআটীৰ আলিমুৰ-ভকত চাপৰি সংযোগী এখন কাঠৰ দলং নিৰ্মাণ কৰি দিয়া হৈছিল যদিও নিৰ্মাণৰ দুটা বছৰৰ ভিতৰতেই দলংখন ভাঙি পৰাত পুনৰ যাতায়াতৰ সমস্যাত ভাৰাক্ৰান্ত হৈ পৰে ভকতচাপৰিবাসী। উল্লেখ্য যে, দীৰ্ঘদিন ধৰি এখন পকী দলংৰ বাবে চলাই অহা দাবীৰ পৰিপ্ৰেক্ষিততে চলিত বৰ্ষৰ জানুৱাৰী মাহত শাসকীয় দলে আলিমুৰ-ভকত চাপৰি সংযোগী ভগ্নাংশত পকী দলঙৰ আধাৰশিলা স্থাপন কৰিছিল যদিও আধাৰশিলাৰ তিনি মাহ উকলি যোৱাৰ পাছতো পকী দলং নিৰ্মাণৰ নামত শিল-বালি নপৰাত ভকতচাপৰিবাসীয়ে চৰকাৰী পক্ষৰ মিথ্যাচাৰ, প্ৰৱঞ্চনাৰ বলি হোৱা বুলি অভিযোগ তুলি আসন্ন পঞ্চায়ত নিৰ্বাচন বৰ্জন কৰাৰ কঠোৰ হুংকাৰ প্ৰদান কৰিছে। ভকত চাপৰিক দুলাল হাজৰিকা, বুবুল দাস, সভাৰাম দাস, লুলু দাস, পাপু বৰা, প্ৰদীপ দাস, কোশ দাস, ৰঞ্জিত দাস, বসন্ত বৰা, হেমন্ত চেকনিধৰা আদিক এইক্ষেত্ৰত তীব্ৰ বাক্যবান প্ৰদান কৰি ভকত চাপৰিবাসীয়ে পঞ্চায়ত নিৰ্বাচনত ইয়াৰ ভালশিক্ষা চাপৰিবাসীয়ে প্ৰদান কৰিব বুলি মন্তব্য কৰিছে। তদুপৰি ভকত চাপৰিবাসীক বাৰম্বাৰ প্ৰতাৰণা কৰাৰ অভিযোগ উত্থাপিত কৰিছে স্থানীয় বিধায়ক ভুৱন গামৰ বিৰুদ্ধে। যাতায়াত-যোগাযোগৰ ক্ষেত্ৰত চৰম দুৰ্ভোগ ভুগি অহা ভকত চাপৰি অঞ্চলৰ ১৬ খন গাঁৱৰ ৰাইজে বিগত বৰ্ষত স্থানীয় গাঁওবাসীয়ে নিজৰ গাঁঠিৰ ধন খৰচ কৰি বাঁহ-বেত সংগ্ৰহ কৰি এখন দলং ব্যৱস্থা কৰিছিল যদিও বৰ্তমান সেই দলংখন জৰাজীৰ্ণ হৈ পৰাত চিন্তিত গাঁওবাসীয়ে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। ইফালে আজি দুদিন পূৰ্বে বিদ্যালয়লৈ অহা তিনিগৰাকী ছাত্ৰী দলঙত আঘাতপ্ৰাপ্ত হোৱাত পুনৰ আজি স্থানীয় ৰাইজে বাঁহৰ দলং মেৰামতি কৰাৰ লগতে বিধায়ক ভুৱন গামৰ বিৰুদ্ধে ক্ষোভ উজৰা পৰিলক্ষিত হয়। ৰাইজৰ অভিযোগ আমাক টোপ দি বাৰে বাৰে আমাক উপলুঙা কৰি আহিছে। ইয়াৰ পূৰ্বে অনুষ্ঠিত হৈ যোৱা নিৰ্বাচনৰ সময়ত আমি ভোট বৰ্জন কৰিম বুলি কোৱাত আমাক প্ৰতিশ্ৰুতি দিছিল পথ তথা দলং নিৰ্মাণৰ। কিন্তু প্ৰতিশ্ৰুতি এতিয়া বগাহাতীত পৰিণত বুলি মন্তব্য কৰি পঞ্চায়ত নিৰ্বাচনৰ পূৰ্বে পকী দলঙৰ কাম আৰম্ভ নকৰিলে ভোট বৰ্জনৰ দৰে সিদ্ধান্ত গ্ৰহণ কৰিবলৈও বাধ্য হ'ব বুলি হুংকাৰ প্ৰদান কৰিছে।

# বিতোপন ডেকা-পৰিস্মিতা নাথৰ বিনা প্ৰতিদ্বন্দিতাৰে জয়ৰ সম্ভাৱনা





**ই-সংবাদ, মঙলদৈ আৰু ই-সংবাদ বিশেষ, মঙলদৈ, ১১ এপ্ৰিলঃ** পঞ্চায়ত নিৰ্বাচনৰ মনোনয়ন-পত্ৰ দাখিলৰ আজি অন্তিম দিনা দৰং জিলাৰ ১২ টা জিলা পৰিষদীয় সমষ্টিৰ ৰঙামাটি আৰু হাজৰিকাপৰা-কৰুৱা জিলা পৰিষদ সমষ্টিত মনোনয়ন দাখিলৰ অন্তিম সময় ৩.৩০ বজালৈ বিজেপিৰ বাহিৰে আন কোনো দলৰ প্ৰাৰ্থীয়ে মনোনয়ন-পত্ৰ দাখিল নকৰিলে। মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম দিনা দুয়োটা জিলা পৰিষদ সমষ্টিত মনোনয়ন-পত্ৰ দাখিলৰ অন্তিম সময়লৈ বিজেপি দলৰ বিতোপন ডেকা আৰু পৰিস্মিতা নাথৰ বাহিৰে কোনো দলৰ প্ৰাৰ্থী বা নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন দাখিল নকৰাত ৰঙামাটি জিলা পৰিষদ সমষ্টিৰ পৰা বিতোপন ডেকা আৰু হাজৰিকাপাৰা-কুৰুৱা জিলা পৰিষদ সমষ্টিৰপৰা পৰিস্মিতা নাথ বিনা প্ৰতিদ্বন্দিতাৰে জয়ী হোৱাৰ সম্ভাৱনা প্ৰায় নিশ্চিত হৈ পৰিল। কাইলৈ ১২ এপ্ৰিলত মনোনয়ন-পত্ৰসমূহ পৰীক্ষা কৰাৰ অন্তত এই দুগৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দিতাৰে বিজয়ী হোৱাটো নিশ্চিত হ'ব।

## পশ্চিম যোৰহাটৰপৰা মেট্ৰিকত ১,০১৮ গৰাকী উত্তীৰ্ণ

**ই-সংবাদ, পশ্চিম যোৰহাট, ১১ এপ্ৰিলঃ** আজি ঘোষণা কৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত নামদেউৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পৰীক্ষা দিয়া ৬০৭ গৰাকীৰ ভিতৰৰে ৪৯৬ গৰাকী উত্তীৰ্ণ হৈছে। ইয়াৰে প্ৰথম বিভাগত ১৮৯ গৰাকী, দ্বিতীয় বিভাগত ২৫১ গৰাকী, তৃতীয় বিভাগত ৫৬ গৰাকী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ ৮১.৭১ শতাংশ। মালৌআলি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পৰীক্ষা দিয়া ১৯৩ গৰাকীৰ ভিতৰৰে ১৭৭ গৰাকী উত্তীৰ্ণ হৈছে। প্ৰথম বিভাগত ৮৪ গৰাকী, দ্বিতীয় বিভাগত ৮০ গৰাকী, তৃতীয় বিভাগত ১৩ গৰাকী। উত্তীৰ্ণৰ হাৰ ৯১.৭১ শতাংশ। দহোটীয়া উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পৰীক্ষা দিয়া ৩৪২ গৰাকীৰ ভিতৰৰে ২৩১ গৰাকী উত্তীৰ্ণ হৈছে। প্ৰথম বিভাগত ৫৯ গৰাকী, দ্বিতীয় বিভাগত ১২০ গৰাকী, তৃতীয় বিভাগত ৫২ গৰাকী উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ ৬৭.৫০ শতাংশ। ধলসত্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা পৰীক্ষা দিয়া ২০২ গৰাকীৰ ভিতৰৰে ১১৪ গৰাকী উত্তীৰ্ণ হয়। ৩০ গৰাকী প্ৰথম বিভাগত, ৬৬ গৰাকী দ্বিতীয় বিভাগত, ১৮ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হৈছে। উত্তীৰ্ণৰ হাৰ ৫৬.৪৪ শতাংশ।

# চৰকাৰী বিদ্যালয়ক অতিক্ৰমি হাইস্কুল শিক্ষান্ত পৰীক্ষাত শিখৰত টীয়কৰ ব্যক্তিগত খণ্ডৰ বিদ্যালয়

**ই-সংবাদ, টীয়ক, ১১ এপ্ৰিলঃ** টীয়কৰ অন্যতম অগ্ৰণী শিক্ষা অনুষ্ঠান টীয়ক জাতীয় বিদ্যালয়, জ্যোতি বিদ্যাপীঠে পূৰ্বৰ দৰে এইবাৰো দশম শ্ৰেণীৰ শিক্ষান্ত পৰীক্ষাত এশ শতাংশ উত্তীৰ্ণৰে সন্তোষজনক ফলাফল দেখুৱাবলৈ সক্ষম হৈছে। ব্যক্তিগত খণ্ডৰ ছাত্ৰ-ছাত্ৰীসকলে ভাল ফল প্ৰদৰ্শন কৰি বিদ্যালয়ৰ লগতে অঞ্চলটোলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে যদিও ঐতিহ্যমণ্ডিত টীয়ক উচ্চ মাধ্যমিক বিদ্যালয়ৰ ফলাফলে সকলোকে হতাশ কৰা পৰিলক্ষিত হৈছে। উল্লেখ্য যে টীয়ক জাতীয় বিদ্যালয়ৰ কৌস্তভমণি বৰবৰাই ৯৫.৮৩ শতাংশ আৰু বৰেণ্য বৰ্ণিল নেওগে ৯৪.৬৬ শতাংশ নম্বৰ পাবলৈ সক্ষম হোৱাৰ লগতে পাবলৈ সক্ষম হোৱাৰ লগতে ১৫ জনে ষ্টাৰসহ ৩৬ জনে প্ৰথম বিভাগ আৰু ৮ জনে দ্বিতীয় বিভাগ লাভেৰে এশ শতাংশ উত্তীৰ্ণ হয়। আনহাতে, ১০০ শতাংশ উত্তীৰ্ণৰে পুনৰ উজলিল টীয়কৰ জ্যোতি বিদ্যাপীঠ বিদ্যালয়খনৰ পৰা অৱতীৰ্ণ হোৱা মুঠ ৬৩ জন ছাত্ৰ-ছাত্ৰীৰ প্ৰথম বিভাগত ৫৯ গৰাকী উত্তীৰ্ণ হোৱাৰ লগতে ১৪ গৰাকীয়ে ডিষ্টিংচন, ২০ গৰাকীয়ে ষ্টাৰ মাৰ্ক, ৩ গৰাকীয়ে দ্বিতীয় বিভাগত আৰু ১ গৰাকী তৃতীয় বিভাগত উত্তীৰ্ণ হয়। বিদ্যালয়খনৰ ১০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ঐচ্ছিক গণিতত ১০০ নম্বৰ পোৱাৰ লগতে মুঠ ১৭ গৰাকীয়ে লেটাৰ নম্বৰ পাবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও অসমীয়া বিভাগত ৩৫ জন, ইংৰাজী বিভাগত ২৫ জন, গণিত বিভাগত ২৭ জন, সাধাৰণ বিজ্ঞানত ৩৫ জন, সমাজ বিজ্ঞানত ২৩ জন, ভূগোল বিভাগত ২ জন, হিন্দী বিভাগত ২ জন আৰু কম্পিউটাৰ বিজ্ঞানত ৯ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে লেটাৰ মাৰ্ক লাভ কৰি টীয়কলৈ গৌৰৱ কঢ়িয়াই আনিবলৈ সক্ষম হৈছে। মন কৰিবলগীয়া যে টীয়ক হাইস্কুলৰ পৰা অৱতীৰ্ণ হোৱা ৮৯ গৰাকী পৰীক্ষাৰ্থী ভিতৰত মাত্ৰ ২৩ গৰাকীহে উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰে প্ৰথম বিভাগত এজন দ্বিতীয় বিভাগত ১১ জন আৰু তৃতীয় বিভাগত ১১ উত্তীৰ্ণ হয়। ইফালে, টীয়ক উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ পৰা এইবাৰ পৰীক্ষাত অৱতীৰ্ণ হৈছিল ৮৩ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে। ইয়াৰে প্ৰথম বিভাগত ১৮ গৰাকী, দ্বিতীয় বিভাগত ২৭ গৰাকী আৰু তৃতীয় বিভাগত ৩ গৰাকী উত্তীৰ্ণ হয়। ইয়াৰ ভিতৰত এগৰাকী ডিষ্টিংচন আৰু ৪ গৰাকীয়ে ষ্টাৰ মাৰ্ক পাবলৈ সক্ষম হৈছে। জাঁজীমুখ জনজাতি উচ্চ মাধ্যমিক বিদ্যালয়ৰ ৮৮ পৰীক্ষাৰ্থীৰ ২৭ জন প্ৰথম, ৫৪ গৰাকী দ্বিতীয় আৰু এজন তৃতীয় বিভাগত উত্তীৰ্ণ হয়। একেদৰে কাৰৈমাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৪৪ গৰাকী পৰীক্ষাৰ্থীৰ ২৮ গৰাকী উত্তীৰ্ণ হয়।

**পুৰণিগুদাম শংকৰদেৱ বিদ্যা নিকেতনৰপৰা মেট্ৰিকত এশ শতাংশ উত্তীৰ্ণৰে কঢ়িয়ালে গৌৰৱ**

# নগাঁও জিলাৰ ভিতৰতে ৯৭ শতাংশ নম্বৰ লাভেৰে দৃষ্টিনন্দনা বৰাৰ প্ৰথম স্থান

**ই-সংবাদ, পুৰণিগুদাম, ১১ এপ্ৰিলঃ** নগাঁও জিলাৰ পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনৰ ছাত্ৰী দৃষ্টিনন্দনা বৰাই আজি ঘোষণা হোৱা হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ ফলাফলত ৯৭ শতাংশ নম্বৰেৰে নগাঁও জিলাৰ ভিতৰতে প্ৰথম স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছে। মেধাবী ছাত্ৰী গৰাকীয়ে ইংৰাজীত ৯৫, অসমীয়াত ৯৭, বিজ্ঞানত ৯৭, সমাজ অধ্যয়নত ৯৬, অংকত ৯৭ আৰু ঐচ্ছিক গণিতত ১০০ নম্বৰ পাবলৈ সক্ষম হয়। ছাত্ৰীগৰাকীৰ উত্তীৰ্ণৰ শতকৰা হাৰ ৯৭ শতাংশ হোৱাৰ লগতে নগাঁৱৰ আন বিদ্যালয়সমূহৰ বিপৰীতে ভিতৰুৱা অঞ্চলৰ ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰা বিদ্যালয়খনৰ ছাত্ৰীগৰাকীৰ এই সফলতাই উৎফুল্লিত কৰিছে পুৰণিগুদামৰ ৰাইজক। মেধাৱী ছাত্ৰীগৰাকী পুৰণিগুদাম বৰপানী গাঁৱৰ নিবাসী ক্ষিৰোদ



বৰা আৰু অঞ্জলি বৰা জ্যেষ্ঠ কন্যা। ইফালে, বিদ্যালয়খনৰ পৰা মুঠ ৮৪ গৰাকী ছাত্ৰ-ছাত্ৰী এইবাৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু ৮৪ গৰাকী উত্তীৰ্ণ হ'বলৈ সক্ষম হয়। ইয়াৰে ২৩ গৰাকী প্ৰথম বিভাগ, ১৪ গৰাকী দ্বিতীয় বিভাগ আৰু এগৰাকীয়ে তৃতীয় বিভাগত উত্তীৰ্ণ হয়। ইয়াৰ উপৰিও বিদ্যালয়খনৰ পৰা ১১ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে ডিষ্টিংচন আৰু ৩৫ গৰাকীয়ে ষ্টাৰ মাৰ্ক লাভ কৰে। উল্লেখযোগ্য যে ১৯৯৬ চনতে প্ৰতিষ্ঠা হোৱা পুৰণিগুদাম শংকৰদেৱ বিদ্যানিকেতনৰ পৰা ২০০৭ চনৰ পৰা হাইস্কুল শিক্ষান্ত পৰীক্ষাত ছাত্ৰ-ছাত্ৰী অৱতীৰ্ণ হৈ আহিছে আৰু সেইবৰ্ষৰ পৰাই এশ শতাংশ উত্তীৰ্ণৰ সফলতাৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখিবলৈ সক্ষম হৈছে। ইয়াৰ উপৰিও বিদ্যালয়খনৰ পৰা ২০১৯ বৰ্ষত দুজন ছাত্ৰই অসমৰ ভিতৰতে স্থান লাভ কৰিবলৈ সক্ষম হৈছে। গ্ৰামাঞ্চলৰ এখন আগশাৰীৰ বিদ্যালয় হিছাপে ইতিমধ্যে প্ৰতিষ্ঠা লাভ কৰা বিদ্যালয় খনৰ সফলতাই বিগত সময়ৰ লগতে এই বৰ্ষটো পুৰণিগুদামবাসীক উৎসাহিত কৰিছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# বিজেপি চৰকাৰৰ পৰা ৪ কোটি টকাৰ পুৰস্কাৰ বিনেশ ফোগাটক

**চণ্ডীগড়, ১১ এপ্ৰিলঃ** অলিম্পিকৰ পদক বিজয়ী তথা কংগ্ৰেছৰ বিধায়ক বিনেশ ফোগাটে হাৰিয়ানাৰ বিজেপি চৰকাৰৰ পৰা লৈছে ৪ কোটি টকা। যোৱা বছৰ মল্লযুঁজৰ মেট এৰি ৰাজনীতিত প্ৰৱেশ কৰাৰ পিছত কংগ্ৰেছৰ টিকটত বিধায়ক হৈছিল বিনেশ। অৱশ্যে খেলুৱৈ হিচাপে তেওঁৰ সন্মান অক্ষুণ্ণ ৰখাৰ বাবে হাৰিয়ানা চৰকাৰে পদক্ষেপ লৈছিল। অলিম্পিকত ৰূপৰ পদক বিজয়ীক দিয়া সন্মান লাভ কৰিব বিনেশে। তেওঁক চাকৰি, মাটি বা আৰ্থিক পুৰস্কাৰৰ মাজৰ পৰা এটা বাছি ল'বলৈ কোৱা হয়। বৃহস্পতিবাৰে বিনেশে কয় যে তেওঁ ৪ কোটি টকাৰ পুৰস্কাৰ গ্ৰহণ কৰিব, কিন্তু তেওঁ চাকৰি বা মাটি নিবিচাৰে। বিনেশে কয়, "টকা নহয়, সন্মানহে গুৰুত্বপূৰ্ণ।" অৱশ্যে এই সিদ্ধান্তক লৈ কংগ্ৰেছে ক্ষোভ প্ৰকাশ কৰিছে। প্ৰাক্তন অলিম্পিক পদক বিজয়ী মল্লযুঁজাৰু যোগেশ্বৰ দত্তইও তীব্ৰ আপত্তি ব্যক্ত কৰিছে বিনেশ ফোগাটক দিয়া এই অৰ্থক লৈ। তেওঁ কয়, "যিসকলে এসময়ত পুৰস্কাৰৰ ধন চৰকাৰৰ মুখত দলিয়াই দিম বুলি কৈছিল, তেওঁলোকে এতিয়া বিধানসভাত ধন বিচাৰিছে।" হাৰিয়ানা চৰকাৰৰ নিয়ম অনুসৰি সোণ, ৰূপ আৰু ব্ৰঞ্জ বিজয়ীসকলৰ বাবে আবণ্টন দিয়া হয় ৬ কোটি, ৪ কোটি আৰু ২.৫ কোটি টকা। প্ৰণিধানযোগ্য যে, ভাৰতীয় মল্লযুঁজ সন্থাৰ সভাপতি তথা বিজেপিৰ সাংসদ ব্ৰীজ ভূষণ চৰণ সিঙৰ বিৰুদ্ধে মল্লযুঁজাৰুৱে সাব্যস্ত কৰা প্ৰতিবাদৰ অন্যতম আছিল বিনেশ ফোগাট। দিল্লীত সাব্যস্ত কৰা প্ৰতিবাদৰ সময়ত তেওঁ আনকি নিজৰ পদক গংগাত উটুৱাই দিবও বিচাৰিছিল। কিন্তু সেইগৰাকী বিনেশেই এতিয়া বিজেপিৰ পৰা ধন লোৱাক লৈ অনেকে প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।




আইপিএল ২০২৫: ৰাজস্থানৰ বিৰুদ্ধে উইকেট জয়ৰ উল্লাস গুজৰাটৰ ৰাছিদ খানৰ




আইপিএল ২০২৫: ছন্দহীন চেন্নাই! কলকাতাৰ বিৰুদ্ধে এলবিডব্লিউ হৈ পেভিলিয়নমুখী কেপ্টেইন এমএছ ধোনী

**প্ৰথমবাৰৰ বাবে অলিম্পিকত অন্তৰ্ভুক্ত হ'ব ক্ৰিকেট, চলিছে আয়োজন**

# পুৰুষ আৰু মহিলা শাখাত ৬ দেশেহে খেলিব পাৰিব অলিম্পিক

**লছ এঞ্জেলছ, ১১ এপ্ৰিলঃ** ২০২৮ চনৰ লছ এঞ্জেলছ অলিম্পিকত ক্ৰিকেটক অন্তৰ্ভুক্ত কৰাৰ পিছতে যোগ্যতাৰ সন্দৰ্ভত বিভিন্ন প্ৰশ্নৰ উত্থাপন হৈছে। অৱশ্যে অলিম্পিক আয়োজক সমিতি এলএ ২৮য়ে স্পষ্ট কৰি দিছে যে কোনখন দেশে অংশগ্ৰহণ কৰিব সেইটো তেওঁলোকৰ হাতত নাই। এই দায়িত্ব সম্পূৰ্ণৰূপে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া ফেডাৰেচনৰ ওপৰত এৰি দিয়া হৈছে। ক্ৰিকেটৰ ক্ষেত্ৰত এই দায়িত্ব আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ হাতত থাকিব। বৃহস্পতিবাৰে এলএ ২৮ কমিটীৰ অধ্যক্ষ কেছি ৱাছাৰমেনে এক সাক্ষাৎকাৰত কয় যে, "আয়োজক সমিতিৰ কাম কেৱল অলিম্পিক আয়োজন কৰা। কোনবোৰ দেশে খেলিব সেইটো নিৰ্ণয় কৰাটো আমাৰ দায়িত্ব নহয়। সেই সিদ্ধান্ত আন্তঃৰাষ্ট্ৰীয় ফেডাৰেচনে ল'ব, এই ক্ষেত্ৰত আইচিচিয়ে ল'ব।" ৱাছাৰমেনে কয় যে আয়োজক দেশ আমেৰিকাই অলিম্পিকত পোনপটীয়াকৈ খেলিব নে নাই সেইটোও আইচিচিয়ে সিদ্ধান্ত ল'ব। তেওঁৰ উত্তৰত তেওঁ পূৰ্বৰ মন্তব্যটো আওৰাই কয়- যোগ্যতা নিৰ্ণয়ৰ সৈতে জড়িত সকলো কথা ফেডাৰেচনৰ হাতত। উল্লেখ্য যে, ২০২৮ চনৰ অলিম্পিকত পুৰুষ আৰু মহিলা বিভাগৰ ছটাকৈ দলে অংশগ্ৰহণ কৰিব। ফলত ক্ৰিকেটৰ বাবে স্থান অতি সীমিত, যাৰ বাবে আইচিচি দল নিৰ্বাচনৰ ক্ষেত্ৰত এক বৃহৎ প্ৰত্যাহ্বানৰ সন্মুখীন হ'বলগীয়া হৈছে। নিৰ্বাচন ৰেংকিঙৰ ওপৰত ভিত্তি কৰি হ'ব নেকি, মহাদেশৰ ওপৰত ভিত্তি কৰি প্ৰতিনিধি নিৰ্বাচন কৰা হ'ব নেকি, বা পৃথক যোগ্যতা অৰ্জনৰ ৰাউণ্ড হ'ব নেকি- এই সকলোবোৰ বিষয় আলোচনা চলি আছে। অৱশ্যে আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া কেলেণ্ডাৰ ইতিমধ্যে ভৰি পৰিছে, যাৰ ফলত পৃথক কোৱালিফায়াৰৰ সম্ভাৱনা অতি ক্ষীণ হৈ পৰিছে। সেয়ে বৰ্তমান আইচিচিয়ে বিভিন্ন আলোচনাত মিলিত হৈ দলটো কেনেদৰে বাছনি কৰা হ'ব সেই সিদ্ধান্ত গ্ৰহণ কৰি আছে। বৰ্তমান জিম্বাব'ৱেৰ হাৰাৰেত চাৰিদিনীয়া আইচিচিৰ বৈঠক চলি আছে। সূত্ৰসমূহে জনোৱা মতে, বৃহস্পতিবাৰে তাত এই বিষয়টোৰ ওপৰত প্ৰাৰম্ভিক আলোচনা হয়। অনাগত দিনত এই আলোচনা তীব্ৰতৰ হ'ব বুলি নিশ্চিত কৰা হৈছে, য'ত আমেৰিকাৰ অৰ্হতাৰ সন্দৰ্ভতো সিদ্ধান্ত লোৱা হ'ব।

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD,
JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
- BCA
- DCA
- PGDCA
- DTP
- ADCA
MONTESSORY TEACHER TRAINING COURSE
- LESSON PLANS
- PRESENTATION CLASS
- INTERVIEW SESSION
- MOTOR SKILL DEVELOPMENT
- HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি